# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE ELEVENTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION
OF INDIA

**MAY-JUNE SESSION**

NO. 3

**THE 1ST JUNE, 2001**

**Price : Rs. 20.00**

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Friday, the 1st June, 2001**

**The House met at 4 P.M. of the clock in the Assembly Chamber at Dispur with Shri Prithibi Majhi, speaker in the chair.**

**Mr. Speaker :** Before I take up the Item as listed in the List of Business for to-day, I would like to inform the House about the Report of the Business Advisory Committee.

## POINT OF ORDER

**Dr. Zoii Nath Sarma :** Mr. Speaker Sir, point of order. আমি নটিচ এখন দিছোঁ আৰু সুধিছোঁ কোনটো ৰুলমতে কুৱেশ্যন আৱাৰ বাদ দিয়া হ'ল?

মাননীয় অধ্যক্ষ ঃ এই সম্পৰ্কে আগতে নটিচ দিয়া হৈছে আৰু বিজিনেচ এডভাইচৰি কমিটী গঠণ কৰা হৈছে।

* ডঃ জয় নাথ শৰ্ম্মা ঃ নটিচখনত কোনটো ধাৰা দিয়া হ'ল আৰু সিদ্ধান্ত কোনে ল'লে? নে আপোনাক অধ্যক্ষ পতাৰ আগতে কৰা হ'ল? কোনটো ৰুল মতে কৰিলে কৈ দিলে ভাল হয়?

* **Dr. Ardhendu Kr. Dey, (Minister) :** Mr. Speaker Sir, I would like to point out that to-day we hold a Business Advisory Committee meeting. We discussed the matter in that meeting and the House will know about it.

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ বিজিনেচ এডভাইচৰি কমিটীৰ কথা কৈছে, আমি তাৰ ওপৰত আলোচনা কৰিছোঁ, কিন্তু এই বিষয় সম্পৰ্কে মাননীয় সদস্য গৰাকীয়ে জানিব বিচাৰিছে। যি সময়ত এই সিদ্ধান্ত লোৱা হ'ল সেই সময়ত বিজিনেচ এডভাইচৰি কমিটী গঠণ হোৱা নাছিল।

* ডঃ জয় নাথ শৰ্ম্মা ঃ কোনটো ৰুল মতে সিদ্ধান্ত ল'লে দেখুৱাই দিয়ক।

**Mr. Speaker :** Report of the Business Advisory Committee.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee in the Conference Room of my Office Chamber to-day the 1st June, 2001 to discuss about the rational allocation of time to different Legislature Parties/Groups and Independent Members for Debate on the

---

* Speech not corrected

Motion of Thanks on Governor's Address as well as taking up of the passing of the two Bills in the House and forfixation of priority for discussion on the Supplementary Demands for Grants for the year 2001-2002.

After a threadbare discussion, the Committee decided to allocate time for the Debate on the Motion of Thanks on the Governor's Address as follows :

The total time that will be made available for discussion on the Motion of Thanks for Debate on Governor's Address will be approximately $4^1/_2$ hours i.e. 270 minutes and each individual Member will get approximately 2 minutes. Time allocation for each Legislature Parties/Groups and Independent Members is as follows :

1. Indian National Congress – 160 minutes (including the reply of the Chief Minister.)
2. Asom Gana Parishad – 40 minutes.
3. BJP – 16 minutes.
4. NCP – 6 minutes.
5. ASDC (U) – 4 minutes.
6. All India Trinamool Congress – 2 minutes.
7. Samata Party – 2 minutes.
8. Samajwadi Party – 2 minutes.
9. Independents – 38 minutes.

Chief Minister will start his reply sharp at 8.30 p.m. as decided by the Committee. The Committee has authorised the Speaker to regulate the time allocated as per decision of the Committee.

Further the Committee also discussed about the passing of the two Bills viz :

(1) The Assam Non-Government (Deficit) College Central Pension and Provident Fund (Amendment) Bill, 2001, 2. Assam Contigency Fund (Amendment) Bill, 2001, by the House and deided that the two Bills will be taken up by the House as soon as the Assam Appropriation Bill No. (III) on 2-6-2001 is passed.

The Committee also after a threadbare discussion decided that the discussion on the Supplementary Demands for Grants for the Year 2001-2002 will be taken up serially.

I hope this has the approval of the House.

The Rules Committee which have met this morning at my Chamber have also finalised the Report of the Rules Committee and the Hon'ble Parliamentary Affairs Minister will lay the same at the end of the business for the day.

**Debate on Governor's Address**

Now Debate on the Governor's Address. I have received six notices of amendments to the Motion of Thanks on the Governor's address moved by the Hon'ble Member Shri Ripun Bora.

1. The first Notice stands in the name of Shri Dharamsing Teron and Shri Jagat Sing Engti.
2. The second notice stands in the name of Dr. Zoii Nath Sarmah.
3. The third notice stands in the name of Shri Pabindra Deka.
4. The fourth notice stands in the name of Shri Shadeed Mazumdar.
5. The fifth notice stands in the name of Shri Hitendra Nath Goswami, Shri Phani Bhusam Choudhury and Shri Prasanta Kumar Borua.
6. The sixth notice stands in the name of Shri Premadhar Bora. Now I call upon the movers in whocse name the amendment Motion stands to move their amendments one by one.

* **Shri Dharamsing Teron :** Mr. Speaker, Sir, I express my thanks to the people of my Constituency as well as to the people of Karbi Anglong District. I like to bring an amendment to the motion of thanks on Governor's Address moved by Shri Ripun Bora. In this regard, I like to speak and express my view with some amendment. Sir, that at the end of the Motion of Thanks on the Governor's Address moved by Shri Ripun Bora, the following be added :

That the Governor has failed to make any mention about the long

* Speech not corrected

pending demand of the people of Karbi Anglong & N.C. Hills for creation of Autonomous States as per Article 244 (A) of the Indian Constitution. Therefore, the paragraph under caption "Hill Areas" at page 25 be substituted as follows "My Government is fully aware about the long pending resolution of the Demand of Autonomous State under Article 244(A) and shall initiate political dialogue to resolve to issue to ensure peace, progress and democracy.

**Mr. Speaker :** Now, I call upon Shri Zoii Nath Sarmah to move the amendment.

* **Dr. Zoii Nath Sarma :** Sir, at the end of the Motion of Thanks on the Governor's Address moved by Shri Ripun Bora, the following be added. That the Government of Assam is also pleased to make it clear to the people of Assam that whatever be the commitment that has been incorporated in the Governor's address shall be legally bound to be implemented by the Government in letter and spirit.

**Mr. Speaker :** Now, I call upon the third mover Shri Pabindra Deka to move his amendment.

* **Shri Pabindra Deka :** That at the end of the motion of Thanks on the Governor's address moved by Shri Ripun Bora, the following be added:

(i) My Government will have no objection in holding the dialogue with the extremist organisation in any place of our country or outside the Country without preconditions".

(ii) "In all offices at Central and Semi-Central establishment 100% jobs of III & IV grade categories and 80% jobs of I & II categories shall be reserved for the indigenous candidated of Assam."

(iii) "Steps shall be taken to transfer all the Head Offices of Tea Companies and the Office of the Oil India Limited to Assam so as to make some arrangements to generate employment avenues for the indigenous unemployed youth of Assam.

(iv) "My Government shall take steps to give Monthly unemployed youth of State".

---

* Speech not corrected

(v) The Government will take up with the Central Government to take immediate steps to seal the Indo Bangla Border.

(vi) The Government will wake steps to establish 100 new Primary Health Centres and 50 new community health centre inthe State.

**Mr. Speaker :** Now I call upon Shri Sadique Mazumder to move his amendment.

**শ্ৰীশাদিদ মজুমদাৰ ঃ** অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মাননীয় সদস্য শ্ৰীৰিপুন বৰাই প্ৰস্তাৱ কৰা ৰাজ্য পালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওঁক "কিন্তু ৰাজ্যপালে কৃষকৰ মুল সমস্যা ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া স্থায়ী বান্ধ আৰু বিশ বছৰলৈ মঠাউৰীত থকা ব্যক্তি সকলক পুনৰ সংস্থাপনৰ ব্যৱস্থাৰ কথা উল্লেখ কৰা নাই। এনেকি গোৱালপাৰা জিলা সদৰ ঠাই গোৱালপাৰা চহৰ ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াত বহু ঘৰবাৰী ভাঙি গৈছে কিন্তু নদী ভংগ ব্যক্তি সমূহৰ পুনৰ সংস্থাপনৰ কথা উল্লেখ নাই।"

"ৰাজ্যপালে জিলাৰ সদৰ ঠাইত চিকিৎসাৰ বাবে চিকিৎসালয় স্থাপন কৰাত চহৰৰ বাহিৰত পৰিছে কিন্তু সেই চহৰত চিকিৎসালয় স্থাপন কৰাৰ কথা উল্লেখ নাই।"

"ৰাজ্যপালে ৰাজ্যখনৰ অনুসুচিত জনজাতি সুনিশ্চিত প্ৰদান কৰাৰ ক্ষেত্ৰত গাৰো সম্প্ৰদায়ৰ লোকক অসমৰ জনজাতি প্ৰদান কৰাৰ ক্ষেত্ৰত উল্লেখ কৰা নাই।"

"ৰাজ্যপালে চৰবাসী ৰাইজৰ মাটি অৰ্থাৎ চৰ অঞ্চলৰ মাটি পট্টা দিয়াৰ কথা উল্লেখ নকৰাৰ বাবে অসম বিধান সভাই গভীৰ অসন্তোষ প্ৰকাশ কৰে। "

* **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** এই বিধান সভাৰ মাননীয় সদস্য শ্ৰীৰিপুন বৰাই প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওঁক।

(ক) ৰাজ্যখনৰ অৰ্থনৈতিক ব্যৱস্থা টনকিয়াল কৰাৰ স্বাৰ্থত কেন্দ্ৰ ৰাজ্যৰ সাংবিধানিক পুৰ্ণ বিন্যাস কৰাৰ আৱশ্যকীয়তাৰ বিষয়ে ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট কৰিব লাগে।

(খ) কোকৰাঝাৰ, বঙ্গাইগাঁওকে ধৰি গোষ্ঠিগত সংঘৰ্ষ ১৯৯৬ চনৰ পৰা কেইবাবছৰ ধৰি বাৰে বাৰে সংঘটিত হোৱাৰ পৰিবৰ্তে ১৯৯২ চনৰ পৰা বুলিহে উল্লেখ থাকিব লাগে।

(গ) অনুপ্ৰৱেশকাৰী চিনাক্ত কৰা আৰু বহিষ্কৰণৰ ক্ষেত্ৰত আই এম দি টি আইন বাহাল ৰখাৰ পৰিবৰ্তে সমগ্ৰ দেশ জুৰি এখন আইন হ'ব লাগে বুলিহে ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিব লাগে।

**Mr. Speaker :** Now I call upon Shri Premadhar Bora to move his amendment.

* **Shri Premadhar Bora :** Mr. Speaker Sir, I would like to move an amendment on the motion of thanks on the Governor's Address moved by Hon'ble Member Shri Ripun Bora. The amendment is that – at the end of last

---

* Speech not corrected

paragraph under the heading, "Panchayat and Rural Development", the following shall be inserted –

"For not holding ethe over due Panchayat Election in the State of Assam for a long period the money earmarked for Panchayat have been wasted. The Government will look into the matter of drainage of those money and take appropriate action on it, who are responsible for this.

**Mr. Speaker :** Now I call upon the mover in whose make the amendment is moved. I now call upon Shri Ripun Bora to initiate the debate on the Governor's Address. I request all of you to take your time allotted to all the parties.

*b5

* **শ্ৰীৰিপুন বৰা ঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা কালি অসম বিধান সভাৰ এই পবিত্ৰ সদনত আমাৰ মাননীয় ৰাজ্যপাল মহোদয়ে অসমৰ শান্তি প্ৰগতিৰ শুভ পৰিবৰ্ত্তনৰ কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈৰ নেতৃত্বত অসমৰ ৰাইজে আস্থা প্ৰকাশ কৰি যি কংগ্ৰেছ চৰকাৰ প্ৰতিষ্ঠা কৰিলে আৰু অনাগত দিন কেইটাৰ যি প্ৰস্তাবিত কাৰ্য্যসুচী বা নীতি নিৰ্দ্ধাৰণ তাক ৰাজ্যপাল মহোদয়ৰ ভাষণৰ দ্বাৰা অৱগত কৰাইছে। ৰাজ্যপাল মহোদয়ৰ এই ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰি দুষাৰ কবলৈ থিয় হবলৈ পাই আনন্দিত হৈছো। ৰাজ্যপাল মহোদয়ৰ ভাষণত অসমবাসীৰ ৰাইজৰ মনত শান্তি সম্প্ৰীতি ঘুৰি আহিছে বুলি উল্লেখ কৰিছে। যোৱা পয়ত্ৰিচটা বছৰত অসমত যি অৰাজকতা অগ্নিগৰ্ভা পৰিস্থিতিৰ সৃষ্টি হৈছিল তাত ৰইজ আতংকিত হৈ পৰিছিল। বিগত বছৰ কেইটাত আইন শৃংখলা বুলিবলৈ একো নাছিল হিংসা সন্ত্ৰাসে ছানি ধৰিছিল। হত্যা গুপ্ত হত্যাৰ ফলত চৰকাৰৰ অৱস্থিতিৰ কথা ৰাইজে পাহৰি গৈছিল। হত্যা, লুন্ঠন গোষ্ঠী সংঘৰ্ষ অপহৰণে আইন শৃঙ্খলাৰ পৰিস্থিতি ভয়াৱহ কৰি তুলিছিল। এইখন দেশত জনসাধাৰণৰ মনত শান্তি ঘূৰাই আনিব পাৰি ৰাইজে গৌৰৱ বোধ কৰিছে যদিও ৰাইজে আশংকা প্ৰকাশ কৰিছিল কিজানিবা পৰিস্থিতি আৰু ভয়াৱহ হয়। ১৯৯১ চনত তেতিয়াৰ মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই যেতিয়া শপত গ্ৰহণ কৰিছিল সিদিনাখনেই কেইজনমান উচ্চপদস্থ বিষয়াক উগ্ৰপন্থীয়ে অপহৰণ কৰিছিল আৰু দিন দুপৰতে ৰাইজক ৰাজপথত হত্যা কৰা হৈছিল। ১৯৯৬ চনত ১৫ মে'ত যেতিয়া অ গ প দলৰ মহন্ত ডাঙৰীয়াই শপত গ্ৰহন কৰে তেখেত ৰাজভৱনত থাকোতেই কোকৰাঝাৰ, বঙাইগাওঁ জিলাত গোষ্ঠীগত সংঘৰ্ষত দপ্‌দপ্‌কৈ জুই জ্বলি ঘৰবাৰী পুৰি ছাই হৈ গ'ল, অসংখ্য লোকৰ প্ৰাণ হানি হৈছিল। তাৰ ঠিক দুদিন পিচত অৰ্থাৎ ১৭ মে'ত প্ৰখ্যাত সাংবাদিক পৰাগ দাসক দিন দুপৰতে ৰাজপথত হত্যা কৰা হৈছিল। তিনিচুকীয়াৰ এচ পিক নি ৰাজপথত হত্যা কৰা হৈছিল। সাধাৰণ নাগৰিকৰ শান্তি ও নিৰাপত্তা নোহোৱা হৈছিল। এই পৰিপ্ৰেক্ষিততে ৰাইজে আঙুলিৰ মূৰত দিন গনিছিল কেতিয়া ইয়াৰ পৰিবৰ্ত্তন আনিব পাৰিব বুলি।

* Speech not corrected

ৰাইজে এই পৰিবৰ্ত্তন আনি গৌৰৱ বোধ কৰিছে যদিও লগতে শংকাও প্ৰকাশ কৰিছিল যে শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই শপত গ্ৰহণ কৰাৰ দিনাও অসমত ভয়াবহ পৰিস্থিতি হয়। কিন্তু অসমীয়াত এটা কথা আছে যে যি মুলা বাঢ়িব তাৰ দুপাততে চিন। মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই শপত গ্ৰহন কৰা আজি বাৰ দিন পাৰ হ'ল অসমত শান্তি ঘুৰি আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে অসমীয়াতে এটা কথা আছে — যি মুলা বাঢ়িব তাৰ দুপাততে চিন, মাননীয় অসমৰ মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈৰ সুস্থ সবল নেতৃত্বত কংগ্ৰেছ দলৰ চৰকাৰে শপত গ্ৰহন কৰা ১২ দিন মাত্ৰ পাৰ হৈ যোৱাৰ পাচত আমাৰ ৰাজ্যখনত শান্তি ঘুৰি আহিছে আৰু শান্তি বিৰাজ হৈছে। অধ্যক্ষ মহোদয়, সদনত ক'বলৈ পাই মই গৌৰৱ অনুভৱ কৰিছো মহান পুৰুষ শ্ৰীমন্ত শংকৰ গুৰু আৰু আজান ফকিৰে অসমত যি যাউতিযুগীয়া শান্তি আৰু সম্প্ৰীতি অতি কষ্টৰে প্ৰতিস্থা কৰিছিল সেই যাউতিযুগীয়া শান্তি ও সম্প্ৰীতি ঘুৰাই আনি পুনৰ অসমত প্ৰতিস্থ কৰাৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে নেতৃত্ব গ্ৰহণ কৰাৰ পাচতেই অহৰহ প্ৰচেষ্টা চলাইছে আৰু এই প্ৰচেষ্টাত অসমৰ জনসাধাৰণে অসমৰ ৰাইজে সহযোগ কৰিছে, এইটো শুভ লক্ষণ। অসমৰ ভাঙি পৰা আইন-শৃংখলা পুনৰুদ্ধাৰ কৰিবৰ কাৰণে নেতৃত্ব লৈয়েই বৈষ্ণৱিক ব্যৱস্থা হাতত লৈছে আৰু এই বিষয়ে যোৱা কালিৰ ৰাজ্যপালৰ ভাষণত পৰিষ্কাৰভাৱে প্ৰকাশ পাইছে। উগ্ৰপন্থীৰ সমস্যাই ৰাজ্যখনত ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিছিল, বিগত চৰকাৰে যোৱা ৫ টা বছৰে উগ্ৰপন্থীৰ সমস্যাটো, উগ্ৰপন্থীৰ কাৰ্য্যকলাপ ৰোধ কৰিবৰ কাৰণে সামৰিক বাহিনী আৰু প্ৰশাসনক কঠোৰ হাতেৰে নিয়ন্ত্ৰণ কৰিবলৈ বিচাৰিছিল ফলত পৰিস্থিতি ভয়াবহ হ'ল আৰু বিভিষিকাৰ সৃষ্টি হ'ল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰাইজৰ উদ্দেশ্যে গুৱাহাটী দুৰদৰ্শনৰ যোগেদি ভাষণ দিছিল আৰু সেই ভাষণত স্পষ্ট ভাবে উল্লেখ কৰিছিল যে পৃথিৱীত এনে কোনো সমস্যা নাই যি সমস্যা আলাপ-আলোচনাৰ মাজেদি সমাধান কৰিব নোৱাৰি। ইতিমধ্যে আমাৰ নিৰ্ব্বাচনী ইস্তাহাৰতো প্ৰকাশ কৰা হৈছিল আৰু ৰাজ্যপালৰ ভাষণতো তেনে এটি ইঙ্গিত দিয়া হৈছে যে উগ্ৰপন্থীৰ সমস্যাটো ৰাজনৈতিকভাৱে আলাপ-আলোচনা কৰি ব্যৱস্থা হাতত লোৱা হ'ব। মহোদয়, মই এটা কথা মাননীয় সদস্য সকলৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে উগ্ৰপন্থীৰ সৃষ্টিৰ মূল কাৰণ হৈছে ব্যাপক নিবনুৱা সমস্যা আৰু অৰ্থনৈতিক অনগ্ৰসৰতা, বিগত চৰকাৰে এই কথাটো উপলব্ধি কৰিব পৰা নাছিল, সেয়ে নিবনুৱা সমস্যা সমাধান কল্পে আৰু অসমৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বিগত চৰকাৰে কোনো কাৰ্য্য ব্যৱস্থা হাতত লোৱা পৰিলক্ষিত নহ'ল। কিন্তু আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ লগে লগে দৃঢ়তাৰে ঘোষণা কৰিছে যে অসমৰ ভাঙি পৰা অৰ্থনৈতিক কাঠামো পুনৰুদ্ধাৰ কৰাৰ কাৰণে দ্ৰুত অৰ্থনৈতিক উন্নয়নত অগ্ৰাধিকাৰ দিছে আৰু উগ্ৰপন্থী সকলক ৰাষ্ট্ৰৰ মুল সূতিলৈ যাতে ঘূৰাই আনিব পাৰি সেই দিশত বিশেষ তৎপৰ হৈছে। মাননীয় সদস্য সকলক জনাবলৈ পাই গৌৰৱ বোধ কৰিছো যে আমাৰ চৰকাৰে দ্বিদ্ধাহীনভাৱে ঘোষণা কৰিছে যে যি কোনো পৰিস্থিতিত হ'লেও কোনো ক্ষেত্ৰতে আইন হাতত তুলি লোৱাতো সহ্য কৰা নহ'ব বা আইন হাতত তুলি ল'বলৈ দিয়া নহ'ল আৰু হিংসাত্মক কাৰ্য্যক বন্ধ কৰি শান্তি

সংস্থাপন কৰাতো সুৰক্ষিত কৰিছে। অসমৰ ৰাইজক যি দৰে আশ্বাস দিছিল সেইদৰেই কিছুদিনৰ পৰা ৰাজ্যখনত যিদৰে গুপ্ত হত্যা চলি আছে, গুন্ডা কৰৰ পয়োভৰ চলিছে, অবৈধ অস্ত্ৰ-সস্ত্ৰৰ পয়োভৰ চলি আছিল সেইবোৰ বন্ধ কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছে, দায়িত্ব লোৱা মাত্ৰ ১২ দিনৰ ভিতৰতে নতুন চৰকাৰে অবৈধ চেকগেট বিলাক বন্ধ কৰি দিছে আৰু অবৈধ অস্ত্ৰ-সস্ত্ৰ বিলাক জব্দ কৰাৰ কাৰণে ইতিমধ্যে অভিযান আৰম্ভ কৰিছে। মই আন এটা কথা মাননীয় সদস্য সকলৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো. সেইটো হ'ল বিগত বছৰৰে বিগত চৰকাৰে প্ৰশাসনীক আৰু অসামৰিক আৰক্ষী বিভাগক ৰাজনৈতিকভাৱে হস্তক্ষেপ কৰি প্ৰশাসনক আৰু আৰক্ষী বিভাগৰ বিষয়া-কৰ্ম্মচাৰী মনোভাব ভাঙি পৰাৰ ফলত চাকৰিয়াল সকলৰ দক্ষতা হ্ৰাস কৰিলে সেই দক্ষতা আৰু চাকৰিয়ালৰ মনোবল পুনৰ ঘূৰাই অনাৰ কাৰণে দৃঢ়তাৰে ঘোষণা কৰিছে যে অনাগত দিনত কৰ্ম্মচাৰী আৰু বিষয়াসকলৰ মনোবল আৰু দক্ষতা ঘূৰাই অনা হ'ব আৰু আৰক্ষী বিভাগটো আধুনীকিকৰণ কৰি অধিক দক্ষতাসম্পন্ন কৰি তোলা হ'ব। এই গোটেই বিলাক কথা এটা কথাৰ লগত ওতহঃপোতঃভাৱে জৰিত হৈ আছে সেইটো হৈছে অৰ্থ নীতি। অধ্যক্ষ মহোদয়, অসমৰ এই অৰ্থনীতি বিগত চৰকাৰৰ দিনত এনেভাৱে দেউলীয়া হল যে স্বাধীনোত্তৰ কালত তেনে নজীৰ দেখিবলৈ পোৱা নাই। বিৰোধী দলৰ সদস্যসকলে সভা-সমিতিত সোণৰ অসম গঢ়িম বুলি আবেগিক ভাবে অসমৰ ৰাইজক কৌশলগত ভাবে শোষণ কৰি আহিছে। যিখন অসমত সোণৰ অসম গঢ়িম বুলি চিঞৰ-বাখৰ কৰিছিল সেইখন অসমত আজি মাটি খান্দিলে নৰকঙকাল ওলাইছে। যিখন ৰাজ্যত মানুহে শান্তিৰে শুবলৈ পোৱা নাই, কৰ্ম্মচাৰীক দৰ্ম্মহা দিব পৰা নাই, আনকি আৰ্থিক অনাটনত জীৱন নিৰ্ব্বাহৰ কাৰণে নিজৰ শৰীৰৰ অঙ্গ বিক্ৰী কৰিছে, কিডনী বিক্ৰী কৰিছে, কোনোয়ে আকৌ অভাৱত পৰি আত্মহত্যা কৰিছে, বিগত চৰকাৰৰ দিনত ৰাজ্যৰ ৰাজকোষ লুণ্ঠন কৰিলে। অসমৰ ৰাইজৰ ওপৰত ১০ হাজাৰ কোটিতকৈ অধিক টকাৰ ঋণৰ বোজা জাপি দিলে ফলত এইখন ৰাজ্যত আজি জন্ম হোৱা এটি নিস্পাপ শিশুৱে জন্ম হৈয়েই ২৬৬০ টকাৰ বোজা লৈ জন্ম ল'ব লাগিব। এনে এটা অৱস্থা আমাৰ ৰাজ্যখনত আজি বিৰাজ কৰিছে, বিগত ৫ বছৰত বিভিন্ন বিভাগত যি দুৰ্নীতি চলালে সি পৰ্ব্বতমান হ'ল, আনকি বিগত চৰকাৰৰ দিনতে এই সদনতে মাননীয় সদস্য সকলে গ্ৰামোন্নয়ন মন্ত্ৰীৰ গ্ৰামোন্নয়ন বিভাগত হোৱা বিভিন্ন দুৰ্নীতিৰ বিষয়ে বিতৰ্ক হৈছিল আৰু তেতিয়া মুখ্যমন্ত্ৰীয়ে সেই বিষয়টো তদন্ত কৰা হ'ব বুলি আশ্বাস দিছিল কিন্তু আজিলৈকে কোনো তদন্ত নহ'ল। চাৰ সিমানেই নহয় আন আন বিভাগৰ যেনে চিকিৎসা বিভাগ, শিক্ষা বিভাগ গড়কাপ্তানী সমাজকল্যাণ ইত্যাদি বিভাগত দুৰ্নীতিয়ে গৈ পৰ্ব্বতাকাৰ ৰূপ লৈছিল, দুৰ্নীতিয়ে ৰাজ্যখনক অন্ধকাৰ অৱস্থালৈ ঠেলি নিছিল যাৰ ফলত ৰাজ্যখনত ভয়ানক বিত্তিয় সংকটে দেখা দিছিল। আজি অলপ দিন আগতে বিগত চৰকাৰৰ কথা 'কেগৰ' প্ৰতিবেদনত ওলাইছে আকৌ দৈনিক অগ্ৰদূত কাকতত সবিস্তাৰে প্ৰকাশ পাইছে বিগত চৰকাৰৰ দিনত হোৱা ভয়ানক বিত্তিয় খেলিমেলি, ৰাজ্যখনৰ বিত্তিয় অৱস্থাটোক লাওলোৱা কৰি তুলিলে, ৰাজ্যখনক ধ্বংসৰ ফালে ঠেলি লৈ গ'ল। দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰে ৰাজ্যখনৰ সকলো পথ

বন্ধ কৰি পেলালে, অসমৰ ৰাইজক অন্ধকাৰৰ ফালে লৈ গ'ল, বিত্তিয় সংকটে ভয়ানক ৰূপ ললে। ১৯৯৭-৯৮ চনত কেন্দ্ৰই আমাৰ ৰাজ্যখনলৈ ১৫ শ ১০ কোটি টকাৰ অনুদান দিলে তাৰে ২৯ কোটি টকা, ১৯৯৮-৯৯ চনত ১৬৫০ কোটি তাৰে ৩৩৫৩ কোটি আৰু ১৯৯৯-২০০০ ১৭৫০ কোটি তাৰে ২৫০ কোটি টকা, সৰ্ব্বমুঠ ৮৯৬ কোটি টকা খৰচ কৰিব নোৱাৰি ঘুৰাই দিলে, ইয়াতকৈ আৰু লজ্জাজনক কথা কি হ'ব পাৰে। ফলত একাদশ বিত্তিয় আয়োগে কেন্দ্ৰৰ পৰা অসম চৰকাৰে পাবলগীয়া যিমান পৰিমাণৰ টকা পাব লাগিছিল সিমান নাপালে, প্ৰাপ্য ধনৰ পৰা অসম চৰকাৰ বঞ্চিত হ'ল। ভাৰত চৰকাৰৰ পৰা প্ৰাপ্য পুঁজী অনাত বিগত চৰকাৰ ব্যৰ্থ হৈছে। ১৯৮৪ চনৰ পৰা ১৯৯৪ চনলৈ ১০ বছৰৰ ভিতৰত উগ্ৰপন্থীৰ দমনৰ নামত দুৰ্নীতি কৰিলে।

উদাহৰণস্বৰূপে ১৯৮৪ চনৰ পৰা ১৯৯৪ চনলৈ এই ১০ বছৰ কালত উগ্ৰপন্থী কাৰ্য্য কলাপত আক্ৰান্ত পঞ্জাবত কেন্দ্ৰই দিয়া বিশেষ ঋণ আৰু সুত পৰিশোধ কৰাৰ ক্ষেত্ৰত একাদশ বিত্তিয় আয়োগৰ পৰামৰ্শ ক্ৰমে ২০০০-০৫ চনৰ সময় ছোৱাত মৰেটৰিয়ামৰ ব্যৱস্থা কৰা হৈছে আৰু পঞ্জাব জম্মু কাশ্মীৰৰ বাবে আইন শৃঙ্খলা জনিত ব্যয়ৰ ক্ষেত্ৰত ঋণ ৰেহাইৰ ব্যৱস্থা কৰা হৈছে। অথচ একে পৰ্য্যায়ৰ ৰাজ্য হোৱা স্বত্বেও অসমৰ বেলিকা মৰেট ৰিয়াম আৰু ঋণ ৰেহাইৰ ব্যৱস্থা নকৰাত অ, গ, প চৰকাৰে কেন্দ্ৰৰ ওচৰত কোনো প্ৰতিবাদ কৰিব নোৱাৰি নিজৰ অযোগ্যতা প্ৰতিপন্ন কৰিলে। কেন্দ্ৰত যদিও প্ৰাক্তন প্ৰধান মন্ত্ৰী দেৱগৌড়া, ইন্দ্ৰ কুমাৰ গুজৰাল আৰু বাজপেয়ী চৰকাৰ আছিল আৰু সেই চৰকাৰৰ লগত অসম গণ পৰিষদ দলৰ চৰকাৰে সু সম্পৰ্ক বজাই ৰাখিছিল। কিন্তু তদস্বত্বেও এই ক্ষেত্ৰত ঋণ আৰু সুত পৰিশোধ ৰেহাই দিয়াৰ কাৰণে মৰেটৰিয়ামৰ ব্যৱস্থা কৰিব নোৱাৰাতো অসমবাসীৰ বাবে আগৰ চৰকাৰৰ ব্যৰ্থতা আৰু দুৰ্ভাগ্যৰ কথা। অকল সেইখিনিয়েই নহয় তেতিয়াৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী দেৱগৌড়া আৰু ইন্দ্ৰকুমাৰ গুজৰালে সুকীয়া সুকীয়াকৈ উত্তৰ পূৰ্ব্বাঞ্চলৰ উন্নয়নৰ বাবে 'অৰ্থনৈতিক পেকেজ আঁচনিত' অসমৰ বাবে কেইবাশ কোটি টকা ধাৰ্য্য কৰাৰ কথা ঘোষণা কৰিছিল। কিন্তু তেতিয়াৰ অসম চৰকাৰে হেঁচা প্ৰয়োগ কৰি এই পেকেজৰ এক পইচাও অসম বাসীৰ বাবে উলিয়াই আনিব নোৱাৰিলে। অথচ তেওঁলোকে সেই চৰকাৰৰ লগত সু সম্পৰ্ক বজাই ৰাখিছিল আৰু সেই চৰকাৰৰ লগত তেওঁলোকো অংশীদাৰী দল হিচাপে আছিল। এইখিনিতে আন এটা কথা মই এই পবিত্ৰ সদনত উংথাপন কৰিব বিচাৰিছো যে বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা দপ্তৰৰ ৰাজ্য মন্ত্ৰী অৰুণ শ্বোৰী ডাঙৰীয়া তেতিয়াৰ একালৰ ছাত্ৰ নেতা মহন্ত ডাঙৰীয়াৰ উপদেষ্টা হিচাবে অসম চৰকাৰৰ অতি শুভাকাংশী মন্ত্ৰী আছিল। কিন্তু কেন্দ্ৰীয় পৰিকল্পনা দপ্তৰৰ ৰাজ্য মন্ত্ৰী ডাঙৰীয়াই উত্তৰ পূৰ্ব্বাঞ্চলৰ সন্দৰ্ভত যুগুত কৰা এক প্ৰতিবেদনত প্ৰকাশ কৰে যে ১৯৯৬-৯৯ চনৰ কালছোৱাত অসম চৰকাৰে কেন্দ্ৰৰ পৰা পূৰ্ব্বৰ তুলনাত সৰ্ব্বাধিক ধন আবণ্টন পাইছে। তদঁ স্বত্বেও অসমত অ, গ, প চৰকাৰে দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ বাবে এই ধনৰ সৎ ব্যৱহাৰ নোহোৱাত অৰুণ শ্বোৰীয়ে অসম চৰকাৰৰ ওপৰত অভিযোগ উংথাপন কৰি কয় যে যোৱা তিনি বছৰত অসমলৈ

কেন্দ্ৰই ইমান ব্যাপক হাৰত অনুদান আগবঢ়াইছে যে অসমৰ জনসংখ্যাৰ গড়মূৰি হিচাবত এই অনুদান প্ৰতিমাহে ৬২১ টকা হব। ইমান ব্যাপক পৰিমাণৰ ধন কেন্দ্ৰৰ পৰা পোৱা স্বত্বেও অ, গ, প চৰকাৰে তাৰ সদ্ ব্যৱহাৰ কৰিব নোৱাৰাটো কেৱল লজ্জাজনকেই নহয় ই এক অক্ষমণীয় অপৰাধো। ইমান ব্যাপক পৰিমাণৰ ধন কেন্দ্ৰৰ পৰা অহা স্বত্বেও সেই ধন ক'ত গ'ল? চাৰিওফালে উন্নয়নমূলক কাম-কাজ শূণ্য। ৰাষ্টা-ঘাট, দলং, খোৱাপানী, স্বাস্থ্য আদিৰ ক্ষেত্ৰত কোনো উন্নয়নমূলক কাম হোৱা নাই। ৰাইজৰ মাজত হাহাকাৰ আৰু বিভীষিকাৰ সৃষ্টি হৈছে। সেই কাৰণেই এই টকা ক'ত খৰচ কৰা হ'ল সেইটো কথা জনাৰ অধিকাৰ সকলোৰে আছে। সেই টকা প্ৰকৃততে ক'ত খৰচ কৰিছে তাৰ এটা তদন্তৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰিব। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে পূৰ্ব্বৰ চৰকাৰৰ দিনৰ বিত্তিয় বিশৃঙ্খলাৰ কথা অবগত কৰিব বিচাৰিছো। ১৯৯৯-২০০০ বিত্তিয় বৰ্ষত অসম চৰকাৰে কেন্দ্ৰৰ আবণ্টিত ধনৰ শিতানত ১৬১৬ কোটি, ৰাজ্য চৰকাৰৰ অংশ হিচাবে ১৪৮০ কোটি, কমিছন হিচাবে ৫১১ কোটি, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাৰ বাবে বিশেষ সাহায্য হিচাবে ১৪৭ কোটি সৰ্ব্বমুঠ ৩৭৫৪ কোটি টকা আবণ্টন পাইছে। এই টকা উত্তৰ পূৰ্ব্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ তুলনাত ৩০ পাৰচেণ্ট বেচি। কিন্তু অ, গ, প চৰকাৰ ইমানেই অকৰ্ম্মণ্য আৰু দক্ষতাহীন যে আমাৰ চুবুৰীয়া ৰাজ্য মিজোৰামে এনেদৰে পোৱা কেন্দ্ৰৰ ধন ৯৯ পাৰচেণ্ট খৰচ কৰিবলৈ সমৰ্থ হোৱাৰ বিপৰীতে অসম চৰকাৰে মাত্ৰ ৩৩ পাৰচেণ্ট ধনহে খৰচ কৰিবলৈ সমৰ্থ হৈছে। এইটো অতি লজ্জাজনক, ব্যৰ্থতামূলক আৰু দুৰ্ভাগ্যজনক কথা। ইয়াৰ জৰিয়তে পূৰ্ব্বৰ চৰকাৰৰ দিনত সৰ্ব্বস্তৰত যে দুৰ্নীতি হৈছিল সেইটো গম পোৱা যায়। তেওঁলোকে বিত্তিয় নীতি নিয়ম বা অনুশাসন মনা নাছিল। গতিকে বিত্তিয় ক্ষেত্ৰত বিশৃঙ্খলাৰ সৃষ্টি হৈছিল। আমাৰ তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত গঠন কৰা কংগ্ৰেছ চৰকাৰে অসমৰ ৰাইজৰ উদ্দেশ্যে দিয়া ভাষণ প্ৰসঙ্গত কৈছে যে দুৰ্নীতিমুক্ত, স্বচ্চ আৰু দক্ষতাপূৰ্ণ উন্নয়নমূলক চৰকাৰ এখন অসমৰ ৰাইজক দিম আৰু আমি যেনেকৈ কথা দিছিলো ঠিক সেই দৰেই চৰকাৰে পালন কৰিবলৈ আগবাঢ়ি আহিল। স্বাধীনোত্তৰ কালত অসমত কোনো কালেই নোহোৱা কাম আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৰিবলৈ লৈছে। সেইটো হৈছে সৰ্ব্ব স্তৰত দুৰ্নীতি দূৰ কৰা, এক স্বচ্চ আৰু নিকা প্ৰশাসন গঢ়ি তোলাৰ কাৰণে তথ্যপ্ৰাপ্তিৰ অধিকাৰ বিষয়ক এখন বিধেয়ক সদনত উপস্থাপন কৰাৰ কাৰণে দৃঢ় পদক্ষেপ লৈছে। ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ মাননীয়সদস্য সকলে নিশ্চয় আলোকপাত কৰিব। মাননীয় অধ্যক্ষ মহোদয়, এই সুযোগতে মই আপোনাৰ জৰিয়তে সন্মানীত সদস্য সকলৰ প্ৰতি এটা কথাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে বিৰোধী দলে অসমৰ ক্ষেত্ৰত অধিক ক্ষমতা প্ৰদান কৰাৰ কাৰণে সৰব হৈ আছিল। তেখেতসকলে কেন্দ্ৰৰ পৰা অধিক ক্ষমতা কিয় বিচাৰিছে? কাৰণ তেখেতসকলে সেই ক্ষমতা হস্তগত কৰি নিজকে স্বেচ্ছাচাৰী হব খুজিছে। অসমৰ ৰাইজৰ কাৰণে তেওঁলোকে সেই ক্ষমতা বিচৰা নাই। তেখেতসকলে যোৱা পাঁচ বছৰে সংবিধান আৰু গণতন্ত্ৰৰ দোহাই দি আমাক গণতন্ত্ৰ ধ্বংস কৰা বুলি কৈ আহিছে। কিন্তু তেওঁলোকেহে সাংবিধানীক আৰু গণতান্ত্ৰিক অধিকাৰ অমান্য

কৰি আৰু ৰাইজৰ গণতান্ত্রিক অধিকাৰ খৰ্ব্ব কৰি পঞ্চায়ত নিৰ্ব্বাচন অনুস্থিত নকৰিলে। তেওঁলোকে ৰাইজৰ গণতান্ত্রিক আৰু সাংবিধানীক অধিকাৰৰ পৰা বঞ্চিত কৰি পঞ্চায়ত নিৰ্ব্বাচন অনুস্থিত নকৰি উন্নয়নমূলক কাম কাজৰ পৰা ৰাইজক বঞ্চিত কৰিলে। ইয়াতকৈও ডাঙৰ কথা হৈছে যে, পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়নৰ নামত কেন্দ্ৰৰপৰা যি শ শ কোটি টকা আহিছে সেই টকাৰ অপচয় হৈছে, দুৰ্নীতি হৈছে আৰু আত্মসাৎ হৈছে। এই ক্ষেত্ৰত আমাৰ কংগ্ৰেছ চৰকাৰে অনাগত দিনত এই টকা ক'ত খৰচ কৰা হৈছে তাৰ পাই পাই হিচাব লব আৰু তদন্তৰ ব্যৱস্থা কৰিব আৰু ৰাইজৰ আগত সেই সকলো তথ্য ডাঙি ধৰিব। আমাৰ চৰকাৰে ঘোষণা কৰিছিল আৰু যোৱা কালিও ৰাজ্যপালৰ ভাষণত পৰিষ্কাৰকৈ উল্লেখ কৰিছে আৰু সিদিনা মাননীয় মুখ্যমন্ত্ৰীয়ে দূৰদৰ্শনত ভাষণ দিওতে কৈছিল আৰু নিৰ্ব্বাচনী ইস্তাহাৰতো এই কথা বিলাক সক্ৰীয়ভাবে ঘোষণা কৰা হৈছিল যে এই বছৰ আমাৰ ৰাজ্যখনত পঞ্চায়ত নিৰ্ব্বাচন অনুস্থিত কৰি ৰাইজৰ গণতান্ত্রিক আৰু সাংবিধানিক অধিকাৰ ঘূৰাই দিম। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই যোৱাকালি আমাৰ ৰাজ্যপাল ডাঙৰীয়াই আমাৰ চৰকাৰৰ অনাগত দিন বিলাকৰ কাৰণে যি পৰিকল্পনা আৰু নীতি ডাঙি ধৰিছিল তাৰে কেইটামান দিশহে মই মাননীয় সদস্যসকলৰ দৃষ্টি আকৰ্ষণ কৰিলো। এইখিনিতে মই এটা কথা কব বিচাৰিছো যে বিৰোধী দলে চৰকাৰ গঠন কৰা সময়ত সোণৰ অসম গঢ়াৰ কথা কৈছিল। কিন্তু তাৰ বিপৰীতে অসমত শান্তি যাতে আনিব পাৰি সেইটোৱেই হৈছে আমাৰ কংগ্ৰেছ দলৰ এটা নীতি। এই ক্ষেত্ৰত মই সকলোকে আহ্বান জনাইছো যে আমাৰ ৰাজ্যখনত শান্তি অনাৰ লগতে পৰিকল্পিত ভাবে উন্নয়নমূলক কাম কাজৰ জৰিয়তে অনাগত দিনবিলাকত আমাৰ অসমখন এখন সৰ্ব্বাঙ্গ সুন্দৰ ৰাজ্য হিচাবে গঢ়ি তুলিব পাৰে তাকেই আশা ৰাখি পুনৰ ৰাজ্যপালৰ ভাষণৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now I request Shri Dharamsing Teron to speak.

* **Shri Dharamsing Teron :** Hon'ble Speaker Sir. During the last Congress regime i.e. 1994, there was an Memorandum of Understanding signed by the Central Govt. and State Govt. (Congress) in ragard to fulfillment of certain demands of Autonomous District Council of N.C. Hills and Karbi Anglong. Though certain demands have been fulfilled but some of the demands are not yet fulfilled due to non release of sufficient funds to the Autonomous District Councils. So, I request the present Govt. to look into the matter and provide sufficient funds for taking up welfare measures for the people of Autonomous Councils. In doing so, peoples elected representatives should be involved, so that welfare measures/ schemes can be properly implemented. The need to involve the elected representatives of the hills. These things are not highlighted and this is

* Speech not corrected

which I can not expert. It is expected of the Government to receive such a mandate and we hope that the new Govt. will utilise the mandate with new initiative and vigour. So, I on behalf of my party ASDC(U) oppose the Motion of Thanks moved by the Hon'ble Member Shri Ripun Bora. Sir, with these words I conclude my speech.

**Mr. Speaker :** Now, Dr. Haren Das to speak

*** ডঃ হৰেণ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয় মোৰ সহযোগী শ্ৰীৰিপুণ বৰা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ সদনৰ মজিয়াত উত্থাপন কৰিছে, সেই প্ৰস্তাৱটোলৈ সাদৰেৰে সমৰ্থন জনালো। আজি আন্ধাৰ শেষ হোৱাৰ লগে লগে নতুন দিনৰ আৰম্ভ হৈছে। জনসাধাৰণৰ দীঘলীয়া পাঁচ বছৰৰ যন্ত্ৰণাৰ অৱসান ঘটিল। অসমৰ জনসাধাৰণৰ সমৰ্থনত শ্ৰীতৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰে শাসনৰ গাদী চম্ভালিল। মাননীয় ৰাজ্যপালৰ ভাষণত স্বচ্ছ, নিকা আৰু প্ৰগতিশীল চৰকাৰৰ কথা কৈছে। আজি নতুন চৰকাৰে শাসন ভাৰ চম্ভালি লৈছে আৰু আৰম্ভণীৰ বিষয়ে শ্ৰীবৰা ডাঙৰীয়াই বহল ভাবে কৈছে। আমাৰ চৰকাৰৰ পুৰণা ইতিহাস আছে। আন্ধাৰৰ পৰা পোহৰলৈ আহিছে — এইটো অব্যাহত থাকিব আৰু নতুন দিগন্তৰ পিনে আগবাঢ়ি যাম। ৰাজ্যপালৰ ভাষণত ৩৯টা বিষয় সন্নিবিষ্ট হৈছে। মই গোটেই কেইটা বিষয়ৰ ওপৰত আলোচনা নকৰো। আইন শৃংখলা, অসম চুক্তি ৰূপায়ণ, কৃষি, জলসিঞ্চন পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ গড়কাপ্তানি খাদ্য ও অসামৰিক যোগান সাংস্কৃতিক কাম-কাজ নগৰ আৰু চহৰ উন্নয়ণ বানপানী আৰু মহিলাৰ উন্নয়ণ এই বিষয় কেইটা গুৰুত্বপূৰ্ণ। গুৱাহাটীৰ চান্দমাৰি, উজান বজাৰ আৰু পানবজাৰত থকা সকলৰ বিষয়ে শ্ৰীপংকজ বৰা ডাঙৰীয়াই কব। আমাৰ সাংবাদিক সকলৰ বেছি ভাগেই চান্দমাৰি, বামুণী মৈদামত থাকে। তেখেতসকলে ৰাইজৰ দুৰ্যোগ দেখি আহিছে। যোৱা ৫ বছৰে কি কৰিলে তাক সকলোৰে উপলব্ধি কৰিছে। তেখেতসকলে ৰাইজক পানীত ডুবাই ৰাখিলে। যোৱা বছৰ পানী আঠুৰ তলত আছিল। এইবাৰ আঠুৰ ওপৰলৈ উঠিছে। আজি মোক ২০ মিনিট সময় দিছে। গোটেই খিনি কবলৈ হলে ২০ দিন লাগিব। ৰাজ্যপালৰ ভাষণৰ ২য় পৃষ্ঠাত আছে দায়িত্বশীল চৰকাৰৰ কথা। আমাৰ চৰকাৰৰ প্ৰতিশ্ৰুতি সমূহৰ বিষয়ে সোনকালে উপলব্ধি কৰিব। প্ৰেচৰ কাম-কাজ কৰা সকলক যোৱা বছৰত কি অৱস্থা কৰা নাই। সাংবাদিক শ্ৰীকনক সেন ডেকাক হাৰাশাস্তি কৰিছে। চাৰ্জচিট তৈয়াৰ কৰিছে। জামিনৰ বাবে আবেদন কৰিছে। মুখ্যমন্ত্ৰীয়ে টেলিফোনত ধমকি দিয়া বুলি কৈছে। মুঠতে এৰেষ্ট কৰিব। পুজাৰ বন্ধত হাইকোৰ্ট বন্ধ থকা বাবে জাজৰ ঘৰত জামিন নিদিয়ে বুলি মাদাৰ টেৰেচাৰ চাৰ্টিফিকেট দিহে জামিনৰ আবেদন কৰিছো। তেতিয়াহে জামিন মঞ্জুৰ হৈছে। শ্ৰীজিতুমণি বৰাক কিমানবাৰ এৰেষ্ট কৰিছে তাৰ হিচাব নাই। শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ সভাপতিত্বত অনুষ্ঠিত সভাত সবল প্ৰতিবাদৰ বাবে শ্ৰীহাইদৰ হুচেইনক এৰেষ্ট নকৰিলে। "আজি" সংবাদ পত্ৰৰ সম্পাদক শ্ৰীঅজিত ভূঞাই মুখা খুলি দিছে। সংবাদ পত্ৰৰ মুখত সোপা দিব খুজিছে। আজি কেবাখনো

* Speech not corrected

পেপাৰত বিজ্ঞাপন দিছে। আজি এটা মুকলি বাতা-বৰণৰ সৃষ্টি হৈছে। এগৰাকী সদস্যই হাঁহিছে। আচলতে হাঁহিব নালাগিছিল। আইন শৃংখলাৰ বিষয়ে শ্রীবিপুণ বৰাই কৈ গৈছে। ৰাজ্যপালৰ ভাষণত অসম চুক্তি ৰূপায়ণৰ কথা পুংখানুপুংখভাবে আছে। আজি কংগ্রেছক বদনাম দিয়াৰ ভিত্তি নাই। অসমৰ ৰাইজে কংগ্রেছক ভোট দিছে। শংকৰদেব কলা কৃষ্টি প্রকল্প কংগ্রেছে দিয়া। কামৰূপত অসমীয়াই কংগ্রেছক জিকাইছে। কোচ ৰাজবংশী. কলিতা, ন-অসমীয়া, চাহ বনুৱা সকলো অসমীয়া। কংগ্রেছৰ ঐতিহ্য আছে। সকলোকে লৈ আগবাঢ়ি যাম। চৈয়দ আব্দুল মালিক অসমীয়া। কংগ্রেছে সেই মতে চলিব।

মাননীয় অধ্যক্ষ মহোদয়, আমি কংগ্রেছ দলে সোনৰ অসম গঢ়িম বুলি বেলেগ ধাৰা প্রয়োগ কৰিব বিচৰা নাই। আমাৰ চৰকাৰে অসমৰ সামগ্রীক উন্নয়নৰ ক্ষেত্রত চকু দিব। কামৰূপৰ ১০ টা সমষ্টিৰ ভিতৰত ৯ টাই আমাৰ কংগ্রেছ দলে দখল কৰিবলৈ সক্ষম হৈছে। এটা সমষ্টি পলাশবাৰী তাতো নির্দ্দলীয় সদস্যই জয়লাভ কৰিছে। গতিকে এটা আগতে যি কথা আছিল যে অসমৰ মানুহ কংগ্রেছৰ লগত নাই আজি সেইটো কথা নহয় বুলি প্রমানিত কৰিছে। আৰু এটা কথা ক'ব বিচাৰিছো যে মোৰ সমষ্টিত ১৭ হাজাৰ ন-অসমীয়া লোক আছে। আমি অসম চুক্তি ৰূপায়ন কৰাত যৎপৰোনাস্তি চেষ্টা কৰিম লগতে অবৈধ অনুপ্রবেশ ৰোধ কৰিম। অসমলৈ মানুহ অহাটো এটা ঐতিহাসিক কাৰণ আছিল ১৯৭২ চনত। এতিয়া বন্ধ হব। আমি অনন্ত কালৰ বাবে অনুপ্রবেশ হ'ব নিদিম। আমাৰ মাননীয় মুখ্য মন্ত্রীয়েও কৈছে আৰু কংগ্রেছ দলতো আলোচনা হৈছে যে অসম চুক্তি ৰূপায়নৰ কাৰণে যথা-সর্ব্বস্ব কৰিম। পূর্ব্বতে আব্দুল মালিকৰ নিচিনা মানুহক নটিচ দিয়া হৈছিল। কিন্তু আমি তেনেকুৱা হবলৈ নিদিম। আমি জানিব পাৰিছো যে হাজোত আদালতৰ ৰায় নোহোৱাকৈ নটিচ দিছে। তেনেকুৱা অভিযোগ পাইছো। আমি কৈছো যে কোনো ভাৰতীয় নাগৰিক যাতে হাৰাশাস্তি নহয় তাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় ৰাজ্যপালৰ ভাষণত ৩ নং পৃষ্ঠাতে আছে যে আমাৰ চৰকাৰে অৱশ্যে ন্যায়াধিকৰণৰ দ্বাৰা অবৈধ অনুপ্রবেশকাৰী চিনাক্তকৰণ আইনখন (আই, এম, ডি, টি, এক্ট) বাতিলৰ বিৰোধিতা কৰে কাৰণ ন্যায়িত প্রক্রিয়াৰ দ্বাৰা প্রকৃত ভাৰতীয় নাগৰিক সকলক কোনো ধৰণৰ হাৰাশাস্তিৰ সন্মুখীন নোহোৱাকৈ এই আইনখন যথেষ্ট সুৰক্ষা দিয়ে বুলি ভাবে।

অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্রামোন্নয়নৰ কথা ইতিমধ্যে মাননীয় সদস্য শ্রীবিপুন বৰা ডাঙৰীয়াই কৈছেই। মোৰ সমষ্টিত জাপিয়া নামৰ এখন গাওঁ আছে। তালৈ গাড়ি নাযায়। তাত ১৯ লাখ টকা দিছিল। কোনো কাম হোৱা নাই। টকা পোৱাৰ আগতে ৰাষ্টাৰ যি অৱস্থা আছিল টকা পোৱাৰ পিচতো সেই একেই অৱস্থা হৈ আছে। মাননীয় মুখ্য মন্ত্রীক অনুৰোধ কৰিছো পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগ কেলেঙ্কাৰীৰ বিষয়ে অনুসন্ধান কৰিব লাগে। মাননীয় মুখ্য মন্ত্রীয়ে দিল্লীৰ প্রেছ কনফাৰেঞ্চত সাংবাদিকে যেতিয়া শুধে যে অ গ প চাৰি দলীয়া মৰ্চা চৰকাৰৰ ওপৰত কিবা ব্যৱস্থা লব নেকি? তেতিয়া মুখ্য মন্ত্রীয়ে কৈছিল যে কিবা নির্দিষ্ট অভিযোগ থাকিলে বিচাৰ কৰিম। হাজোত ইন্দিৰা আৱাসিক যোজনাৰ অধীনত ৩০০ টা ঘৰ দিছিল কিন্তু

আজিলৈ এটাও ঘৰ নহ'ল। এইটো মই নিজে গৈ চাম তাত ৩০০ ঘৰ আছে নে নাই। যদি নাই তেতিয়াহলে একচন লম। আৰু কম যে যি দায়িত্বত আছিল তেওঁলোকে বনাই দিয়ক। আৰু এটা অনুৰোধ কৰিছে যে এইবিলাকৰ তদন্ত হব লাগে। কাৰণ এই বিলাক দুখীয়া মানুহৰ বুকুত তেজৰ টকা। ইয়াৰ অপব্যৱহাৰ হৈছে যদি ৰাইজে জানিব বিচাৰে কোনে কৰিছে।

অধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত বিভিন্ন কেলেঙ্কাৰী হৈছে। ইয়াত চি, বি, আইৰ দ্বাৰা এটা তদন্ত হব লাগে। ভবিষ্যতে যাতে এনেকুৱা আৰু হবলৈ নাপায়। স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ বিষয়ে মাননীয় ৰাজ্যপালনৰ ভাষণৰ ৮ পৃষ্ঠাত আছে। আপোনালোকে যদি সমষ্টিবিলাকলৈ যায় তাত দেখিব যে স্বাস্থ্য কেন্দ্ৰবিলাকত ডাক্তৰ নাই, নাৰ্চ নাই। ধুহিবালী গাওঁত ৬ মাহ ধৰি ডাক্তৰ নাই। এইটো মোৰ সমষ্টিৰ কথা। আনবিলাকতো তেনেকুৱা অৱস্থা হৈছে। আমাৰ চৰকাৰৰ প্ৰতিশ্ৰুতি দিছে যে জন্ম নিয়ন্ত্ৰণৰ ওপৰত জোৰ দিব। আৰু এটা হাইলাইট ৯ নং পেজত আছে যে নাৰ্চিং হোম নিয়ন্ত্ৰণৰ বাবে চৰকাৰে আইন প্ৰয়োগৰ প্ৰস্তাৱ আছে। আৰু কেইটামান হাইলাইটৰ কথা কব বিচাৰিছো যে আমাৰ চৰকাৰে উদ্যোগ স্থাপনৰ বাবে প্ৰচলিত লাইচেঞ্চ ব্যৱস্থাটো নাইকীয়া কৰিব। তেতিয়া উদ্যোগ স্থাপনৰ কাৰণে সকলো আগবাঢ়ি আহিব। মই ১৮ বছৰ উদ্যোগ বিভাগৰ উকীল আছিলো। গোটেই ফাইল ছোৱাৰ অভিজ্ঞতা আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে কোনোবাই উদ্যোগ স্থাপন কৰিবলৈ আহিছে আমি ১ মিনিটতে অনুমতি দিম। এইটো ভাল পদক্ষেপ। অধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ বিষয়ে দুষাৰ কব খোজো। মই নিজে হাইকোৰ্টৰ আইনজীৱি। হাইকোৰ্টৰ উকীল ধনী হৈছে শিক্ষা বিভাগৰ দয়াত। কোনোবা স্কুলৰ প্ৰধান শিক্ষক বা অধ্যক্ষ অৱসৰ হলে পিচৰ জ্যেষ্ঠজনে পাব লাগে। কিন্তু তেওঁক নিদি কোনো মন্ত্ৰী বিধায়কৰ ভতিজাকক দিয়ে। তেতিয়া কেচ কৰে আৰু উকীলক টকা দিয়ে। কেচ চলি থাকে। গতিকে এনেধৰণৰ খেলি-মেলি চলি থাকে। উকীলৰ বাহিৰে আনে শিক্ষা বিভাগৰ কথা ভালকৈ নাজানে। গতিকে আপোনাৰ যোগেদি মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো ইয়াৰ এটা ব্যৱস্থা কৰি সোনকালে কাৰ্য্যব্যৱস্থা হাতত লব লাগে। মাননীয় ৰাজ্যপালৰ ভাষণৰ ১৪ নং পেজত পৰিবহনৰ কথা আছে। অসম পাৰ হোৱাৰ লগে লগে আৰু দিল্লীৰ পৰা আহি কাতিহাৰ পাৰ হোৱাৰ ৰেলৰ চিংগল লাইন। এইটো ডাবল লাইন কৰিব লাগে। অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণৰ বিষয়ে এটা কথা কম। যোৱা ১ বছৰে দেখিছো যে মোৰ সমষ্টিত মঠাউৰি ভাঙিছে কাৰো ৰেচপনচিবিলিটি নাই। কোনো মন্ত্ৰী বিধায়ক তালৈ নাযায়। ভবিষ্যতে যাতে এনেকুৱা নহয় তাৰ ব্যৱস্থা লব লাগে। আমাৰ মাননীয় আৱকাৰী মন্ত্ৰী এজন নৈষ্ঠিক ব্ৰাহ্মন, তেখেতে মদ নাখায়। তেখেতে আৱকাৰী কৰ বঢ়োৱাৰ কথা কৈছে যদিও মদৰ দোকান নবঢ়াই। শেষত মাননীয় সদস্য শ্ৰীবৰা ডাঙৰীয়াই মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদ সুচক প্ৰস্তাৱৰ ওপৰত সমৰ্থন কৰিছো আৰু এই সদনৰ মাননীয় সকলো সদস্যকে এই প্ৰস্তাৱত সমৰ্থন দি সদনত গ্ৰহণ কৰাৰ কাৰণে আশা ৰাখি মোৰ ব্যক্তব্যৰ সামৰণি মাৰিছো।

**Mr. Speaker :** Now Hon'ble Member Shri Hitendra Nath Goswami.

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীৰিপুন বৰা ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ সংশোধনীৰ ওপৰত মই সমৰ্থন জনাই দুআষাৰ কবৰ কাৰণে আগবাঢ়িছো। অসমৰ জনাসাধাৰণে আজি যিটো কৰিলে যি জনা দেশৰ কাৰণে কংগ্ৰেছ চৰকাৰ আহিলে সেই চৰকাৰক আমাৰ ফালৰ পৰা ধন্যবাদ জনাইছো। আমি আশা ৰাখিছো জনসাধাৰণৰ সকলো আশা আকংক্ষা পূৰণ হব আৰু তেওঁলোকে যি প্ৰতিশ্ৰুতি জনসাধাৰণক দিছিল সেই বিলাক পূৰণ কৰিব। ১৯৭২ চনৰ পিচত কংগ্ৰেছ দলে অসমৰ বিভিন্ন জনগোষ্ঠী আৰু খিলঞ্জীয়া লোকৰ সমৰ্থন পাই সদনলৈ নিৰ্ব্বাচিত হৈ আহিছে। সেয়ে এই চৰকাৰে যাতে সকলোৰে প্ৰতি নিৰ্ব্বাচনত দিয়া প্ৰতিশ্ৰুতি মতে কাম কৰে তাৰ আশা ৰাখিছো। মই বৰ্ত্তমান কিছুকথাত অসুবিধা পাইছো। মাননীয় ৰাজ্যপালৰ ভাষণত কিছু কথা উত্থাপন কৰিছে, মই সেই ক্ষেত্ৰক কিছু আশা ব্যঞ্জক। মই এটা ক্ষেত্ৰত এক মত প্ৰত্যেকটো ৰাজনৈতিক দলে বিচাৰে অসমখন যাতে বিদেশীৰ কবলত নপৰে আৰু অসমলৈ যাতে বিদেশীৰ প্ৰব্ৰৰ্তন বন্ধ হয়। আমাৰ মাজত মতৰ পাৰ্থক্য থাকিব পাৰে কিন্তু আমি সকলোৱে বিদেশী নথকাটো বিচাৰো। কংগ্ৰেছ দলৰ এটা নিজা মত আছে আই, এম, ডি, টিৰ ক্ষেত্ৰত। অসমত আমি আই, এম, ডি, টি, এক্টৰ বিৰোধিতা কৰিছো। আমি ভাবো ভাৰতীয় নাগৰীক কোনো ধৰণৰ হাৰাশাস্তি হব নোৱাৰে। আই, এম, ডি, টি, আইনখন ৰক্ষাৰ ক্ষেত্ৰত আমি সেই কথাটো হজম কৰিব পৰা নাই। এই কথাটো মই পৰিষ্কাৰ হব পৰা নাই। মাননীয় ৰাজ্যপালৰ ভাষণটো এই কথা আছে। মাননীয় অধ্যক্ষ মহোদয়, আজি যি কেইজন মাননীয় সদস্যৰ বক্তব্য শুনিলো আৰু যি সকলে ইয়াত বক্তব্য উৎথাপন কৰিছে সেই সকলৰ মই দোষ ধৰিব বিচৰা নাই। মই এটা কথা কবলৈ বিচাৰিছো এই পবিত্ৰ সদনত আমি যি কথা কবলৈ বিচাৰো সেই বিলাক যাতে আক্ৰমন প্ৰত্যাক্ৰমন ধৰণৰ হব নেলাগে। মই কিছু কথা বিশ্লেষণ কৰিলে সহায় হব। বৰ্ত্তমান বিশেষকৈ নিৰ্ব্বাচনৰ পিচত যিবিলাক ঘটনা হৈছে এই বিষয়ত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হস্তক্ষেপ বিচাৰিছো। কংগ্ৰেছ দলৰ এটা ঐতিহ্য আছে। ১১৫ বছৰীয়া এই দলটো বিভিন্ন ক্ষেত্ৰত আৰু চৰকাৰী কাম কাজটো বিশেষ অভিজ্ঞতা আছে। অসম গণ পৰিষদ দল যোৱা ৫ বছৰ শাসনত আছিল। আজি কিছু ক্ষেত্ৰত দেখিবলৈ পাইছো কিছু ঠাইত শালিনতা হেৰাই গৈছে। প্ৰত্যেক ক্ষেত্ৰতে 'একশনৰ' পিচত 'ৰিয়েকচন' হয়েই। আজি গনতন্ত্ৰক শক্তিশালী কৰাৰ কাৰণে অঞ্চল বিশেষে হৈ থকা ঘটনা ৰোধ কৰিববৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে হস্তক্ষেপ কৰিব বুলি আশা ৰাখিছো। আমি দেখিছো এ, জি, পি, কংগ্ৰেছ দলৰ অভয়াপুৰী মাননীয় সদস্য চন্দন চৰকাৰ আৰু শ্ৰীভূপেন ৰায় ডাঙৰীয়াই এই ক্ষেত্ৰত প্ৰতিবাদ কৰিছে। এইটো আমাৰ শুভ লক্ষণ। এইটো ভাল বুলি উপলব্ধি কৰিছো। বটদ্ৰবা সমষ্টিত ঘটা ঘটনাৰ ক্ষেত্ৰটো মাননীয় সদস্যজনে সঠিক কথা কৈছে। কিছুমান মাননীয় সদস্য এনে কামত লিপ্ত থকাটো দুৰ্ভাগ্যজনক গনতান্ত্ৰিক পদ্ধতিত জয়-পৰাজয় আছে। আমি সহনশীল হোৱাটো প্ৰয়োজন। মই এই ক্ষেত্ৰত লগতে আৰু ক'বলৈ বিচাৰিছো যে গণতান্ত্ৰিক পদ্ধতিত এক শক্তিশালী বিৰোধী পক্ষ কামনা কৰিব লাগে। তেতিয়াহে এখন ভাল চৰকাৰ গঠন

* Speech not corrected

কৰাত সহায় হয়। বিৰোধী পক্ষই সমালোচনা কৰিলেহে কাম কাজ বিলাক কৰাত সহায় হয়। বিৰোধী পক্ষই সমালোচনা কৰিলে কোনো অসুবিধা নহয় বৰং সুবিধাহে হয়।

মাননীয় অধ্যক্ষ মহোদয়, মই সদনক এটা কথা জনাব বিচাৰিছো, আমাৰ বিধায়কসকল হৈছে ৰাইজৰ প্ৰতিনিধি। আমি সমাজৰ সেৱা আগবঢ়াই নিব লাগিব।

* **ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ওপৰত ফলচ্ পুলিচ কেচ দিছে।

* **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, মই আপোনালোকৰ কিছুমান কাৰ্য-কলাপৰ বিষয়ে কবলৈ ওলোৱাত আপোনালোকে জাঙুৰ খাই নুঠিব। আইন শৃঙ্খলাৰ ক্ষেত্ৰত কৈছো নিৰ্ব্বাচনৰ সময়ত আমাৰ ৪৮ টা শ্লোক ডাঙি দিছে। আপোনালোকৰ চৰকাৰৰ কথাকে নকওঁ আমি যদি জিকি আঁহো, তেতিয়াও যাতে এনে ঘটনা ঘটিবলৈ নাপায়। তাৰ কাৰণে সতৰ্ক হোৱা উচিত। কাৰণ এইবিলাক বেয়া মেচেজ। এনেকুৱা ঘটনাই হৈছে সকলোৰে কাৰণে ক্ষতিকাৰক।

মাননীয় ৰাজ্যপালৰ ভাষণত উল্লেখিত দুটা বিষয়ত গুৰুত্ব দিবলৈ পাই মই সুখী হৈছো। সেই দুটা হৈছে অৰ্থনৈতিক উন্নয়ন আৰু আইন শৃঙ্খলা ৰক্ষাৰ ক্ষেত্ৰত তেখেতসকলে বিশেষ গুৰুত্ব দিয়াৰ কথা কৈছে। বৰ্ত্তমান সময়ত এটা কথা সত্য যে আজি আমি শান্তি বাতা বৰণেৰে দেশখন চলাই দিয়াটো বিচাৰো। এই ক্ষেত্ৰত আমি সকলোৱে সহায় কৰা উচিত। আপোনালোকৰ কাৰ্য্যকৰী লোকে বৃহত সংখ্যক এলেকাত টকা বিচাৰি ডিমাণ্ড নোট দিছে, চৰকাৰ এই ক্ষেত্ৰত তত্পৰও হৈছে। যাৰ ফলত দুটা কথা হৈছে। আমি সাধাৰণ হিচাবে আমাক যেতিয়া ১০ (দহ) লাখ টকা ডিমাণ্ড নোট দিয়ে তেতিয়া তাত ১০০ জনৰ ভিতৰত এজনহে যাব। ৯৯ জনে নাযায়। পুলিচক জনালে পুলিচে কয় ফৰমেলি নহলে কিছু ক্ষেত্ৰত অসুবিধা হয়। এই ক্ষেত্ৰত গভীৰ চিন্তা কৰা প্ৰয়োজন আছে। মুকলিভাৱে অস্ত্ৰ-শস্ত্ৰ লৈ মটৰ চাইকেল চলাই অহা যোৱা কৰাটোও বন্ধ কৰিব লাগে। এইখিনি কতৃত্ব পুলিচক দিব লাগে। এতিয়াও যি কেইখন চেক গেট আছে সেইকেইখন মজবুত কৰিব লাগে।

অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বহুতো কৰণীয় কাম আছে। যিটো অৰটিকুলত সন্নিবিষ্ট আছে। ৩ খন লিষ্টৰ কথা আছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য গৰাকীয়ে অলপ চমুৱাই কব লাগে। কাৰণ বহুতো মাননীয় সদস্যই কবলগীয়া আছে।

* **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা কথা লক্ষ্য ৰাখিব লাগিব যে বেয়া কামবিলাক পুনৰাবৃত্তি নহয়। 'চেন্ট্ৰেল ষ্টেট ফাইনেনচিয়েল পজিচনটো' ভাগ নধৰিলে উন্নয়নত বাধা হ'ব। মই আমাৰ পুৰণা কেইগৰাকীমান বিশিষ্ট বাটকটীয়া ব্যক্তিৰ নাম উল্লেখ কৰিব খুজিছো। (১) গোপীনাথ বৰদলৈ, (২) ৰোহিনী চৌধুৰী আৰু (৩) মহম্মদ চাদুল্লাহ। তেখেত সকলে সংবিধানৰ জৰিয়তে ক্ষমতা হস্তান্তৰ যদিও, সকলোতে প্ৰতিনিধিত্ব কৰিছিল।

---

* Speech not corrected

তেখেতে এই কথাও কৈছিল যে অসমখন আমাৰ প্ৰান্তীয় ৰাজ্য। দেশৰ অৰ্থনৈতিক, আইন শৃঙ্খলা বেয়া হৈ গৈছিল, পূব পাকিস্তানৰ লগত লেনদেন বেয়া হৈ গৈছিল।

"Are you going to have Assam or not if you want to retain Assam, if you want to protect the frontier of India, then you must bestow more care and thought on that province. If you do not want to leave Assam alone, give her its proper share. Even for your own self interest, even for your protection, you should think of us. India is one body politic and if one finger of that India is rotten, the whole India will rot in the long run.

অসমখন ভাৰতৰ অঙ্গ ৰাজ্য অসমৰ চাহপাত, পেট্ৰ'লৰ পৰা যিখিনি কৰ সংগ্ৰহ কৰে সেইখিনি কথাও তেখেতে উল্লেখ কৰিছিল।

চাদুল্লা ডাঙৰীয়াই কৈছিল মুচলিম লিগত কি কি কৰিছিল — আমাক লাগে বুলি আমি কেন্দ্ৰৰ ওচৰত যিমান কান্দো সিমান নিদিয়ে।

"Our has been a cry in the wilderness, our voices are never heard at the Centre. However, hoarse we may cry and however much our premier tries, we do not get a hearing."

প্ৰধান মন্ত্ৰীৰ দৰে মুখ্য মন্ত্ৰীৰো অধিক ক্ষমতা লাগে বুলি গোপীনাথ বৰদলৈদেৱে বিষয়টো উত্থাপন কৰিছিল। অৰ্থনৈতিক ক্ষমতাৰে দেশখনক কেনেকৈ সহায় কৰিব পাৰো সেইটোহে চিন্তা চৰ্চা কৰিবলগীয়া কথা। আঞ্চলিক দল হিচাবে অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত সহায় কৰাৰ উপৰিও কেন্দ্ৰৰ পৰাও অধিক সাহাৰ্য্য অনাৰ ব্যৱস্থা কৰিব লাগে। যদিহে এই ক্ষেত্ৰত সক্ষম নহয় তেতিয়াহলে আমি সকলোৰে মিলি একেলগ হৈ কিছু কৰিবলগীয়া আছে।

"I am no less an appreciater of the overriding needs of the Cnetre, mine is a frontier province and I should realise it more than any other man. But after all Assam is India also. It is my important part of India – today on account of the frontier and therefore, if you wanted that it should function as a province, it should have a level of administration which should at least be able to stand in such a manner as you could keep the people contented."

শেষত মই মোৰ ব্যক্তিগত কথা এটা কব বিচাৰিছো — সেইটো হৈছে শক্তি বিভাগ। বিদ্যুত পৰিষদৰ বিষয়ে আলোচনা কৰিছো। অনুদানৰ কাৰণে আমি কেন্দ্ৰীয় মন্ত্ৰী ডাঙৰীয়াৰ লগত যোগাযোগ কৰিছিলো। কাৰবি আংলংত দুটা প্ৰজেক্ট কৰা হ'ব। এটা কঠালগুৰি আৰু আনটো আমগুৰি প্ৰজেক্ট।

কোঁৱৰ ডাঙৰীয়াৰ বিৰুদ্ধে আমাৰ মাননীয় (শক্তি মন্ত্ৰী) বিষয়ে বাতৰি কাকতত ওলাইছে। যি সকল দক্ষ বিষয়া আছে সেই সকলক ক'ত ক'ত বহুৱাব লাগে দি দিয়ক। যোগ্য জনক উপযুক্ত স্থানত দিব লাগে আৰু অযোগ্য জনক ক্ষমতা দি যোগ্য স্থানত বহুৱালে কাম নহব।

**Mr. Speaker :** I now call upon Hon'ble Member Shri Pankaj Bora.

* **শ্ৰীপঙ্কজ বৰা ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মোৰ সতীৰ্থ শ্ৰীৰিপুন বৰা ডাঙৰীয়াই ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ ৰাখিছে তাৰ সমৰ্থনত মই দুষাৰ কবলৈ বিচাৰিছো। মই পোন প্ৰথমতে কবলৈ বিচাৰিছো যে বিধান সভাৰ বাহিৰত মোৰ বক্তৃতা দিয়াৰ অভ্যাষ আছে যদিও এই পবিত্ৰ সদনত মই এইবাৰ প্ৰথম বাৰৰ বাবে কবলৈ ওলাইছো। গতিকে যদি কৰবাত ভুল ত্ৰুটি হয় আপোনাৰ লগতে মাননীয় সদস্যসকলৰ ওচৰত মই তাৰ বাবে মাৰ্জনা বিচাৰিছো।

অধ্যক্ষ ডাঙৰীয়া, অসমত আমাৰ নতুন চৰকাৰ হৈছে, এই চৰকাৰখন দায়িত্বশীল চৰকাৰ হিচাবে গন্য হব লাগিব। কাৰণ অসমৰ ৰাইজৰ এটা বৃহত জনসমৰ্থনত এই চৰকাৰ আহিছে। এই বিষয়ে মই বেছি ক'বলৈ বিচৰা নাই। এই বিষয়ত আগৰ মাননীয় সদস্য সকলে তেখেতসকলৰ বক্তব্য ৰাখিছে। মই ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ সকলো কথাকে সামৰি কবলৈ বিচৰা নাই। কেইটামান কথাৰ ওপৰত বক্তব্য ৰাখিবলৈ বিচাৰিছো। আগৰ চৰকাৰৰ শক্তি মন্ত্ৰী মোৰ বোধেৰে আচলতে শক্তিহীন মন্ত্ৰীহে আছিল। আগৰ চৰকাৰৰ শক্তি মন্ত্ৰী শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই যি বক্তব্য ৰাখিছে তাৰ ওপৰত মই দুটামান কথা কবলৈ বিচাৰিছো। তেখেতে ক্ষমতাৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ কথা কৈছে। এই ক্ষেত্ৰত আমাক অধিক ক্ষমতা লাগে সঁচা, কিন্তু যিবিলাক গ্ৰাম্যাঞ্চল, পাহাৰীয়া অঞ্চল আছে সেই বিলাকত অধিক ক্ষমতা দিব লাগে। মই সমালোচনাৰ কাৰণে কোৱা নাই। মই মাননীয় সদস্য গোস্বামী ডাঙৰীয়াৰ বক্তব্যৰ ওপৰত কবলৈ বিচাৰিছো। সমালোচনা কৰাতকৈ আত্ম সমালোচনা কৰা ভাল, তেতিয়া হলে ৰাইজ উপকৃত হব।

অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াক জনাব বিচাৰিছো যে ১৬ বছৰ আগতে ১৯৮৫ চনত কাহিলী পুঁৱাতে প্ৰান্ত ৰাজ্য অসমৰ ৰাইজক অভুতপূৰ্ব্ব সন্মান জনাই কংগ্ৰেছৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াই অসম চুক্তি সম্পাদন কৰিছিল। এই প্ৰান্ত ৰাজ্যৰ জনসাধাৰণৰ আশা-আকাংক্ষাক সন্মান কৰি ৰাজীৱ গান্ধী ডাঙৰীয়াই সেই চুক্তি স্বাক্ষৰ কৰিছিল। সেই চুক্তিত স্বাক্ষৰ নকৰাহেতেন আপোনালোকৰ গণ পৰিষদৰ জন্ম নহ'লহেঁতেন। ৰাজীৱ গান্ধী ডাঙৰীয়াৰ অসমৰ ৰাইজৰ জন সাধাৰণৰ প্ৰতি বিশ্বাস আছিল।

অধ্যক্ষ ডাঙৰীয়া, এই পবিত্ৰ সদনৰ মজিয়াত প্ৰবীন ৰাজনৈতিক নেতা সকলৰ নাম উচ্চাৰণ কৰি কিছুমান কথা কোৱা হৈছে। এই ক্ষেত্ৰত তেখেতসকলৰ মান সন্মানৰ কথা জৰিত হৈ আছে। তেখেতসকলৰ পৰা সহযোগ পোৱাৰ পিচতো অন্য ধৰণৰ মন্তব্য কৰা হৈছে। বিদেশী সকলক চিনাক্ত কৰোতে কোনো ভাৰতীয় নাগৰিক হাৰাশাস্তি হ'ব নেলাগে। কিন্তু আমি দেখিবলৈ পাইছো উপাধিৰ কাৰণে নাম কাটি দিয়া হৈছিল। হীৰালাল পাটোৱাৰীৰ দিল্লীত মৃত্যু হৈছিল আৰু

* Speech not corrected

দিল্লীৰ পৰা অসমলৈ মৃতদেহ লৈ অহা হৈছিল। তেখেতৰ মৃতদেহ লৈ অহাৰ পিচত কেনে পৰিবেশৰ সৃষ্টি হৈছিল বহুতে জানে। বিশেষকৈ মাননীয় সদস্য ডঃ জয়নাথ শৰ্ম্মা ডাঙৰীয়াই ভালকৈ জানে। ১৯৮৬ চনত আই, এম, ডি, টি, আইনখন সংশোধন কৰা হৈছিল। এই ক্ষেত্ৰত ছাত্ৰ সন্থাই প্ৰতিবাদ কৰিছিল। এইখিনি ৰাজ্যপাল ডাঙৰীয়াৰ ভাষনত আছে।

অধ্যক্ষ ডাঙৰীয়া, শিক্ষা বিভাগত যেনেকুৱা কাম চলিছিল সেই কাম কাজৰ কাৰণে বৰ্ত্তমান চৰকাৰে আচঁনি লৈছে। এইটো ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত উল্লেখ কৰা হৈছে। এই বিষয়ে মই অলপ ক'ব বিচাৰিছো যে এই গোটেই বিষয়টো মানৱ সম্পদ বিকাশ হিচাপে ব্যৱহাৰ কৰাৰ কথটো আছে। চৰকাৰে যিটো কৰিবলৈ ওলাইছে এই ক্ষেত্ৰত মই বিৰোধী দলক অনুৰোধ কৰিবলৈ বিচাৰিছো এই ক্ষেত্ৰত যাতে তেখেত সকলে সহাৰি দিয়ে। কিন্তু দেখা গৈছে যে কিছুমান শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত অনিয়ম হৈছে। বিগত চৰকাৰে নিৰ্ব্বাচনৰ আগতে অনিয়মিতভাবে কিছুমান শিক্ষকক নিযুক্তি দিছে।

অধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো এইটো ৰিভিউ কৰাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ কিছুমান উপযুক্ত প্ৰাৰ্থী অনিয়মিতভাবে নিযুক্তি দিয়াৰ কাৰণে সেই নিযুক্তিৰ পৰা বঞ্চিত হৈছে। ইয়াৰ উপসম হ'ব লাগিব। কিছুমান স্থানীয় ভাষাৰ স্কুল আছে, সেই স্কুলবিলাক চৰকাৰে ল'ব লাগে। এই ক্ষেত্ৰত ক'বলৈ বিচাৰিছো অসমীয়া ভাষা, বড়ো ভাষা, কাৰ্ব্বি ভাষা যি কোনো ভাষা হ'ব পাৰে সকলোকে গুৰুত্ব দিব লাগে। স্থানীয় ভাষা এই কাৰণে কৈছো যে নিজৰ ভাষাত নকৰিলে বহুত অসুবিধা হ'ব পাৰে। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে।

অধ্যক্ষ ডাঙৰীয়া, শিক্ষা বিভাগৰ কথাটোৰ লগত পুথি ভড়ালৰ কথাও গুৰুত্ব আৰোপ কৰিব বিচাৰিছো। আজিকালি ইলেকট্ৰনিক মাধ্যম হৈছে। বহুত বাতৰি কাকত আছে, চৰকাৰে এই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব লাগিব।

অধ্যক্ষ ডাঙৰীয়া, আমাৰ বিধান সভা ভৱনটো সুন্দৰ হৈছে। ইয়াৰ বাবে আমি ভাল পাইছো। মই নিৰ্ব্বাচনত জিকাৰ পিচত প্ৰথম বাৰৰ বাবে এই বিধান সভাৰ পুথি ভড়াললৈ আহিছিলো। কিন্তু পুথি ভড়ালৰ অৱস্থা দেখি মই তবধ মানিছিলো, ওপৰৰ পৰা পানী পৰে। আমাৰ মুৰত পানী পৰিলে ছাটিৰে ধৰিব পাৰো, কিন্তু দুস্প্ৰাপ্য পুথি সমুহৰ ওপৰত পানী পৰিলে ছাতি ধৰা মানুহ নাই। গতিকে শিক্ষা বিভাগৰ ওপৰত গুৰুত্ব আৰোপ কৰাত অগ্ৰাধিকাৰ দিবলৈ মই অনুৰোধ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ ওপৰত মই আৰু এটা কথা ৰাখিব বিচাৰিছো। আমাৰ যিটো পুথিভড়াল আছে তাৰ ওপৰত অলপ গুৰুত্ব আৰোপ কৰিবলৈ মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। কিতাপ পঢ়াৰ অভ্যাস আজি প্ৰায় ভাগৰ কমিলেই। পুথিভড়ালৰ যোগেদিহে এই অভ্যাস অটুট ৰাখিব পাৰি। আজি আমাৰ প্ৰায় চৈধ্য-পোন্ধৰখন বাতৰি কাকত দৈনিক প্ৰকাশিত হয়। একোখন বাতৰি কাকত প্ৰায় পাঁচজন লোকে

পঢ়িব বুলি আশা কৰিব পাৰি। কিয়নো ৰাইজে বাতৰি কাকত নপঢ়া নহয়। অধ্যক্ষ ডাঙৰীয়া, আমাৰ বিধান সভা ভৱনতো এটা পুথিভড়াল আছে। কিন্তু পুথিভড়াললৈ গৈ দেখিছো বৰষুণ পৰিলে ভিতৰতে ছাটি লৈ বহিবলগীয়া অৱস্থা। মূৰৰ ওপৰত পানী পৰে। ভালেমান দুস্প্ৰাপ্য কিতাপ থকা পুথিভড়ালটোৰে অৱস্থা এনেকুৱা। ইয়াৰ প্ৰতি দৃষ্টিপাত কৰি অলপ অৱস্থা ভাল কৰিবলৈ ভিতৰত বহি পঢ়িব পৰা আৰু থকা কিতাপখিনি ভালে ৰখাৰ ব্যৱস্থা কৰাৰ দিহা কৰিবলৈ অনুৰোধ কৰিলো।

এতিয়া জনসংখ্যা নিয়ন্ত্ৰণৰ কথা উঠিছে। ইয়াৰ ওপৰত বিভিন্ন ধৰণৰ কথা কোৱা আৰু প্ৰচাৰ কৰা হৈছে যদিও আচলতে শিক্ষাই হৈছে জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত লবলগীয়া সহজ আৰু সুবিধাজনক ব্যৱস্থা। কিয়নো 'লিটাৰেচি এজএ হ'ল ইজ এচেনচিয়েল ফৰ চেকিং দি এক্সপ্লশ্যন অব পপুলেশ্বন।' সেইকাৰণে এইটোৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী শ্ৰীমহোদয়লৈ অনুৰোধ ৰাখিলো। লগতে আমাৰ এটা বিষয়ৰ ওপৰত আৰু অলপ কব বিচাৰিছো। ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত আৰু এটা কথাৰ উল্লেখ আছিল সেইটো হৈছে নগৰ আৰু চহৰ পৰিকল্পনাৰ দিশত। আমাক গুৱাহাটীৰ ৰাইজে আশীৰ্ব্বাদ দি ইয়ালৈ পঠাইছে। গতিকে গুৱাহাটীক অপৰিকল্পিত ভাবে বঢ়াই নিয়াৰ ক্ষেত্ৰত চিন্তা চৰ্চা কৰি গুৱাহাটীৰ জনসাধাৰণক জীয়াতু ভোগাৰ পৰা পৰিত্ৰাণ কৰিবলৈ আঁচনি আৰু ব্যৱস্থা কাৰ্য্যকৰী কৰিব লাগিব। ৰাজধানী শ্বিলঙৰ পৰা গুৱাহাটীলৈ অহাৰ পিচৰেপৰা গুৱাহাটী কেৱল অসমৰে ৰাজধানী নহয়, উত্তৰ পূৰ্ব্বাঞ্চলৰ এইখনেই একমাত্ৰ যোগাযোগৰ মধ্যবিন্দু চহৰ। সাগৰ পৃষ্ঠতকৈ ৫১.৩ মিটাৰ উচ্চতাত গুৱাহাটীত প্ৰায় দহ লাখ লোকে বসবাস কৰে। বিগত সময় ছোৱাত আমি যিটো দেখিছো গুৱাহাটীৰ অৱস্থা দিনক দিনে বেয়া হৈ আহিছে। আজিয়েই আমি বিধান সভালৈ অহাৰ সময়ত নাওঁত উঠি অহাৰ নিচিনা অৱস্থা হৈছে। আগৰ চৰকাৰে কিমানখিনি কাম কৰিলে কি কৰিলে নকৰিলে সেইখিনি মই জনাবলৈ কোৱা নাই বা সমালোচনাৰ কাৰণেই সমালোচনা কৰিব বিচৰা নাই কিন্তু অসমৰ স্নায়ুকেন্দ্ৰ ৰাজ্যখনৰ ৰাজধানী এই চহৰখনৰ কথা চিন্তা কৰি তাৰ যথাবিহিত ব্যৱস্থা লোৱাৰ কাৰণে চিন্তা কৰিব লাগিব। মই এইটো নকওঁ যে কেৱল গুৱাহাটীৰ উন্নয়ন কৰিব লাগে আন ঠাইত কৰিব নালাগে। এই ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে, অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়, পৌৰপ্ৰশাসন আৰু গড়কাপ্তানী মন্ত্ৰীৰ লগত বিৰোধী দলৰ নেতা আৰু সদস্য সকলকো এইদিশত দৃষ্টি দিবলৈ অনুৰোধ কৰিলো। কিয়নো এতিয়া বিৰোধী দলত বহা সকলেই অলপ দিনৰ আগতে শাসনত অধিষ্ঠিত আছিল। গুৱাহাটী মহানগৰী চোৱা-চিতা কৰিবলৈ বিভিন্ন বিভাগ আছে। যেনে ঃ পি-ডব্লিউ-ডি, জি-এম-ডি-এ, জি-এম-চি, টি-এণ্ড, চি-পি, বাননিয়ন্ত্ৰণ, ইৰিগেশ্বন আদি কিন্তু এই সকলো বিলাক বিভাগৰ সুসংহত সমন্বয়ৰ অভাৱৰ কাৰণেই গুৱাহাটীৰ আজি এই অৱস্থা। জি-এম-চি হ'ল নোডেল এজেন্সি। যোৱা ২৪ তাৰিখে পৌৰ প্ৰশাসন মন্ত্ৰী ডাঙৰীয়াই এখন সভা আহ্বান কৰিছিল। তালৈ গড়কাপ্তানী মন্ত্ৰী আৰু ৰাজ্যিক মন্ত্ৰী শ্ৰীবৰদলৈ ডাঙৰীয়া উপস্থিত আছিল। এই প্ৰথম পদক্ষেপ আমি ভাল পাইছো আৰু গুৱাহাটীৰ ৰাইজে নিশ্চয় আদৰণি

জনাব। আজি গুৱাহাটীলৈ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা মানুহৰ ঘৰ আছে। গতিকে গুৱাহাটীৰ প্ৰতিটো সমষ্টিৰ লোকৰ কাৰণে সকলো সা-সুবিধা সমানে হব লাগে।

সেই কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে বিভিন্ন বিভাগীয় মন্ত্ৰী সকললৈ অনুৰোধ জনোৱাৰ লগতে বিৰোধী দলৰ সদস্য সকললৈও অনুৰোধ জনাইছো। তেখেত সকলৰো গুৱাহাটী মহানগৰীত ডাঙৰ ডাঙৰ ঘৰ আছে। আজি গুৱাহাটীত খোৱা পানীৰ ভয়ংকৰ অৱস্থা। সেয়ে মই অন্ততঃ কমপক্ষেও শতকৰা পয়ত্ৰিশ শতাংশ খোৱা পানীৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছো। জি-এম-চি, পি-এইচ-ছি, আৰবান গুৱাহাটীৰ চাপ্লাই ইত্যাদি বিভাগৰ সমন্বয় কৰি সমস্যাটোৰ সমাধান কৰিবলৈ অনুৰোধ জনালো।

- সময়ৰ সংকেত -

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু দুই মিনিট সময়ত দুটা কথা কৈ শেষ কৰিব খুজিছো। মই সমালোচনাৰ কাৰণে কব বিচৰা নাই। কিন্তু আমি জনাত গুৱাহাটী মহানগৰী স্বৰ্ণজয়ন্তীৰ নামত চৰকাৰৰ পৰা বত্ৰিশ কোটি টকা দিছিল উন্নয়ণৰ কাৰণে। সেই টকাৰ ইউটিলাইজেশ্বন চাৰ্টিফিকেট পূৰ্ব্বৰ চৰকাৰে দাখিল কৰিছে নে নাই আমি জানিব বিচাৰিছো। এই ক্ষেত্ৰত দিয়া আন সাত কোটি টকাৰো হিচাব ভাৰত চৰকাৰক দিছে নে নাই সেইটোও জনাব বুলি আশা কৰিছো। আনহাতে আৰবান ওৱাটাৰ চিওৰেজ বোৰ্ডৰ পয়সত্তৰ কোটি টকাৰ পঞ্চল্লিশ কোটি টকা পানী যোগানত খৰচ কৰিছে। তাৰে কিমানত পানী যোগানৰ ব্যৱস্থা হ'ল সেইটোও আমি জানিব বিচাৰিছো। এইটো সমালোচনা বা দুৰ্নীতি বুলি কব খোজা নাই কিন্তু ৰাইজৰ মুখৰ ভাত কাঢ়ি খাই সেই ৰাইজকে পানীত দুবাই ৰাখিলে আমাৰ জানিবৰ অধিকাৰ আছে কেন্দ্ৰীয় চৰকাৰে দিয়া টকাবোৰ কি হয়? সদব্যৱহাৰ কৰা হৈছে নে নাই? যদি হোৱা নাই তাৰ এটা তদন্তৰ ব্যৱস্থা কৰিব লাগে আৰু এইখিনিকে কৈ ধন্যবাদসূচক প্ৰস্তাৱটোত সমৰ্থন জনাই সকলো মাননীয় সদস্যয়ে সমৰ্থন জনাব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সমাৰণি মাৰিলো।

* শ্ৰীপরিমল শুক্লবৈদ্য ঃ সন্মানিত অধ্যক্ষ মহোদয়, রাজ্যপাল মহোদয়ের ভাষনের উপর যে প্রস্তাব এই সদনে উত্থাপন হয়েছে, এর উপর আলোচনা করতে গিয়ে প্রথমে আমি এই একাদশতম বিধান সভায় যারা নির্বাচিত হয়ে এসেছেন, তাদের প্রত্যেককে আমার আন্তরিক অভিনন্দন জানাচ্ছি।

মহোদয়, আপনার মাধ্যমে আমি বলতে চাই যে এই সদনে আজ যারা একক সংখ্যাগরিষ্ঠতা নিয়ে সরকার গঠন করেছেন তারা যেন আগামী পাচ বৎসর সমাজের কল্যাণের জন্য কাম করে যান — এই অনুরোধ করছি, মহোদয়, রাজ্যপালের ভাষণের প্রথম পৃষ্ঠায় অত্যন্ত সুন্দরভাবে উল্লেখ করা হয়েছে যে বর্তমান সরকার দুর্নীতিমুক্ত এক প্রশাসন জনসাধারণকে উপহার দেওয়ার জন্য অঙ্গীকারবদ্ধ। প্রতিটি বিভাগ যেন দুর্নীতিমুক্ত হয় —বর্তমান সরকারের নিকট থেকে এটাই আমরা দেখতে চাই।

* Speech not corrected

মহোদয় রাজ্যপালের ভাষণের প্রথম পৃষ্ঠায় লক্ষ্য করেছি যে বেকার সমস্যা ও রাজ্যের বিত্তীয় পরিস্থিতিতে উদ্বেগ প্রকাশ করা হয়েছে, কিন্তু এই ভয়াবহ সমস্যাথেকে কিভাবে মুক্তি পাওয়া থেতে পারে — সেই সম্পর্কে কোনও স্পষ্টনীতি রাজ্যপালের ভাষণে দেই। এই সমস্যা মোকাবিলা করার জন্য যেন একটা সুস্পষ্ট নীতি গ্রহণ করা হয়।

আইন শৃঙ্খলার ব্যাপারে বলতে চাই যে বিগত দিন গুলোর অবস্থা পর্য্যালোচনা করে সরকারকে সতর্কভাবে এগোতে হবে। এক্ষেত্রে প্রথমেই বলতে চাই যে, বিধানসভার প্রথম দিনেই যে শোক প্রস্তাৱ এসেছে — সেখানে ডিব্রুগড়ের আমাদের ভারতীয় নেতা পার্টির প্রার্থী জয়ন্ত দত্ত এবং তার দুই সঙ্গীকে নির্মম হত্যার ব্যাপারেও আমরা শোক প্রকাশ করেছি। আমি অনুরোধ করব এদের পরিবারের লোকদের যেন ক্ষতিপূরণের ব্যৱস্থা করা হয় এবং হত্যাকারীকে শনাক্ত করে শাস্তির ব্যৱস্থা হয়।

মহোদয়, রাজ্যপালের ভাষণে পশুপালন, পঞ্চায়েত, গ্রামন্নোয়ন, স্বাস্থ্যও পরিবার কল্যাণ প্রভৃতি বিভিন্ন বিভাগের কথা বলা হয়েছে - কিন্তু কোনও একটা বিভাগই ভাল অবস্থায় নেই — থাকে নিয়ে আমরা গর্ব করতে পারি। রাজ্যপালের ভাষণে উল্লেখ করা হয়েছে World Bank থেকে কিছু রাস্তা পাকা করা হবে। ১৬০ কিঃমিঃ - ২০০ কিঃমিঃ আবার ১০০০ - ২০০০ কিঃমিঃ — এসব বড়কথা নয়। আসলে গ্রামাঞ্চলে আমাদের প্রত্যেকেরই নির্বাচন চক্রে দেখতে পাচ্ছি যে PWDর কোন্ও রাস্তায়ই গাড়ী যেতে পারছেনা। টেলিফোন মারফৎ ধলাই থেকে খবর পেয়েহি যে ত্রিশ হাজার মানুষের সবাসকারী অঞ্চলে ব্রীজ ভেঙ্গেগড়ে মানুষ নদীতে পড়ে সাতার দিয়ে এপারে আসেন। সংশ্লিষ্ট বিভাগ থেকে সাধারণ ভাবে Foot-bridge এর ব্যৱস্থা হয়েছে সাময়িক চলাচল করার জন্য। আমি অনুরোধ করব — অনতিবিলম্বে যেন R.C.C Bridge নির্মান করা হয়। সঙ্গেহ আমার নির্ব্বাচনচক্রে যেগুলো PWD রাস্তা আছে এগুলি সংস্কার/নির্মান করার অনুরোধ করছি।

মহোদয়, জনস্বাস্থ্য কারীগরি বিভাগ সম্পর্কে রাজ্যপালের ভাষণে উল্লেখ করা হয়েছে। কিন্তু আমি জানি এই বিভাগের মন্ত্রীর বাড়ীর এলাকা এবং আরও দুই-একটি এলাকা ছাড়া পাইপ ওয়াটার স্কীমের জল আসেনা, সবই অকেজো। এগুলো সারিয়ে আমার সমষ্টি ধলাইতে যেন পানীয়জল সরবরাহ করার ব্যৱস্থা করা হয়।

মহোদয়, স্বাস্থ্য ও পরিবার কল্যাণ বিভাগ সম্পর্কে রাজ্যপালের ভাষণে উল্লেখ করা হয়েছে। এ সম্পর্কে আমি বলতে চাই যে আমার নির্ব্বাচন চক্রে অনেকদিন ধরে হাসপাতালে ডাক্তার নাই। সুতরাং আমি সরকারকে অনুরোধ করতে চাই যে ধলাই হাসপাতালে যেন অন্ততঃ প্রথমেই ডাক্তার পাঠাবার ব্যৱস্থা করেণ। এইবলে মাননীয় রাজ্যপালের ভাষণের উপর যে ধন্যবাদসূচক প্রস্তাব এসেছে তার বিরোধীতা করে আমার বক্তব্য শেষ করছি।

**শ্রীমতী প্রমীলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি সংশোধনী

প্ৰস্তাৱ অনা হৈছে তাৰ ওপৰত সমালোচনা কৰি মোৰ বক্তব্য ৰাখিব বিচাৰিছো। অধ্যক্ষ মহোদয়, আমি সৰু সৰু জাতি, গোষ্ঠীবোৰে আমাৰ সমস্যাবোৰৰ কাৰণে আন্দোলন কৰি আহিছো। মই এটা সৰু জনগোষ্ঠীৰ পৰা নিৰ্ব্বাচিত হৈ আহিছো। আৰু ১৯৯১ চনৰ পৰা এই সদনত বহাৰ সুযোগ পাই আহিছো। সদায়েই দেখিছো ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণে এটা বুৰঞ্জী সৃষ্টি কৰি পাঠ কৰি দিয়ে। কিন্তু তাত যিবিলাক পলিচি লয় সেই বিলাক কাৰ্য্যকৰী হৈছেনে নাই পিচত কেতিয়াও কোনেও নাচায়। অধ্যক্ষ মহোদয়, আমি ১৯৯১ চনৰ পৰাই এই পবিত্ৰ সদনত সুকীয়া বড়োৰাজ্য দাবী কৰি আহিছে। কিন্তু আমাৰ দাবী দাবী হৈয়েই থাকিল। আমাৰ যিটো সমস্যা আলোচনা কৰি সমাধা কৰিব পাৰিলেহেতেন, তাৰ বাবে কোনো চৰকাৰেই গুৰুত্ব নিদিলে। আজিও মই ভাবিছিলো যে ৰাজ্যপালৰ ভাষণত বড়ো সমস্যাৰ বিষয়ে স্পষ্ট উল্লেখ থাকিব। কিন্তু নাই। বড়োলেণ্ড সমস্যাটো SC/ST সমস্যাৰ লগত। এচচি, এচ, টিৰ লগত আমাৰ একেলগ কৰি দিছে। অধ্যক্ষ মহোদয়, চৰকাৰে কৈছে আমাৰ সমস্যাটো বি, এ, চিৰ ইলেকচন কৰি দিলে সমাধান হৈ যাব। কিন্তু এইটো হব নোৱাৰে। আমি বি, এ, চি নালাগে বুলি আন্দোলন কৰিছো। আমি বি, এ, চি বৰ্জন কৰিছো। আজি 'আছাম একৰ্ড' যেনেকৈ ৰাজ্যপালৰ ভাষণত অগ্ৰাধিকাৰ পাইছে ঠিক তেনেকৈ আমাৰ সমস্যাটোও অগ্ৰাধিকাৰ পাব বুলি আমি আশা কৰিছিলো। অধ্যক্ষ মহোদয়, 'আছাম একৰ্ড ইম্পিমেনটেচন' হওঁক, আমিও বিচাৰো। কিন্তু আমাৰ বড়ো সমস্যা কিয় সমাধান হব নালাগে? ১৯৯১-৯২ চনত সেই সময়ৰ চৰকাৰে আমাৰ সমস্যাটো সমাধান কৰাৰ বাবে এখন চুক্তি কৰিছিল, যি চুক্তি আছিল সম্পূৰ্ণ ভুৱা। অধ্যক্ষ মহোদয়, আমাৰ সমস্যা সমাধানৰ বাবে তিনি বছৰ কাল আলোচনা চলাই গ'ল কিন্তু সমাধান নহল। বি এচি চুক্তিখন সেই গতিকে ABSU ভেকোভাওঁনাত পৰিণত হ'ল। ১৯৯৬ চনৰ পৰা আকৌ আন্দোলন হ'ল। বিগত পাচ বছৰে এ, জি, পি চৰকাৰে কলে যে আপোনালোকৰ যিটো সমস্যা সেইটো আজিৰ সমস্যা নহয়, আপোনালোকৰ সমস্যাটো আলাপ আলোচনাৰ মাজেদি সমাধান কৰা যায়। শেষ মুহূৰ্ত্তত তেওঁলোকে আমাক হাত বাউল দি মাতিলে। আমিও কিবা এটা হব বুলি আগবাঢ়ি গলো। কিন্তু একো নহল। অধ্যক্ষ মহোদয়, তেওঁলোকেও আমাৰ সমস্যাটো লৈ খেলা কৰি থাকিল। এনেকৈ পাচ বছৰ গুচি গ'ল। এতিয়া আমি গম পালো আমাৰ সমস্যাৰ সমাধানৰ টোপোলাটো হেনো এতিয়া কেন্দ্ৰীয় চৰকাৰৰ হাতত আছে। তেওঁলোকে বা আমাৰ সেই টোপোলাটো কেতিয়া খোলে তাৰ ঠিক নাই। অধ্যক্ষ মহোদয়, আমি কেৱল আন্দোলন কৰিব লাগিব নেকি? আমাৰ মানুহ মৰিয়েই থাকিব লাগিব নেকি? অধ্যক্ষ মহোদয়, আমি যোৱা ১৫ বছৰে এনেদৰে অবহেলিত আৰু অপমানিত হলো, আৰু কিমান সহ্য কৰিম। অধ্যক্ষ মহোদয়, আজি জনজাতি সকলৰ লগত চৰকাৰে ভুৱা চুক্তি কৰিছে। মিচিং চুক্তি ৰাভা চুক্তি ইত্যাদি। কেৱল তেওঁলোকে চুক্তিহে কৰিছে। অধ্যক্ষ মহোদয়, আমাৰ মাজত ভাগ ভাগ কৰি দিছে।

অধ্যক্ষ মহোদয়, সেই কাৰণে মই যোৱাকালি ৰাজ্যপালৰ ভাষণৰ সংশোধনীৰ কথা কৈছিলো। যিটো ভাষণৰ দ্বাৰা আমাৰ একো লাভ নহয়। গোটেইটো এমেণ্ডমেন্টাৰহে দৰকাৰ।

সেইকাৰণে মই এমেণ্ডমেন্টাৰ কাৰণে মুঠ টকাৰ নাই। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত ৰাস্তা-ঘাট, ব্ৰীজ, ইৰিগেচনৰ পলিচিৰ কথা কৈছে। ওৱাটাৰ চাপ্লাই, চুৱেৰেজ বৰ্ড, আৰবান ওৱাটাৰ চাপ্লাইৰ কথা কৈছে। অধ্যক্ষ মহোদয়, আমাৰ কোকৰাঝাৰ চহৰখন মানুহৰ চহৰ নহয়। তাত মানুহ নাথাকে নেকি? আমি জনজাতি সকল মানুহ নহয়? আমাক ৰাস্তা-ঘাট, বিশুদ্ধ খোৱা পানী নালাগে। বিগত চৰকাৰেও কোকৰাঝাৰৰ বাবে একো পলিচি নললে। এই চৰকাৰেও নলয়। অধ্যক্ষ মহোদয়, এই চৰকাৰেও অহা পাচ বছৰত ভাল কাম কৰিম বুলি কিছুমান পলিচি ল'ব। পঞ্চবাৰ্ষিক পৰিকল্পনাত আপোনালোকে আমাক কেনেকৈ ধ্বংস কৰিব তাৰহে পৰিকল্পনা কৰিব। অধ্যক্ষ মহোদয়, জনজাতি সকলৰ উন্নয়নৰ বাবে কোনো চৰকাৰেই চিন্তা নকৰে। বিগত পাচ বছৰে কেৱল জনজাতি সকলক হাতীয়ে গছকি ধ্বংস কৰি গ'ল। অধ্যক্ষ মহোদয়, অলপ আগতে কংগ্ৰেছ দলৰ মাননীয় সদস্য এজনে এই সদনত নানা জনগোষ্ঠীক অসমীয়া বুলি কৈছে, আদিবাসী সকলক নঅসমীয়া বুলি কৈছে। কিন্তু তেখেতে বড়ো সকলৰ কথা উল্লেখ নকৰিলে। আমি বড়ো সকলে কি পোছাক পিন্ধো সেইটো অসমত থকা অসমীয়াই নাজানে। মোক কেতিয়াবা কোনোবাই সোধে — আপুনি মিচিং নেকি? কোনোবাই সোধে — আপুনি ৰাভা নেকি? অধ্যক্ষ মহোদয়, বৰ দুখ লগা কথা। অধ্যক্ষ মহোদয়, আমাৰ সমস্যাটো সমাধানৰ বাবে বেলেগে এটা পলিচি লব লাগে। যি দলে চৰকাৰ গঠন নকৰক কিয় আমাৰ লগত আলোচনা কৰি আমাৰ সমস্যাটো সমাধান কৰিব লাগে।

কিন্তু আমাৰ সমস্যাবোৰ সমাধান কৰিবৰ কাৰণে আমাক লৈ তেওঁলোকে কি ধৰণৰ ৰাজনীতি কৰিছে, কি পলিচি বাচি লৈছে এইটো আমি গম পাইছো। আজি মই আমাৰ ৰাজ্যৰ এই নতুন চৰকাৰক টানি অনুৰোধ জনাইছো যাতে অতি সোনকালে আমাৰ সমস্যাবোৰৰ গুৰুত্ব অনুভব কৰি কেন্দ্ৰীয় চৰকাৰৰ লগত এখন ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত কৰক অসম চৰকাৰে। যদি আপোনালোকে আমাক অসমত বাচি থকাটো বিচাৰে তেন্তে আলোচনা কৰক, আমি যদি অসমত থাকিব লাগে আলোচনা কৰক — নহলে আমি অসমত নেথাকো বুলি কৈছোৱেই — আমি অন্য ৰাজ্য বিচাৰিছোৱেই। ইয়াত আমি কেনেকৈ বাচি থাকিম? আমাৰ ঠাইত ৰাস্তা নাই, দলং নাই, ইৰিগেচনৰ সুবিধা নাই, চিকিৎসাৰ সুবিধা নাই — অথচ এইবোৰৰ বহু সুবিধা অন্য ঠাইবোৰত আছে। এইবোৰ কাৰণতে আমি আজি আন্দোলন কৰিবলৈ বাধ্য হৈছো — অসমৰ পৰা বেলেগে থকাৰ বাবে। অসম চৰকাৰে আজি আমাৰ অঞ্চলৰ সমস্যাবোৰৰ বিষয়ে গুৰুত্ব সহকাৰে, আন্তৰিকতাৰে চিন্তা নকৰে। অসমৰ নতুন মুখ্যমন্ত্ৰীয়ে মুখ্যমন্ত্ৰীৰ দায়িত্বভাৰ লৈয়েই কৈছে যে এনে কোনো সমস্যা নাই যাক আলোচনা-বিলোচনাৰ মাধ্যমেৰে সমাধান কৰিব নোৱাৰি। এইটো সঁচা কথা আলোচনাৰ মাজেৰে সকলো সমস্যা সমাধান কৰিব পাৰি। হাতীৰে গছকি ধ্বংস কৰিলেই বিগত পাচটা বছৰত চৰকাৰে আমাক ................। এইবাৰো যদি আপোনালোকে আমাক হাতেৰে মোহাৰি ধ্বংশ কৰিব বিচাৰে তেন্তে আমাৰো একো উপায় নাথাকিব। এটাই মন্ত্ৰ থাকিব, সেইটো সেইহে — মৰিও যাম আৰু মাৰিও যাম। এইখিনিকে কৈ মই সামৰি মাৰিছো।

শ্ৰীমতী প্ৰণতি ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত ধন্যবাদ জ্ঞাপন কৰি মই কেইটামান কথা কব খুজিছো। ৰাজ্যপালৰ ভাষণত আমাৰ ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত যিখিনি বক্তব্য ৰাখিছে আমি সেইখিনিৰ ওপৰত গুৰুত্ব দিব লাগিব। অসমৰ নতুন চৰকাৰে অসমৰ ৰাইজৰ কল্যাণৰ কাৰণে যিখিনি আচনি হাতত লৈছে সেইখিনি সঠিকভাবে ৰূপায়ণত বিশেষভাবে গুৰুত্ব দিব লাগিব।

(মাননীয় অধ্যক্ষৰ আসনত সভাপতি বহে)

মাননীয় সভাপতি মহোদয়, মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত ৰূপায়িত কৰিবলৈ লোৱা এই আঁচনি সমূহৰ ফল সুদূৰ প্ৰসাৰিত হব — এইয়া এক ক্ষুদ্ৰ নমুনাহে মাত্ৰ। দ্বিতীয়তে ৰাজ্যপালৰ ভাষণত আলোচনাৰ মাজেদি ৰাজ্যৰ উগ্ৰপন্থী সমস্যা সমাধানৰ ওপৰত গুৰুত্ব দিছে। আজি ৰাজ্যখনত শিক্ষিত নিবনুৱা সমস্যাৰ পৰাই উগ্ৰপন্থী সমস্যাৰ সৃষ্টি হৈছে। উগ্ৰপন্থী আৰু নিবনুৱা একেটা মুদ্ৰাৰ দুটা পিঠি। এইটো একেদিনাই সৃষ্টি হোৱা সমস্যা নহয় আৰু ক্ষন্তেকত শেষ কৰিব পৰাও নহয়। শিক্ষিত যুৱক সকলে বছৰ বছৰ ধৰি নিবনুৱা হৈ থাকি ফ্ৰাষ্টেটেড হৈ উগ্ৰপন্থী সংগঠনত যোগ দিছে। আমাৰ চৰকাৰে এই সমস্যাটো গভীৰ ভাবে উপলব্ধি কৰি উগ্ৰপন্থী সংগঠনৰ লগত ফলপ্ৰসু আলোচনাৰ মাধ্যমেৰে সমাধান কৰিবলৈ আগবঢ়া ভাল হব। আজি অসমত প্ৰশাসন ব্যৱস্থা সলনি কৰিব হ'ল — এই ব্যৱস্থা সলনি নকৰিলে নতুন চৰকাৰৰ নতুন আচনিৰ সফল ৰূপায়ণত কিছু অসুবিধা হব বুলি মই ভাবো। ইংৰাজীত এষাৰ কথা আছে — When past lives the future dies। আজি আমাৰ শিক্ষা নীতিও সলনি কৰিবৰ হ'ল। আজি ৰাজ্যখনত হেজাৰ হেজাৰ যুৱক যুৱতীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিও কৰ্ম্ম সংস্থাপন নেপাই দিশহাৰা হবলগীয়া হৈছে। আজি অসমত আই, আই, টি হৈছে তাৰ পৰা ল'ৰা-ছোৱালী পাছ হৈ ওলাই আহিছে — কিন্তু তেওঁলোকে চাকৰি পোৱা নাই, চৰকাৰে তেওঁলোককো উপযুক্ত সংস্থাপন দিব পৰা নাই। সেয়ে আমি আমাৰ আজিৰ এডুকেচন পলিচি, ইণ্ডাষ্ট্ৰিয়েল পলিচি Marketing Policy একেলগ কৰিব লাগিব। শিক্ষা নীতি এনে ভাবে যুগুত কৰিব লাগিব যাতে তেওঁলোকে শিক্ষা লাভ কৰি কৰ্ম্মসংস্থাপন পাব পাৰে। এনে কৰিব পাৰিলেহে কিছু পৰিমাণে হলেও বৰ্দ্ধিত নিবনুৱা সমস্যাৰ কিছু লাঘব হোৱা সম্ভৱ হব। সভাপতি মহোদয়, আজি আমাৰ চৰকাৰী কাৰ্য্যালয়বোৰত 'ৱৰ্ক কালচাৰ' একেবাৰে নোহোৱা হৈছে, নিয়ম নীতি নোহোৱা হৈছে — একোজন দায়িত্বশীল কৰ্ম্মচাৰী অফিচলৈ আহে দিনৰ ১১ বজাৰ পিচত আৰু যায় ২ বজাত। সেই সময় ছোৱাৰ ভিতৰত আপুনি কৰ্ম্মচাৰীজনক সৰু সুৰা কাম এটা কৰিবলৈ কলেও তেওঁৰ সময় নাই, কাম বেছি ইত্যাদি অজুহাত দেখুৱায়-কিন্তু কিবা এটা তেওঁক দিলেই সময়ো ওলাব কামো হব। আজি চৰকাৰী কাৰ্য্যালয়বোৰত চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ পৰা আৰম্ভ কৰি ওপৰৰ পৰ্য্যায়ৰ বিষয়ালৈকে প্ৰায় সকলোৱেই ঘোচ পালেহে হেনো কাম কৰে — এনে এটা মনোভাবে গা কৰি উঠিছে। শুনিবলৈ পাইছো এচাম ৰাজনৈতিক নেতায়ো হেনো উপঢৌকণ লয় — কিন্তু কেনেকৈ আৰু কিয় লয় সেইটো হ'লে মই নেজানো। আজি দুখেৰে সৈতে এনেবোৰ কথা

ক বলগীয়া হৈছে। আজি এনে পৰিবেশ, পৰিস্থিতি সলনি কৰিবৰ হ'ল — চৰকাৰে এই দিশত কঠোৰ দৃষ্টি ৰাখিব লাগে। আজি ৰাজ্যখনৰ উদ্যোগ জগতখন এক মৰিশালিত পৰিণত হৈছে। ইয়াক সঠিক দিশত আগুৱাই নিয়াৰ ব্যৱস্থা লব লাগিব আমাৰ চৰকাৰে। আজিৰ পৰা কেইবা বছৰৰো আগতেই অসমত গেছ ক্ৰেকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্ৰীনৰসিংহ ৰাৱে। কিন্তু অতি দুখৰ কথা যে এই প্ৰকল্পৰ কাম এতিয়াও আৰম্ভ হোৱা নাই। এতিয়া শুনিবলৈ পাইছো যে এই গেছ ক্ৰেকাৰ প্ৰকল্পৰ স্থান লৈ দুখন গাৱৰ ৰাইজৰ মাজত টনা-আজোৰা হৈছে — এইটো অশুভ লক্ষণ। আমি আশা ৰাখিছো এই প্ৰকল্পৰ কাৰ্য্য অতি সোনকালে আৰম্ভ হওক।

অধ্যক্ষ মহোদয়, আজি উত্তৰ পূৰ্ব্বাঞ্চলৰ সাৰ নিগমটো হিন্দুস্থান ফাৰ্টিলাইজাৰ কৰ্পোৰেচনটো নামৰূপতে অৱস্থিত। কিন্তু ভাৰতৰ যিবিলাক অনান্য ঠাইত সাৰ নিগম আছে এইবিলাকৰ পৰা আমাৰ সাৰ নিগমটো পৃথক কৰি আনিব লাগে, তেতিয়া অনান্য নিগমৰ দৰে টকা পোৱাত সহায় হব। আমাৰ উদ্যোগ বিভাগটো মুখ্য মন্ত্ৰী মহোদয়ৰ হাতত আছে যেতিয়া তেখেঁতক এই বিষয়টোৰ প্ৰতি দৃষ্টি দিবলৈ মই বিনম্ৰ অনুৰোধ জনালো। আশাকৰো তেখেতে বিশেষভাৱে তৎপৰতা অৱলম্বন কৰিব। ৰাজ্যপালৰ ভাষণৰ শেষৰ ফালে আমি দেখিবলৈ পাইছো যে, অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অনান্য পিচপৰা শ্ৰেণীৰ কল্যাণ সম্পৰ্কত কৈছে যে, আমাৰ চৰকাৰে কোচ ৰাজবংশী, চুতীয়া, মৰাণ, আহোম, চাহ আৰু প্ৰাক্তন চাহ জনজাতি সকলক অনুসূচীত জনজাতিৰ মৰ্য্যদা প্ৰদান সুনিশ্চিত কৰিবলৈ ভাৰত চৰকাৰৰ লগত আলোচনা কৰিব। আমাৰ চৰকাৰে অনুসূচীত জাতি, অনুসূচীত জন জাতি আৰু অনান্য পিচপৰা সম্প্ৰদায়ৰ কল্যাণৰ কাম কাজসমূহ দ্ৰুত গতিত কৰিবৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ আৰু এইটো অতি সন্তোষৰ কথা। আজি বড়ো সকলৰ দাবীৰ কথা মাননীয়া সদস্যা প্ৰমীলা ৰাণী ব্ৰহ্মদেৱে আবেগেৰে প্ৰকাশ কৰিছে। এই সমস্যাটোৰ প্ৰতি সদ ইচ্ছা ৰাখি সমাধান কৰিবলৈ চাব লাগে। তেখেতে উল্লেখ কৰিছে যে, প্ৰয়াত চৈয়দ আব্দুল মালিকৰ এটা কবিতাত উল্লেখ আছে যে, "আমি অসমীয়া, আমি কচাৰী, আমিয়েই আহোম" .................. কিন্তু তাত বড়ো সকলৰ কথা উল্লেখ হোৱা নাই। কিন্তু সেইটো উল্লেখ নাথাকিলেও আমি চিন্তা কৰিবলগীয়া কথা নহয়। গতিকে মাননীয়া সদস্যাই আবেগেৰে কোৱা কথাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি আমাৰ চৰকাৰে পদক্ষেপ ল'ব লাগে। ১৯৯৪ চনতে প্ৰধান মন্ত্ৰী নৰসিংহ ৰাও যেতিয়া আছে তেতিয়া প্ৰয়াত সাংসদ ৰাজেশ পাইলটক এই চুক্তি কৰিবলৈ পঠিয়াইছিল সেইবাবেহে আজি এইখিনি আগবাঢ়িছে। মই আশা কৰিছো যে, সোহাদ্যপূৰ্ণ দৃষ্টিভঙ্গীৰে এই দাবী সোনকালে সমাধান কৰিব লাগে। মাননীয় সদস্য হিতেন্দ্ৰ নাথ গোস্বামী দেৱে কৈছে যে, তেখেতসকলে যেতিয়া চৰকাৰ গঠন কৰিছিল আৰু গোস্বামী ডাঙৰীয়া যেতিয়া মন্ত্ৰীত্বৰ ভাৰ লৈছিল তেতিয়া সাংসদ বিজয় কৃষ্ণ সন্দিকৈ দেৱে কৈছিল যে, হিতেন তোমাক জিলাখন গতালো ভালকৈ কৰিবা --- এখন চৰকাৰ চলাবলৈ হলে উভয় পক্ষৰে সহযোগিতা লাগিব। সাংসদ বিজয় কৃষ্ণ সন্দিকৈ এজন ভাল মানুহ আৰু দক্ষ

ৰাজনীতিবিদ সেয়েহে তেনে ধৰণৰ চিন্তা কৰিব পাৰিছিল? কিন্তু যোৱা ৫ টা বছৰত আমি কি পালো? আমি আপোনালোকৰ পৰা কোনো ধৰণৰ সহাৰি নাপালো। ৰাজনীতিত সদায় উত্থান পতন আছে। আমি যেতিয়া বিৰোধ পক্ষত আছিলো তেতিয়া এজন বিষয়াৰ বদলিৰ সংক্ৰান্তত এজন মন্ত্ৰীৰ ওচৰলৈ গৈছিলো.নাহৰকটীয়াৰ ৰাইজৰ স্বাৰ্থত। সেই বিষয়া জনক আতৰাই যিজনক দিবলৈ কেৰা হৈছিল তেখেতৰ উপাধি ফুকন আছিল। ব্যক্তিগতভাৱে মোৰ কোনো চিনাকী নাছিল। মোক প্ৰশ্ন কৰিছিল এইজন আপোনাৰ relation ৰ মানুহ নেকি? এনে ধৰণৰ প্ৰশ্নৰ সন্মুখীন আমি হ'বলগীয়া হৈছিল। সহযোগিতা নহ'লে কাম কৰিব নোৱাৰি। আজি আমাৰ নিবনুৱা সমস্যাটো এটা ডাঙৰ সমস্যা হৈ পৰিছে। এই সমস্যা সমাধানৰ বাবে আমাৰ চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ৰাস্তাঘাটৰ ক্ষেত্ৰতো ডিব্ৰুগড়ৰ পৰা তিনিচুকীয়াৰ ৰাস্তাটো অৱস্থা অতি বেয়া। দলং নাই বেইনী ব্ৰিজ কৰি অহা যোৱা কৰিবলগীয়া হয়। গড়াখহনীয়াৰ প্ৰকোপত ৰহমৰীয়াৰ ৰাস্তাৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। এই ৰাস্তাৰ সুচল কৰাৰ বাবে মই গড়কাপ্তানী বিভাগৰ মহোদয়ক অনুৰোধ জনালো।

শেষত মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে এইবাৰ আমাৰ চৰকাৰে কেইটামান উল্লেখনীয় দিশত দৃষ্টি নিক্ষেপ কৰিছে আৰু সেইমতে ৰাজ্যপাল মহোদয়ৰ ভাষণত এই কথা বিলাক উল্লেখ কৰিছে। ইয়াৰ আগতে কোনো এজন ৰাজ্যপালৰ ভাষণত এই কথাবিলাক উল্লেখ কৰা হোৱা নাছিল। তাৰ ভিতৰত উল্লেখনীয় বিষয় হৈছে — মহিলাসকলৰ উন্নতিৰ কাৰণে তেওঁলোকক সমমৰ্য্যদা দিয়াৰ কাৰণে এই চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰিছে। এই বিষয়ত নতুন চৰকাৰে যিবোৰ ব্যৱস্থা হাতত লোৱাৰ কাৰণে চিন্তা চৰ্চা কৰিছে তাৰ কাৰণে আমি সঁচাকৈয়ে এই চৰকাৰক ধন্যবাদ জনাইছো। আজি মহিলা সকলৰ উন্নতি হব যেতিয়া সেই অঞ্চলৰ মহিলা সকলক তেওঁলোকৰ প্ৰাপ্য অধিকাৰ সকলোৰে সমানে দিয়া হ'ব আৰু এই কথাৰ আলমতে আমি আশা কৰিব পাৰো যে অনাগত দিন বিলাকত আমাৰ ৰাজ্যখনৰ উন্নয়নত নিশ্চয় সুদূৰ প্ৰসাৰী হব। আজি মহিলা সকলৰ উন্নতিৰ কাৰণে যিখিনি সংৰক্ষণৰ কথা কৈছে সেইখিনি সংৰক্ষণ হিচাবে নাৰাখি মহিলা সকলে কোনো প্ৰাপ্যৰ পৰা বঞ্চিত যাতে নহয় তাৰ প্ৰতি চৰকাৰে লক্ষ্য ৰাখিব লাগিব আৰু এই ক্ষেত্ৰত কংগ্ৰেছ দলে যিখিনি ভূমিকা গ্ৰহণ কৰিছে সেইখিনি নিশ্চয় সকলোৰে গ্ৰহনযোগ্য হ'ব। আজি আমাৰ মহিলা সকলক কৰ্ম্মমুখী কৰাৰ কাৰণে যিবিলাক আচনি প্ৰস্তুত কৰা হৈছে তাৰ লগত আৰু এটা বিষয়ত সংৰক্ষনৰ সুবিধা ৰাখিব পাৰি নেকি সেই বিষয়ত মই চৰকাৰৰ দৃষ্টি গোচৰ কৰি কওঁ যে আমাৰ আবকাৰী বিভাগত মহিলা সকলক কনিষ্টবল পদত এতিয়ালৈকে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। আমাৰ অসমৰ ছোৱালী সকল নানা ধৰণৰ খেলা-ধুলাকে আদি কৰি বিভিন্ন ব্যায়াম, প্ৰতিযোগীতাত আগবাঢ়ি গৈছে। সেই ফালৰপৰা মই ভাবো আমাৰ মহিলা সকলে কোনো ফালৰ পৰাই পিচপৰি থকা নাই। গতিকে এই বিভাগৰ কনিষ্টবল পদত মহিলা সকলক নিযুক্তি দিয়াৰ বাবে লগতে Asstt Sub Inspectorৰ ব্যৱস্থা ৰখাৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলো। সদৌ শেষত মই আৰু এটা কথা উল্লেখ

কৰিব খুজিছো যে আগৰ চৰকাৰে আৰু ৬০ খন মদৰ দোকানৰ লাইচেন্স দিয়াৰ বাবে যো-যা কৰিছিল। কিন্তু নতুন চৰকাৰ আহিয়েই সেইবোৰ বাতিল কৰিছে। তাৰ কাৰণে মই আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। আজি কেইবছৰ মানৰ পৰা আমাৰ ৰাজ্যখনত মদৰ ব্যৱসায় বহুলভাবে হ'বলৈ দিয়াৰ বাবে যিটো অৱস্থা হৈছে সেইটো যাতে আৰু বৃদ্ধি নহয় তাৰ কাৰণে নতুন চৰকাৰে কঠোৰ ব্যৱস্থা হাতত লব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Chairman :** Now, Hon'ble Member, Shri Girindra Kr. Barua.

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** সভাপতি মহোদয়, আজি একাদশ বিধান সভাৰ এই পবিত্ৰ সদনত পোন প্ৰথম বাৰৰ বাবে দুআষাৰ কবলৈ ওলাই প্ৰথমতে মই নতুন চৰকাৰলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। সভাপতি মহোদয়, মই এটা কথা জানিব খুজিছো যে এই চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰি আই, এম, ডি, টি, সম্পৰ্কত ৰাজ্যপালৰ ভাষণত যি বক্তব্য ৰাখিছে সেই ক্ষেত্ৰত আমি কব খোজো যে এই বিষয়টো বৰ্ত্তমানে উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন বিষয় হৈ আছে। এই বিষয়টো আমি সদনত আলোচনা কৰিব পাৰো নে নোৱাৰো সেই বিষয়ে আমি আপোনাৰ ভাষণৰ পৰা পাম বুলি আশা ৰাখিছো। এই বিষয়টো আপোনাৰ জৰিয়তে এই কাৰণেই দৃষ্টি গোচৰ কৰিব খুজিছো যে বিষয়টো বৰ্ত্তমান উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে আৰু এই বিষয়টো অসমৰ জনসাধাৰণৰ বাবে এটা আবেগিক আৰু গুৰুত্বপূৰ্ণ বিষয়। গতিকে এই বিষয়টো ৰাজ্য পালৰ ভাষণত উল্লেখ কৰাতো সমীচিন হৈছে নে নাই সেই বিষয়ে আপোনাৰ পৰা এটা ব্যাখ্যা পাম বুলি আশা ৰাখিছো। সভাপতি মহোদয়, আপুনিও অলপ আগতে বিৰোধী পক্ষৰ ফালৰ পৰা ভাষণ ৰাখি আই, এম, ডি, টি, বিষয়টো অসমৰ জনসাধাৰণৰ কাৰণে এটা অতি গুৰুত্বপূৰ্ণ বিষয় আৰু এইটো অসমৰ জনসাধাৰণৰ স্বাৰ্থত উঠাই দিব লাগে বুলি উল্লেখ কৰিছে। আজি ভাৰতবৰ্ষ এখন দেশ য'ত ৫০ খন ৰাজ্যই একেখন উচ্চ ন্যায়ালয়ৰ অধীনত কাম কাজ চলাই আছে। কিন্তু অসমৰ আই, এম, ডি, টি, আইনখন ভাৰতৰ আন কোনো ৰাজ্যত প্ৰযোজ্য হোৱা নাই। এই বৈষম্যটো অসমৰ ক্ষেত্ৰত কিয় হ'বলৈ পালে? ইয়াৰ আগতে এই আইনখন উঠাই লোৱা হ'ব বুলি কোৱা হৈছিল আৰু আমাৰ ফালৰ পৰাও এই আইনখন উঠাই লোৱাৰ কাৰণে দাবী উত্থাপন কৰি আহিছো।

সভাপতি মহোদয়, আন এটা কথা হৈছে অসম চুক্তি সম্পৰ্কত ৰাজ্যপালৰ ভাষণত ভোটাৰ সকলক পৰিচয় পত্ৰ দিয়া হ'ব বুলি উল্লেখ কৰিছে। আমি ইয়াৰ আগতে এটা কথা দেখিছিলো যে ভাৰতবৰ্ষৰ মুখ্য নিৰ্ব্বাচনী আয়ুক্ত ভাৰতবৰ্ষৰ কেইখনমান ৰাজ্যত ভোটাৰ সকলক পৰিচয় পত্ৰ দিয়া বুলি কৈছে। কিন্তু অসমৰ ক্ষেত্ৰত এই বিষয়টো এটা সুকীয়া বিষয়। ইয়াৰ বেচ ইয়াৰ কি হ'ব? এই বিষয়ত বহু সময়ত বিভিন্ন মহলত নানা বিতৰ্কতা সৃষ্টি হৈছে। গতিকে এই সম্পৰ্কত ৰাজ্য পালৰ ভাষণত যিটো কথা উল্লেখ কৰা হৈছে সেইমতে ভোটাৰ সকলক কি ভিত্তিত পৰিচয় পত্ৰ দিয়া হ'ব সেইটোৰ এটা স্পষ্টীকৰণ দিব বুলি আশা ৰাখিলো। আন এটা কথা হ'ল — এই চৰকাৰে ১৮ মে তাৰিখত কাৰ্য্যভাৰ গ্ৰহণ কৰা পিচতেই ১৯ মে তাৰিখৰ এখন

* Speech not corrected

দৈনিক কাকতত মুখ্যমন্ত্রীয়ে অসমৰ জনসাধাৰণৰ কাৰণে বা থলুৱা লোকৰ ৰক্ষনা বেক্ষনৰ কাৰণে সাংবিধানিক ৰক্ষনা বেক্ষন প্রয়োজন নাই বুলি উল্লেখ কৰিছে। কিন্তু আমি অসমৰ থলুৱা লোকৰ অস্তিত্বৰ সম্পৰ্কত নিৰাপত্তা নাই বুলি অনুভব কৰি আহিছো গতিকে মুখ্যমন্ত্রী ডাঙৰীয়াই যাতে অসমৰ থলুৱা লোক সকলৰ ৰক্ষনা বেক্ষনৰ কাৰণে সাংবিধানিক ৰক্ষা কবছৰ ব্যৱস্থা ৰাখে তাৰ কাৰণে অনুৰোধ জনালো।

* **শ্রীওৱাজেদ আলি চৌধুৰী ঃ** তেখেতে তেওঁলোকৰ দলৰ কথা কৈছে নে আই, এম, ডি, টি, আইনখন বাতিল সম্পৰ্কত কৈছে? এইটো তেখেত সকলৰ দলৰ কথা নেকি?

* **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ** আন এটা কথা হৈছে এই চৰকাৰে আজি কেইদিনমান আগতে মাত্র শাসনলৈ আহিছে। তেওঁলোকৰ কাৰ্য্যভাৰ আৰু বহু দিন বাকী আছে। ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তব্য ৰাখি মাননীয় সদস্য বৰা ডাঙৰীয়াই এটা কথা কৈছে যে আজি যি সকল বিৰোধী পক্ষত আছে তেওঁলোকে এটা সময় সোণৰ অসম গঢ়াৰ কথা কৈছিল — তেওঁলোকে সোণৰ অসম গঢ়িলেনে? কিন্তু এই ক্ষেত্রত মই কওঁ যে আমি সোণৰ অসম গঢ়াৰ কাৰণে চেষ্টা চলায় আহিছো আৰু ভবিষ্যতেও সেই চেষ্টা চলায় যাম। আজি ৰাজ্যপালৰ ভাষণত এই চৰকাৰ এখন প্রগতিশীল চৰকাৰ বুলি উল্লেখ কৰিছে। কিন্তু এই চৰকাৰে প্রগতিশীল চৰকাৰ হিচাবে ৰাইজৰ আগত চিনাকি দিবলৈ আৰু বহু দিন বাকী আছে। তেওঁলোকৰ এতিয়াও ৪ বছৰ ১১ মাহ ১৩ দিন বাকী আছে। গতিকে এই সময় ছোৱাত তেওঁলোকেও চেষ্টা কৰক এখন প্রগতিশীল চৰকাৰ ৰূপে নিজকে প্রতিস্থান কৰিবলৈ আৰু তেতিয়াও আমিও কম যে আমাৰ সোনৰ অসমৰ এটা অংশ আপোনালোকেও কৰিছে। মাননীয় সদস্য শ্রীপংকজ বৰা ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে চৰকাৰৰ বিভিন্ন বিভাগ সমূহৰ ভিতৰত শিক্ষা বিভাগটোৱেই আটাইতকৈ বেয়া বিভাগ। এই কথাটো এই সদনতে আমিও কৈছিলো যে আমাৰ শিক্ষা বিভাগটোত যিকেইজন লোক শিক্ষা মন্ত্রী হৈ গৈছে তেওঁলোক আটায়ে গুনী জ্ঞানী লোক। ডাঃ ভূমিধৰ বৰ্মনকে ধৰি বৃন্দাবন গোস্বামী, শৰৎ বৰকটকী, থানেশ্বৰ বড়ো আদিৰ লেখীয়া লোক সকলেই অসমৰ শিক্ষা মন্ত্রী আছিল। তেওঁলোকৰ নিচিনা গুনী জ্ঞানী লোক এই বিভাগটোত থাকোতেই এই বিভাগটো ক্রমান্বয়ে তললৈ গল।

সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক এটা কথা অনুৰোধ কৰিম আমাৰ শিক্ষা বিভাগটোক অন্ততঃ ৰাজনীতিৰ পৰা মুক্ত কৰিব লাগে। এইটো কৰিব নোৱাৰিলে শিক্ষা বিভাগটোৰ কেতিয়াও উন্নতি নহব। ১৯৭৪ চনত মই নৱম মান শ্রেণীৰ ছাত্র আছিলো আৰু তেতিয়া এটা কথা গম পাইছিলো যে এই বিভাগটোৰ নিযুক্তি প্রক্রিয়া সম্পূৰ্ণৰূপে সুকীয়া আছিল। তেতিয়া স্থানীয় আৰু মেধা ছাত্র ছাত্রীক নিযুক্তি দিয়াৰ ব্যৱস্থা আছিল। কিন্তু তাৰ পিচৰ পৰা লাহে লাহে এই ব্যৱস্থাত কেৰোণ লাগিবলৈ ধৰিলে আৰু এতিয়া ই একেবাৰে তললৈ গ'ল। গতিকে আমাৰ স্কুল, কলেজ আৰু বিশ্ববিদ্যালয় সমূহত নিযুক্তিৰ ক্ষেত্রত ৰাজনীতিৰ পৰা মুক্ত কৰিব লাগিব। আন এটা কথা হৈছে আমি ৰাজ্যপালৰ ভাষণতো দেখিছো যে ১৯৮৫ চনৰ পৰা

---

* Speech not corrected

১৯৯০ চনৰ ভিতৰত অসমত কেইবাখনো আই, টি, আই কৰা হৈছে।

আৰু কেইটামান আই টি আই স্থাপন কৰিব, ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে যি কেইটা আই টি আই স্থাপন কৰিলে সেই খিনিয়ে অতিৰিক্ত হৈছে ইয়াৰ পৰা নিবনুৱা সমস্যা লাঘব হৈছে নে? একো লাভ হোৱা নাই। এইবিলাকত টি ভি মেকানিক, টেলিফোন মেকানিক শিকাৰ ব্যৱস্থা নাই। নতুনকৈ আই টি আই পতাতকৈ যি খিনি আছে তাতে আধুনিক ভাবে বিভিন্ন বিভাগত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

শিক্ষা বিভাগৰ লগত কম বেছি পৰিমাণ ময়ো জড়িত। বৰ্ত্তমান আমাৰ শিক্ষা বিভাগৰ যিটো ব্যৱস্থা সেইটো পৰিবৰ্ত্তন কৰিব লাগে। ইয়াৰ পৰিবৰ্ত্তন সাধিবলৈ হলে একোখন কমিশ্যন বহুৱাৰ ব্যৱস্থা কৰিব লাগে যাতে শিক্ষা বিভাগটো আগুৱাই নিয়াৰ কাৰণে চেষ্টা কৰিব পৰা হয়। আশা কৰিছো নব নিৰ্বাচিত চৰকাৰে শিক্ষা বিভাগৰ ওপৰত অধিক গুৰুত্ব দিব। নতুন চৰকাৰক সমালোচনা কৰাৰ সময় হোৱা নাই, কাৰ্য্যভাৰ লোৱা মাত্ৰ তেৰ দিনহে হৈছে, এই চৰকাৰৰ ওপৰত জনসাধাৰণে বহু আশা ৰাখিছে আৰু বহুত কিবা বিচাৰিছে। আশাকৰোঁ চৰকাৰে জনসাধাৰণৰ আশা পূৰণ কৰাৰ ব্যৱস্থা কৰিব।

**Mr. Speaker :** Now, Hon'ble Member Shri Himanta Biswa Sharma.

* **শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই পোন প্ৰথমে আমাৰ দলৰ দলপতি শ্ৰীগগৈ ডাঙৰীয়াৰ সন্মুখত যিখন চৰকাৰ আহিছে মই এই চৰকাৰৰ প্ৰতি অভিনন্দন জনাইছোঁ।

প্ৰাক্তন মুখ্য মন্ত্ৰী তথা মোৰ দাদা আজি বিৰোধী দলৰ আসনত বহিছে, ১৯৯৪ চনৰ পৰাই তেখেত এই বিধান সভাৰ দলপতি হৈ আহিছিল, আৰু এটা কথা দেখা গৈছে হিতেন গোস্বামী, গিৰিণ বৰুৱা আদিয়ে এতিয়া বিৰোধী দলত বহি বহুত ভাল কথা কৈ আছে, আঞ্চলিকতাৰ কথা কৈছে, শিক্ষা বিভাগৰ কথা কৈছে। এই সকলেই যেতিয়া শাসনত আছিল তেতিয়া অসমত বহুত গুপ্ত হত্যা হৈছিল। আজি এই পাৰ্থক্য কিয়? বিৰোধী দলত থাকিলে গোপীনাথ বৰদলৈ, ৰোহিনী চৌধুৰী আদিলৈ মনত পৰে, এই পাৰ্থক্য দূৰ হব লাগিব। অসমৰ ৰাজনৈতিক দিশত এনে এটা পৰিবৰ্ত্তন আহিব লাগিছিল যিটো পৰিবেশত হিতেন গোস্বামী, জয়নাথ শৰ্ম্মা আদিয়ে গুপ্ত হত্যাৰ বিৰুদ্ধে গৰজি উঠিব লাগিছিল। মই নকও যে গুপ্ত হত্যাত তেওঁলোক জড়িত বুলি। অসমত এটা এটাকৈ অনেক গুপ্ত হত্যা হৈছে আজিও এটা অপৰাধীয়ে বিগত চৰকাৰে ধৰিব নোৱাৰিলে, এইটো অতি দুৰ্ভাগ্যৰ কথা।

অসমৰ মানুহে আজি এখন দুৰ্নীতি মুক্ত চৰকাৰ বিচাৰিছে। ১৯৭১ চনৰ পৰাই ৰাজনীতিত থাকি তৰুণ গগৈ আজিও দুৰ্নীতি মুক্ত হৈ আছে। মই সকলোকে কৈছোঁ আমি নিজে দুৰ্নীতি মুক্ত হব লাগিব। যদি আমি দুৰ্নীতি কৰোঁ তেন্তে তৰুণ গগৈয়ে এখন নিকা চৰকাৰ অকলে দিব নোৱাৰে। মই ভাবোঁ আমাৰ মন্ত্ৰী বিধায়কসকলে গগৈৰ নামত যাতে এটাও বদনাম নানে তাৰ কাৰণে সচেষ্ট হব।

* Speech not corrected

সাংবাদিকৰ ওপৰত আক্ৰমণ চলিছে। কনক সেন ডেকা, অজিত ভূঞা আদিৰ নিচিনা ব্যক্তিক গণপৰিষদ চৰকাৰে হত্যা আদি গোচৰত লিপ্ত কৰাই জনসাধাৰণৰ ওচৰত হেয় কৰাইছে। হায়দৰ হুচেনক গ্ৰেপ্তাৰ কৰা হ'ল। কিছু দিনৰ আগতে প্ৰতি দিনৰ স্বত্বাধিকাৰীৰ ঘৰত বোমা বিস্ফোৰণ হৈছে, ফোনেৰে ধমকি দিছে। মই আমাৰ মাননীয় মুখ্য মন্ত্ৰীক অনুৰোধ কৰিছোঁ অপৰাধী সকল যাতে সাৰি যাব নোৱাৰে, উপযুক্ত শাস্তি প্ৰদান কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আজি কৃষি বিপ্লৱৰ কথা কোৱা হৈছে। আজিও গণপৰিষদৰ ফালৰ পৰা কিবা এটা ভাল কথা কৈছে। তেওঁলোকৰ প্ৰত্যেকে আজি সদনত উপস্থিত থকা হ'লে ভাল হলহেতেন। এতিয়াও মোৰ মনত পৰে, এদিন মই মোৰ সমষ্টিলৈ গৈছিলো, তাত শুনিবলৈ পালো যে প্ৰফুল্ল মহন্ত আৰু কোনোবা কোনোবা আহিব ধান কাটিবলৈ, শুনি ভাল পালো। মহন্তই ধান কাটিলে কিন্তু খেতিয়কে সেই ধানবোৰ লৈ বহি থাকিল বিক্ৰী কৰাৰ ব্যৱস্থা নাই। পাটোৱাৰী ডাঙৰীয়াৰ দলৰ কেইজনামানে দুই এজনৰ ধান লৈ আহিল। ৰাজ্যপালৰ ভাষণত এই বিষয়ে স্পষ্টকৈ উল্লেখ কৰা হৈছে।

আজিও অসমত পঞ্চায়ত নিৰ্ব্বাচনৰ কথা কোৱা হৈছে। মহন্ত ডাঙৰীয়া সংখ্যাৰ ফালৰ পৰা আজিও বিৰোধী দলৰ দলপতি হব পৰা নাই। মহন্ত ডাঙৰীয়াই কয় হাইকৰ্টে বাধা দিয়াৰ কাৰণে পঞ্চায়ত নিৰ্বাচন পাতিব পৰা নাই। পঞ্চায়ত নিৰ্বাচন পতাত হাইকৰ্টে বাধা দিয়া নাছিল, মাত্ৰ সময় বিচাৰিছিল। এল অ' চি গোচৰত লাখ লাখ টকা খৰচ কৰি উকিল ধৰিব পাৰে, পঞ্চায়ত নিৰ্বাচনৰ কাৰণে উকিল ধৰিব নোৱাৰিলে।

আমাৰ চৰকাৰে পঞ্চায়ত নিৰ্ব্বাচন পাতিব। পঞ্চায়ত নিৰ্ব্বাচন নাপাতিলে গাওঁৰ জনসাধাৰণৰ কাষ চাপিব নোৱাৰি। সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰে অসমত পঞ্চায়ত নিৰ্ব্বাচন পাতিব অৰ্থাৎ ক্ষমতাৰ স্পষ্ট বিকেন্দ্ৰীকৰণ কৰিব। দূৰ্নীতিমুক্ত এখন সমাজ নিকা প্ৰশাসন আমি বিচাৰো আৰু কৰিবলৈ চেষ্টা কৰিম। মহন্ত ডাঙৰীয়াৰ প্ৰতি মোৰ অশেষ ব্যক্তিগত শ্ৰদ্ধা আছে কিন্তু তেখেতৰ দিনত এজন লোকআয়ুক্ত নিযুক্ত কৰা নহ'ল। লোকআয়ুক্ত নাথাকিলে বুৰোক্ৰেট সকলক কোনে কন্ট্ৰোল কৰিব। মই আমাৰ চৰকাৰক অনুৰোধ কৰিম যে অতি সোনকালে লোকআয়ুক্ত আৰু উপলোকআয়ুক্ত দিয়ে। নহলে দূৰ্নীতিৰ কথা কোৱাহে হ'ব তাৰ বিচাৰ খোছাৰ কৰা নহ'ব। গণ পৰিষদ চৰকাৰৰ দিনত আমাৰ মাননীয় সদস্য হিতেনদাই কৈছে যে উপায়ুক্ত সকলৰো নিৰাপত্তা নাছিল। উপায়ুক্ত বেলেগ কথা আনকি নিৰ্ব্বাচিত প্ৰাৰ্থী সকলৰো নিৰাপত্তা নাছিল। কাৰণ তেতিয়া নিৰ্ব্বাচিত প্ৰাৰ্থীকো মাৰ্ছেলে টানি উলিয়াই লৈ যায় - কেতিয়া নিয়ে ক'ব নোৱাৰি। গতিকে গণ পৰিষদ চৰকাৰৰ দিনত উপায়ুক্তই যে নহয় নিৰ্ব্বাচিত প্ৰাৰ্থীৰো নিৰাপত্তা নাইকিয়া কৰি দিছিল। অসম বিধান সভাত বিৰোধী পক্ষক সন্মান কৰিব দূৰৰ কথা কিবা সমালোচনা কৰিবৰ সময় পাব বুলি বিধান সভাৰ অধিবেশনো তিনি দিনতে শেষ কৰি দিছিল সংসদী গণতন্ত্ৰক সন্মান কৰিব জানিব লাগিব। অকল মহাত্মাগান্ধীৰ ফটোখন সন্মুখত ৰাখিলেই কি হ'ব? যদি গনতন্ত্ৰক সন্মান কৰা নহয়। অসমৰ ৰাইজক নিকা প্ৰশাসন আৰু

দূৰ্নীতিমুক্ত সমাজ এখন দিব লাগিব। কেইদিনমান আগতে মই তেতিয়াৰ মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আছিলো তেতিয়া মাননীয় মন্ত্ৰী বিৰাজ শৰ্ম্মাৰ পৰা ফোন আহিলে যে তেখেতৰ নিৰাপত্তা কম হৈছে তেওঁ অৱশ্যে লগে লগে দিজিপিক কৈ দিছে। কিন্তু বিগত চৰকাৰৰ দিনত আমাৰ কংগ্ৰেছ সদস্য সকলৰ নিৰাপত্তাৰক্ষী উঠাই অনা হৈছিল আনকি ৰাজীৱ ভৱনৰ পৰা নিৰাপত্তাৰক্ষী উঠাই অনা হৈছিল। আমি মোকৰ্দ্দমা নকৰা হলে বহুতৰ তেজেৰে ফাকু খেলিব পৰা গ'লহেতেন। নিৰাপত্তা লৈ ৰাজনীতি কৰিব নালাগে। মই গৃহ ৰাজ্য মন্ত্ৰীক অনুৰোধ জনাইছো গণ পৰিষদ দলক পৰ্য্যাপ্ত পৰিমানৰ নিৰাপত্তা দিওঁক। নিৰাপত্তাৰ নামত আমি উৰুনীয় ৰাজনীতি কৰিব খোজা নাই।

আজি এই পবিত্ৰ সদনত মই এটা কথা কব খুজিছো যিটো ক'ব নালাগিছিল। আমাৰ সদনত ৫ জন কটন কলেজৰ প্ৰাক্তন সম্পাদক আছো আৰু বহুত প্ৰাক্তন কটনিয়ান আছে। কটন কলেজে যাতে স্বায়ত্ব শাসন পায় তাৰ কাৰণে চৰকাৰক অনুৰোধ কৰিলো। মাননীয় সদস্য গিৰীনদাই বৰ আবেগিক হৈ কৈছে যে গণ পৰিষদ দল যেতিয়া বিৰোধী পক্ষত আছিল তেতিয়া আই এম ডিটি আইনৰ কথা কৈছিল। আই এম ডিটি আইনখন তেখেত সকলৰ শ্লোগানহে মাত্ৰ। ১৯৯১-৯৬ চনত মই গেলেৰীত বহি তেখেত সকলৰ কথা শুনিছিলো। কোনো মুখ্যমন্ত্ৰীয়ে আজিলৈ জন্ম মৃত্যু পঞ্জীয়নৰ কথা কোৱা নাছিল। একমাত্ৰ আমাৰ মুখ্যমন্ত্ৰীয়েহে জন্ম মৃত্যু পঞ্জীয়নৰ কথা কৈছে। অসম চুক্তিত আমি সকলোৰে বান্ধ খাই আছো। অসম চুক্তিত কিন্তু আই এম ডিটি আইনখন প্ৰত্যাহাৰ কৰাৰ কথা নাছিল তাক সংশোধন কৰাৰ কথাহে আছিল। যদি এতিয়া বাতিল কৰিবলৈ কয় তেনেহ'লে অসমৰ ৰাইজক আপোনালোকে কওঁক যে আমি সেই চুক্তি নামানো। এই চুক্তিৰ লগত ৮০০ শ্বহীদৰ কেছা তেজৰ সম্পৰ্ক আছে। আজি গিৰীনদাই, হিতেনদাই আবেগৰ কথা কৈছে। আবেগৰ ৰাজনীতি নকৰিব। এই নৱ শতিকাত আমি নিবনুৱা সমস্যা সমাধান কৰাৰ চিন্তা কৰিব লাগিব। আমি অনান্য ৰাজ্যৰ নিচিনা আগুৱাই যাব লাগিব। অসমক নিৰাপত্তা দিব লাগিব। এই বিলাকত আমি চৰকাৰ পক্ষই বিৰোধী পক্ষলৈ বাট চাই আছো। আবেগ বাদ দি আপোনালোকে আমাৰ লগত সহযোগ কৰি কৰক। আজি চন্দ্ৰবাবু নাইডু দিগ্বীজয় সিং বহু আগবাঢ়ি গৈছে। শ্বহীদৰ কেছা তেজৰ কথা মনত ৰাখি অসমক এখন নতুন অসম ৰূপে গঢ় দিওঁ আহক তাৰ কাৰণে আপোনালোকৰ সহযোগিতা বিচাৰিছো।

মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ তেওঁ অকল লীডাৰেই নহয় ষ্টেটচমেনশ্বিপ গতিকে তেওঁক আপোনালোকে সহায় সহযোগিতা কৰক বা তেখেতৰ লগত হাত মিলাই আমি আগবাঢ়ি যাওঁ আহক। আমি এখন নিকা সমাজ গঢ়িম, আমি গুপ্ত হত্যা নকৰোঁ, সাংবাদিক নিগ্ৰহ নকৰোঁ, সাংসদীয় গণতন্ত্ৰক আমি হত্যা নকৰো। আবেগৰ ৰাজনীতি আমি নকৰোঁ। আমি এনে এখন নতুন অসমৰ সৃষ্টি কৰিম যি খন অসমত মানুহে মুক্ত কণ্ঠে চলাফিৰা কৰিব পাৰিব। আমাৰ চৰকাৰৰ কোনো বেয়া মনোভাৱ নাই। আমি নিস্বাৰ্থভাৱে কাম কৰিব বিচাৰোঁ তাৰ প্ৰমান আপোনালোকে পাইছে কাৰণ এতিয়ালৈকে এজনো আমোলাক বদলি কৰা নাই।

সেই কাৰণে পুনৰ আপোনালোকৰ সহযোগিতা বিচাৰি বক্তৃতাৰ সামৰণী মাৰিলো।

**Mr. Speaker :** Hon'ble Member, Shri Pabindra Deka.

* শ্ৰীপবিন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে এই পবিত্ৰ সদনৰ দলপতি শ্ৰীতৰুণ গগৈ প্ৰমুখ্যে বিৰোধী পক্ষৰ মাননীয় সকলো সদস্যলৈ মোৰ আন্তৰিক ওলগ জনাইছো। এইবাৰ আমি এটা ৰাজনৈতিক আৰু সম্পূৰ্ন অৰ্থনৈতিক সংকটৰ সময়ত বিধান সভালৈ নিৰ্ব্বাচিত হৈ আহিছো। গতিকে আমি সদস্য সকলে প্ৰতি মুহূৰ্ত্ততে প্ৰতি চেকেণ্ডতে ৰাজ্যৰ ২ কোটি ৫০ লাখ জনসাধাৰণৰ আশা আকাংক্ষাৰ প্ৰতি দায়বদ্ধ। ইতিমধ্যে ভালেকেইজন মাননীয় সদস্যই বক্তৃতা ৰাখি গৈছে। চৰকাৰখন হৈছে এটা চৰকাৰী যন্ত্ৰ। আগতে এই চৰকাৰৰ নেতৃত্ব দিছিল মহন্ত ডাঙৰীয়াই তেখেতে কৰা ভূলৰ কাৰণে তেখেতক দংশন কৰিলে — এতিয়া গগৈ ডাঙৰীয়াইও ভূল কৰিলে তেখেতকো দংশন কৰিব। সেই কাৰণে সময় থাকোঁৰ তেখেত সাবধান হোৱা উচিত। ৰাজ্যপালৰ ভাষণত কিছুমান আশাব্যঞ্জক কথা দেখিছো। তাৰ ওপৰত আমি সংশোধনী আনিছো। আজি অসমত অস্থিৰ ৰাজনৈতিক অৱস্থাই হৈছে মুল কথা। আজি ৰাজনৈতিকভাবে বিদ্ৰোহী সংগঠন সমূহে স্বাধীনতাৰ দাবী উৎথাপন কৰিছে। বড়ো, মিছিং, কাৰ্বি, ৰাভা সকলোৱে স্বাধীনতা দাবী কৰিছে, গৰম হোৱাৰ সৃষ্টি কৰিছে। ৰাজ্যপালৰ ভাষণত আলোচনাৰ কথা কৈছে কিন্তু আজি ১০ বছৰে আলোচনাৰ কথাই শুনি আছো কিন্তু আলোচনা সম্পৰ্কত কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ কোনো স্পষ্ট ধাৰণা নাই।

মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক কাৰণতেই বিভিন্ন ধৰণৰ সমস্যা উদ্ভৱ হৈছে। সেইকাৰণে মই কৈছো, মিনিংফুল আলোচনা হব লাগে। মিনিংফুল ডাইলগ হব লাগে, কোনো ধৰণৰ স্বত্ব আৰোপ নকৰাকৈ দেশৰ যি কোনো প্ৰান্তত আনকি প্ৰয়োজন হ'লে ভাৰতবৰ্ষৰ বাহিৰত হ'লেও আলোচনা হ'ব লাগে বুলি আমি অনুভৱ কৰিছো। তাৰ পাচত নিবনুৱা সমস্যাৰ কথা কোৱা হৈছে, ৰাজ্যপালৰ ভাষনত ১৫ লাখ নিবনুৱাৰ কথা কৈছে আৰু এই প্ৰসঙ্গত কেতবোৰ আশাব্যঞ্জক সমাধানৰ কথা উল্লেখ কৰিছে কিন্তু এই নিবনুৱা সমস্যা সমাধানৰ প্ৰকৃত আৰু কমপ্লিট ৰূপ দিব পৰা নাই। বৰ্ত্তমান আমাৰ যিটো অৱস্থা হৈছে সেইমতে এম্পপ্লয়মেণ্ট এভিনিউ যথেষ্ট কম, গতিকে এম্পপ্লয়মেণ্ট এভিনিউৰ কিছু সুবিধা কৰিব পৰাকৈ কেইটামান পৰামৰ্শ দিব বিচাৰিছো। আমাৰ ৰাজ্যতে কেন্দ্ৰীয় চৰকাৰৰ যেনে ৰেইলওৱে, টেলিফোন ইত্যাদি বিভাগৰ বিভিন্ন অফিচ বিলাক আছে কিন্তু সেই অফিচ বিলাকত আমাৰ ৰাজ্যৰ থলুৱা লোকৰ নিযুক্তি নিচেই তাকৰ, অতি নগন্য। গতিকে আইনগত ব্যৱস্থা কৰি এই কেন্দ্ৰীয় চৰকাৰৰ অফিচ বিলাকত তৃতীয়া আৰু চতুৰ্থ শ্ৰেণীৰ পদবিলাকত আমাৰ ৰাজ্যৰ থলুৱা নিবনুৱাক শতকৰা ১০০ ভাগ নিবনুৱাক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে, সেইদৰে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ চাকৰিত শতকৰা ৮০ শতাংশ আমাৰ ৰাজ্যৰ নিবনুৱাৰ নিযুক্তি পোৱা সুবিধা কৰিব লাগে। এই বিষয়ে ৰাজ্য পালৰ ভাষণত উদ্ধৃতি থাকিব লাগিছিল। এইটো মই কোৱা কথা নহয়, ১৯৯৯ চনৰ কংগ্ৰেছৰ নিৰ্ব্বাচনী ইস্তাহাৰত উল্লেখ আছে যে আমাৰ ইয়াতে উৎপাদিত চাহৰ যিবিলাক কাৰ্য্যালয়

---

* Speech not corrected

আছে সেইবিলাকৰ বেচিভাগেই অসমৰ বাহিৰত আছে য'ত নেকি হাজাৰ হাজাৰ অসমৰ বাহিৰৰ মানুহে চাকৰি কৰি আছে আনহাতেদি আমাৰ এই ৰাজ্যৰ লৰা-ছোৱালীবিলাকে চাকৰি নাপাই নিবনুৱা হৈ হাহাকাৰ কৰি ফুৰিছে। গতিকে এই চাহ কোম্পানী বিলাকৰ কাৰ্য্যালয় বিলাক অসমলৈ ঘুৰাই আনিব লাগে, এই সংক্ৰান্তত বহুতো সংগঠনে দাবী কৰি আহিছে। তাৰোপৰি আমাৰ বিভিন্ন প্ৰান্তত থকা নিবনুৱা সকলে চাকৰিৰ কাৰণে গুৱাহাটী ডিব্ৰুগড় ইত্যাদি চহৰলৈ আহি পৰীক্ষাৰত অবতীৰ্ণ হোৱা বা এপলাই কৰা ইত্যাদিত যোগদান কৰিবলৈ সামৰ্থ্য নহয় কিয়নো এই ক্ষেত্ৰত টকা-পইচাৰ দৰকাৰ সেইকাৰণেই আমাৰ নিবনুৱা সকলক চাকৰি নোপোৱা পৰ্যন্ত নিবনুৱা ভাট্টা দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে। ১৯৯৯ চনৰ নিৰ্ব্বাচনৰ ইস্তাহাৰত আৰু ৰাজ্য পালৰ ভাষণত উল্লেখ আছিল। গতিকেই নিবনুৱা ভাট্টা দিয়াৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবলৈ অনুৰোধ জনালো। তাৰ পাচত আজি ৰাজনীতি দুৰ্নীতিৰ কথা কোৱা হৈছে, এই ক্ষেত্ৰত মই কবলৈ বিচাৰিছো প্ৰথমতেই আমি নিজৰ ফালৰ পৰা ব্যৱস্থা কৰিব লাগিব, সেই কাৰণে মই কৈ দিছো আৰু ঘোষণা কৰিছো যে আমাৰ সমষ্টিত স্কুল কলেজ ইত্যাদি বিলাকৰ গভাৰ্ণিবডি বিলাকত যাতে বিধায়কক অন্তৰ্ভুক্ত কৰা নহয় তাৰ কাৰণে মই আগতিয়াকৈ জনাই দিছো। এই গভাৰ্ণিবডি বিলাকত যাতে প্ৰকৃত শিক্ষাবীদ সকলক পৰিচালনাৰ দায়িত্ব দিব লাগে। দুৰ্নীতিৰ বিষয়ে কৈছে, এই সম্পৰ্কত বিতৰ্ক চলি আছে এইটো আজিৰ নহয় ১৯৪৫ চনৰে পৰা দুৰ্নীতি চলি আছে, এই বিষয়ে জাতিৰ জনক মহাত্মা গান্ধীৰ ওচৰলৈ যোৱা হৈছিল যাতে এই বিষয়টো বিবেচনা কৰি চায় কিন্তু আচৰিত কথা পেপাৰত কথাবিলাক থিকেই আছে। গতিকে যেতিয়ালৈকে নিজৰ ফালৰ পৰা দুৰ্নীতি ৰোধ কৰা নহয় সি কেতিয়াও বন্ধ নহব। মই ভাবিছো মই বিধায়ক হৈ মোৰ সম্পত্তিৰ হিচাব দিম আৰু ৫ বছৰৰ পাচত মই কিমান সম্পত্তি কৰিলো তাৰো হিচাব দিম। তাৰ পাচত ৰাজ্যখনত ১০০ টা পাবলিক হেল্‌ঠ চেণ্টাৰ আৰু ৫০ টা কমিউনিটি হেল্‌ঠ চেণ্টাৰ প্ৰতিস্থা কৰাৰ কথা কৈছে, মই আশা কৰো এই পি, এইচ, চি আৰু চি, এইচ, চেণ্টাৰ প্ৰতিস্থা কৰাৰ কাৰণে ব্যৱস্থা লব। আৰু এটা কথা কৈ মই শেষ কৰিম বিগত দিনত সাংবাদিক সকলৰ ওপৰত যি ধৰণৰ নিৰ্য্যাতন চলিল সেইবিলাক যাতে পুনৰ নহয় অজিত ভূঞা, হাইদৰ হুচেইন, কনক চেন ডেকা, বেজবৰুৱাৰ নিচিনা সাংবাদিক সকল যাতে জেললৈ যাব লগা নহয় সেই কথা লক্ষ্য ৰাখিব লাগিব। সাংবাদিক সকলক যাতে নিৰ্য্যাতন হাৰাশাস্তি কৰা নহয় তাৰ প্ৰতি সতৰ্ক হব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker : Now I call upon Shri Shadeed Mazumder**

* **শ্ৰীশাদিদ মজুমদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানিত সদস্য সকল মই যিহেতু এইবাৰ নতুনকৈ বিধায়ক হৈ আহিছো মই দীঘলীয়া নকৰো। চমুকৈয়ে কম মাননীয় সদস্য ৰিপুন বৰা ডাঙৰীয়াই অনা ধন্যবাদসূচক প্ৰস্তাৱত কিছু সংযোজনাৰ আৱশ্যক হোৱা কাৰণে আপোনাৰ জৰিয়তে ৰাজ্যপালৰ ভাষণত বিভিন্ন সমস্যাৰ কথা বিশেষকৈ অসম ৰাজ্যখনত বছৰি বছৰি হোৱা বানপানীৰ সমস্যা আৰু সমাধানৰ কথা উল্লেখ কৰিছে কিন্তু এই বানপানীৰ সমস্যাৰ দ্বাৰা যে আন আন বহুতো

* Speech not corrected

সমস্যাৰ সৃষ্টি হয় সেই সম্পৰ্কৰ কথাবিলাক ইয়াত উল্লেখ কৰা হোৱা নাই। বানপানীৰ সমস্যাৰ ভয়াবহতাৰ আজি বহু দিনৰে পৰা গোৱালপাৰা ধুবুৰী আদি জিলাত বিশেষকৈ দক্ষিণ পাৰত ৰাইজে ভুগি আছে, দক্ষিণ পাৰৰ অজস্ৰ লোকে বান্ধৰ ওপৰত বছৰ বছৰ ধৰি ২০/৩০ বছৰ বসবাস কৰি আহিছে আৰু বহুতে শিবিৰত আছে। অৱশ্যে গোষ্ঠীগত সংঘৰ্ষত যি সকল লোক আক্ৰান্ত হৈছে তেওঁলোক শিবিৰত থকা কথাটো ৰাজ্যপালৰ ভাষণত উল্লেখ হৈছে, সেইটো ভাল কথা হৈছে। কিন্তু বানপানীত জৰ্জৰিত হৈ যি সকল লোক ভূমিহীন হৈ বছৰ বছৰ ধৰি হাৰাশাস্তি খাব লগা হৈছে সেই বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। আন নালাগে গোৱালপাৰা চহৰৰে বহুতো লোক বছৰ বছৰ ধৰি ভূমিহীন হোৱাৰ উপক্ৰম হৈছে। গোৱালপাৰা টাউনেৰে এজন লোকৰ ২ বিঘা মাটি আছিল আজি বান-পানীৰ কৰাল গ্ৰাসত পৰি তেনে এজন লোকো গৃহহাৰা হৈছে, গড়াখহনীয়া আৰু প্ৰবল বানপানীত এই মানুহবোৰ ভূমিহীনত পৰিণত হৈছে, কিন্তু এই লোকসকলক পুনৰ সংস্থাপন কৰাৰ কোনো সুব্যৱস্থা হৈ নুঠিল। পৰিতাপৰ বিষয় এই বিষয়ে ৰাজ্যপালৰ ভাষণত কোনো কথা উল্লেখ নহল।

এই নদী ভঙাৰ পিচতো পাৰ্মানেন্ট প্ৰটেকচনৰ কাৰণে কোনো ব্যৱস্থাপনা কৰা হোৱা নাই আৰু সেই কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। চিকিৎসাৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে। আজি উন্নত মানৰ চিকিৎসালয় যাতে গঢ়ি তুলিব পাৰি সেই কথাটো আমি চাব লাগিব। জিলাৰ সদৰ ঠাইত দুশ খন বিচানাযুক্ত চিকিৎসালয় স্থাপন কৰাৰ কথা কৈছিল যদিও সেই চিকিৎসালয় এতিয়াও হোৱা নাই। ইয়াত প্ৰায় ৬৫ হাজাৰ মান মানুহ আছে আৰু এই মানুহখিনিৰ কাৰণে এখনো চিকিৎসালয় নাই যাৰ কাৰণে কিছুমান পৰিস্থিতিত বহুতো দুৰ্ঘটনাগ্ৰস্ত মানুহ মৃত্যু মুখত পৰা দেখা যায়। কাৰণ গোৱালপাৰাৰ যিখন পুৰণা চিকিৎসালয় সেইখনো চহৰৰ পৰা বহু দূৰ বাহিৰত আছে। চিকিৎসাৰ উন্নতিৰ কথা ৰাজ্যপালৰ ভাষণত কৈছে যদিও জিলাৰ সদৰত চহৰৰ মাজ মজিয়াত চিকিৎসালয় স্থাপন কৰাৰ ক্ষেত্ৰত কেনে ব্যৱস্থা লব তাৰ কোনো উল্লেখ নাই। মই এই যিখিনি সমস্যাৰ কথা কৈছো এইখিনি গোৱালপাৰাৰ সমস্যাৰ কথাহে কৈছো। তাত ইৰিগেচনৰ এচ, ডি, অ এজন চিকিৎসালয়খন চহৰৰ বাহিৰত থকাৰ কাৰণে যান বাহনৰ অভাৱৰ কাৰণে লৈ যাব পৰা নাছিল আৰু আমাৰ চকুৰ আগতে তেখেত ঢুকাইছিল। এনেকুৱা বিলাক পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ কাৰণে অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে ২০/৩০ খন বিচনা যুক্ত কেইখনমান হস্পিতাল যাতে চহৰৰ ভিতৰত স্থাপন কৰা হয় সেই কথাটো ৰাজ্যপালৰ ভাষণত সংযোজনা কৰাৰ কাৰণে বা স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ ব্যৱস্থাপনা লোৱাৰ কাৰণে অনুৰোধ জনাইছো। ৰাজ্যপালৰ ভাষণত বিভিন্ন জনজাতীয় লোক সকলক অনুসূচীত জনজাতিৰ মৰ্য্যদা প্ৰদান কৰাৰ কাৰণে ব্যৱস্থা লোৱা হব বুলি উল্লেখ কৰিছে। কিন্তু গাৰো সম্প্ৰদায়ৰ মানুহখিনিৰ কথা ইয়াত উল্লেখ কৰা নাই। গাৰো সম্প্ৰদায়ৰ এই লোক সকলক মেঘালয়, পশ্চিমবঙ্গ আদি ৰাজ্যত অনুসূচীত জনজাতিৰ মৰ্য্যদা প্ৰদান কৰা হৈছে আৰু কাৰ্বি আংলং জিলাতো যি সকল গাৰো আছে তেখেত সকলকো অনুসূচীত জনজাতিৰ মৰ্য্যদা প্ৰদান

কৰা হৈছে। কিন্তু অসমৰ বাকী ঠাইত যি সকল গাৰো মানুহ আছে এই গাৰো সম্প্ৰদায়ৰ মানুহখিনিক অনুসূচীত জনজাতি মৰ্য্যদা প্ৰদান কৰাৰ ব্যৱস্থা লোৱাৰ কথা ইয়াত উল্লেখ কৰা হোৱা নাই। গতিকে এই গাৰো সম্প্ৰদায়ৰ মানুহখিনিকো অনুসূচীত জনজাতিৰ মৰ্য্যদা প্ৰদান কৰাৰ কাৰণে ব্যৱস্থা ল'ব লাগে। এইখিনিতে আনটো কথা সংশোধনৰ কাৰণে মই ইয়াত উৎথাপন কৰিব বিচাৰিছো। ইয়াত যিবিলাক সমস্যাৰ কথা কৈছে এই সমস্যা বিলাকৰ লগত চৰ অঞ্চলৰ সমস্যাও সন্নিবিষ্ট হৈ থকা দেখা যায়। ১৯২১ চনতই নদীয়ে খহাই নিয়া চৰ অঞ্চলৰ মাটিৰ পট্টা দিয়া হৈছিল। সেই চৰ বিলাকত বিভিন্ন সময়ত নদীয়ে ভঙাৰ ফলত ব্লক হৈ খাচ হৈ যায়। কিন্তু সেই খাচ মাটি বিলাকৰ পট্টা দিয়াৰ ব্যৱস্থা আজিলৈকে কৰা হোৱা নাই। বহুদিন আগতে চৰকাৰে পট্টা দিয়াৰ কথা কৈছিল। কিন্তু সেই পট্টাৰ সলনি কিছুমান মানুহক এলটমেণ্টহে দিলে। প্ৰত্যেক বাৰেই যি দলেই চৰকাৰ গঠন কৰে সেই দলৰ চৰকাৰেই এই অঞ্চলৰ মানুহখিনিক পট্টা দিয়াৰ কথা কয়। কিন্তু ৰাজ্যপালৰ ভাষণত এই কথাৰ কোনো উল্লেখ কৰা হোৱা নাই। গতিকে এইখিনি কথা সংযোজন কৰি যাতে সংশোধন কৰা হয় তাৰ কাৰণে আপোনাৰ জৰিয়তে অনুৰোধ জনাই আৰু ৰাজ্যপালৰ ভাষণত সন্তুষ্টি প্ৰকাশ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now, I call upon Shri Paniram Rabha to speak.

* **শ্ৰীপানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ তৰফৰ পৰা মাননীয় সদস্য ৰিপুণ বৰা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ প্ৰতি সমৰ্থন জনাই বক্তব্য ৰাখিছে আৰু মইও তেখেতৰ ভাষণৰ প্ৰতি সমৰ্থন জনাইছো। ৰাজ্যপালৰ ভাষণত অসমৰ যিবিলাক কথা উল্লেখ কৰিছে সেই বিলাকৰ ভিতৰত গুপ্তহত্যাৰ কথাটোও আনিছে। গুপ্ত হত্যাৰ প্ৰসঙ্গত মই দুটামান কথা কব বিচাৰিছো। অসমত আজিলৈকে যিমান মানুহৰ মৃত্যু ঘটিছে তাৰ ভিতৰত আমি দেখা পাইছো যে ১৯৯৬ চনৰ পৰা ২০০১ চনৰ এপ্ৰিল মাহলৈকে যিখন চৰকাৰ আছিল সেইখন চৰকাৰৰ দিনতেই সৰ্ব্বাধিক কিছুমান ঘটনা সংঘটিত হৈছে। বিগত তিনি বছৰত যদি আমি চাও তেতিয়াহ'লে দেখিবলৈ পাম যে ১৯৯৮ চনত ১৬৬৫ জনক, ১৯৯৯ চনত ১৪৬৫ জনক আৰু ২০০০ চনত ১২২১ জনক হত্যা কৰা হৈছে। ঠিক তেনেদৰে ১৯৯৮ চনত ১৪৮ জনক, ১৯৯৯ চনত ১২৩ জনক আৰু ২০০০ চনত ১১১ জনক অপহৰণ কৰা হৈছে। সেইদৰে ১৯৯৮ চনত ৮৯৬ টা, ১৯৯৯ চনত ৭৭৬ টা আৰু ২০০০ চনত ৫৮৮ টা ডকাইতিৰ ঘটনা সংঘটিত হৈছে। ইয়াৰোপৰি ১৯৯৮ চনত ৬৯৩ টা, ১৯৯৯ চনত ৬৪৩ টা আৰু ২০০০ চনত ৫৮০ টা ধৰ্ষণৰ ঘটনা সংঘটিত হৈছে। তাৰাপৰি ৰাষ্ট্ৰ সন্ত্ৰাসত ১৯৯৮ চনত ১৬৫ জনৰ, ১৯৯৯ চনত ১৯৬ জনৰ আৰু ২০০০ চনত ৩২৮ জনৰ মৃত্যু হৈছে। ঠিক তেনেদৰে উগ্ৰপন্থীৰ আক্ৰমণত ১৯৯৮ চনত ৩৮৭ জনৰ, ১৯৯৯ চনত ১৭৯ জনৰ আৰু ২০০০ চনত ৪১২ জনৰ মৃত্যু হৈছে। আমি দেখিবলৈ পাইছো যে এই তিনিবছৰত প্ৰতি দিনে ঠিক এনে ধৰণে ৭ টাকৈ হত্যাকাণ্ড সংঘটিত হৈছে। স্বাধীনতাৰ পিচত যি কেইখন চৰকাৰ গঠন কৰা হৈছিল সেই বিলাকৰ ভিতৰত যোৱা বাৰৰ চৰকাৰৰ

* Speech not corrected

দিনতেই আমি আটাইতকৈ বেচি হত্যাকাণ্ড সংঘটিত হোৱা দেখিবলৈ পাইছো। আৰু বেচি সংযোজনা কৰিলে দেখা যাব যে যোৱা বাৰৰ এই চৰকাৰৰ দিনতেই অসমৰ ইতিহাসত কোনো দিনে নঘটা কিছুমান ঘটনা সংঘটিত হৈছে। তাৰ ভিতৰত গুপ্ত হত্যাৰ কথাটোও আছে। আমাৰ বৰমা সমষ্টিতেই ডাঃ ধৰণী দাসৰ পৰিয়ালৰ ৪ জন লোকক হত্যা কৰা হৈছে। ডাঃ ধৰণী দাসৰ লগতে তেওঁৰ গৰ্ভাৱতী ঘৈণীয়েক, তেওঁৰ মাক আৰু ভনীয়েককো হত্যা কৰা হৈছিল। তেখেত সকলক গুপ্ত ঘাটকে হত্যা কৰিছিল। ৰাজ্যপালৰ ভাষণত হত্যাকাণ্ডৰ কথা প্ৰকাশ কৰা হৈছিল। কিন্তু সেই হত্যা কাণ্ড বিলাকৰ আজিলৈকে কোনো বিচাৰ নহ'ল। ডাঃ ধৰণী দাসৰ পৰিয়ালৰ হত্যাকাণ্ডৰ এটা ন্যায়িক তদন্তৰ ব্যৱস্থা কৰিব লাগে এই দাবী মই ইয়াত উৎথাপন কৰিছো। ইয়াৰ আন যিবিলাক গুপ্ত হত্যা সংঘটিত হৈছে সেই বিলাকৰো এটা তদন্ত হোৱাটো বিচাৰো। গুপ্তহত্যাত জড়িত থকা কোনো লোককে আজিলৈকে ধৰিব পৰা নাই। গতিকে এইক্ষেত্ৰত তদন্ত কৰিলে জানিব পৰা যাব। মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যাতে ৰাইজে বিচৰা ধৰণে এই গুপ্ত হত্যাৰ তদন্ত কৰে তাকেই কামনা কৰিছো। অধ্যক্ষ মহোদয়, এইখিনিতে মই জনজাতীয় লোক সকলৰ কথা ক'ব বিচাৰিছো। জনজাতীয় লোক সকলৰ বহুত সমস্যা আছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জনজাতীয় লোকসকলৰ বহুটো সমস্যা আছে। মাননীয়া সদস্যা শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মই এই বিষয়ে কৈছে। যি সকল জনজাতীয় লোক অসমত বসবাস কৰি আছে তেওঁলোক বড়ো, ৰাভা-হাজং, লালুং, দেউৰী, মটক, টিৱা, মিচিং আদি জনজাতীয় তালিকাত অন্তৰ্ভুক্ত হব। ১৯৭১ চনত লোকপিয়লত শৰণীয়া জনজাতীয়ৰ তালিকাভুক্ত হৈছিল। '৭১ চনৰ আগতে তেওঁলোকক জনজাতীয় বুলি কোৱা নাছিল। এতিয়া কিছুমান জাতিক জনজাতীয় কৰিব বিচৰা হৈছে। বড়ো, ৰাভা, টিৱা অটোনমাচ কাউঞ্চিল কৰা হৈছে। কংগ্ৰেছৰ দিনতে অগ্ৰাধিকাৰ দিয়া হৈছিল বড়ো সমস্যা সমাধানৰ কাৰণে। বড়ো ভাষাক শিক্ষাৰ মাধ্যম হিচাবে কংগ্ৰেছ চৰকাৰেই কৰিছিল আৰু বড়োলেণ্ড অটোনমাচ কাউঞ্চিল হৈছিল কংগ্ৰেছৰ দিনতে। বড়োসকলৰ কিছুমান সমস্যা আছে। বি, এ, চিৰ সীমা নিৰ্দ্ধাৰণৰ সমস্যা সমাধানৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগে। মাননীয় সদস্যা শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মৰ বক্তব্যৰ যুক্তি-যুক্ততা আছে। তেখেতে যিখিনি কৈছে সেইখিনি জনজাতি সকলৰ প্ৰাপ্য। কোকৰাঝাৰত চিকিৎসক আৰু শিক্ষক নাই বুলি কৈছে। আমাৰ চৰকাৰে সেইবিলাক সমস্যা সমাধানৰ কাৰণে ব্যৱস্থা লব। আমাৰ বাস্কা অঞ্চলৰ অভাৱ-অভিযোগৰো সমাধানৰ ব্যৱস্থা ল'ব। টিৱা, মিচিং, ৰাভা আদি জনজাতীয় সকলৰ সমস্যা আছে। প্ৰয়াত হিতেশ্বৰ শইকীয়া চৰকাৰৰ দিনতে ৰাভা হাজংৰ স্বায়ত্ব শাসন দি গৈছে। স্বায়ত্ব শাসন দিয়াৰ পিচত তাত উদ্ভৱ হোৱা সমস্যা সমূহ সমাধানৰ কাৰণে যথেষ্ঠ বাজেট দিয়াৰ ব্যৱস্থা কৰিব লাগে। যাতে জনজাতীয় সকলৰ উন্নতি সাধন হয়। অধ্যক্ষ মহোদয়, অসমত উদ্যোগ যথেষ্ঠ আছে। এই বিলাক ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডত আছে। ৰাজহুৱা খণ্ডত থকা বিলাক বন্ধ হৈ গৈছে। গতিকে আমাৰ চৰকাৰে এই বন্ধ হৈ থকা উদ্যোগ বিলাক পুনৰ জীৱিত কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু তাত থকা কৰ্ম্মচাৰী বিলাকৰ জীৱন নিৰ্ব্বাহৰ ব্যৱস্থা কৰিব লাগে। নাথকুছিত থকা অসম চিনটেক্স লিমিটেড বন্ধ হৈ গৈছে। এইটো

কংগ্রেছৰ দিনতে আৰম্ভ হৈছিল। এতিয়া আমাৰ চৰকাৰে এইটো খোলাৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, এতিয়া শিক্ষা বিভাগৰ কথা কব বিচাৰিছো। মাননীয় সদস্য শ্ৰীগিৰীন বৰুৱা ডাঙৰীয়াইও কৈছে যে শিক্ষা বিভাগত কেলেঙ্কাৰী আছে। ভাল কৰিব লাগে বুলি সকলোৱে কয়। অসম গণ পৰিষদ চৰকাৰৰ দিনৰ পৰাই শিক্ষা বিভাগটো বেচি বেয়া হৈছে। কংগ্ৰেছৰ দিনত দিয়া চাকৰীবোৰ এতিয়া হাইকোর্টে ৰাখিছে। কিন্তু এ, জি, পি চৰকাৰৰ দিনত যিবিলাক নিযুক্ত হৈছে তাত ৫০ বছৰ বয়সীয়া গাওঁবুঢ়া, ঠেলাৱালা, মেট্ৰিক ফেল আদিয়ে নিযুক্তি পাইছে। পুতেকৰ সলনি বাপেকে চাকৰী পাইছে। য'ত ৭০ টা পদ আছে তাৰ বিপৰীতে ২০০০ জনক নিযুক্তি দিয়া হৈছে। ভূৱা নিযুক্তি বহুটো হৈছে। এই সকলোবিলাকৰ তদন্ত কৰিব লাগে। যিবিলাকে প্ৰকৃততে পাব লাগে সেই বিলাকক দিব লাগে।

অধ্যক্ষ মহোদয়, ডি, আৰ, ডি, এৰ দুৰ্নীতিৰ কথা কৈ শেষ নহয়। মোৰ সমষ্টিৰ এটা ৰাষ্টাত ১ লাখ টকা দিয়া হৈছিল। তাত কোনো কাম হোৱা নাই। ঠিকাদাৰক দায়িত্ব দিয়া হৈছিল। ঠিকাদাৰে ট্ৰাকত মাটি ভৰাই লেবাৰক কয় যে তিনি ঠাইত তিনিখন ডলা খুলি দিবি তেতিয়া তিনি ট্ৰাক মাটি পেলোৱা বুলি কবি। এইদৰে ১০০ ট্ৰাক মাটি পেলাই ৩০০ ট্ৰাক কৰিছে। গতিকে অধ্যক্ষ মহোদয়, এনেধৰণে ডি, আৰ, ডি এত দুৰ্নীতি হৈছে।

সমাজ কল্যাণ বিভাগত কেনেকুৱা দুৰ্নীতি হৈছে কব নালাগে সকলোৱে ভালকৈ জানে। মোৰ সমষ্টি বৰমাত সমাজ কল্যাণৰ বিভাগৰ গাড়ীৰে নিৰ্ব্বাচনী কামত লগাইছে। তথাপিতো কামত নাহিল। সেই কাৰণে আজি কব বিচাৰিছো আমাৰ মুখ্যমন্ত্ৰীৰ ব্যক্তিত্বৰ কথা। তেখেতৰ যি ব্যক্তিত্বৰ কথা আমাৰ অসমৰ সম্পাদক শ্ৰীহোমেন বৰগোহাই ডাঙৰীয়াইও লিখিছে। এই গৰাকী ব্যক্তিৰ ব্যক্তিত্বৰ কাৰণেই কংগ্ৰেছ দলে অসম গণ পৰিষদ দলৰ পৰা ক্ষমতা কাঢ়ি আনিবলৈ সক্ষম হৈছে। আমি আমাৰ দলৰ প্ৰতিশ্ৰুতি পালন কৰাৰ কাৰণে প্ৰতিজ্ঞাবদ্ধ। সেই কাৰণে সকলো মাননীয় বিধায়ককে এই চৰকাৰে কাম কৰিবৰ কাৰণে এটা সুস্থ পৰিবেশ তৈয়াৰ কৰিবলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**Mr. Speaker :** Now I call upon Shri Premadhar Bora to speak.

* **শ্ৰীপ্ৰেমধৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু একাদশ অসম বিধান সভাৰ পবিত্ৰ সদন তথা সন্মানিত সদস্য বৃন্দ আৰু সদস্যা বৃন্দ। মই জয় জয়তে আপোনাসবৰ সকলোৰেলৈকে 'প্ৰথমে প্ৰনামো ব্ৰহ্ম ৰূপী সনাতন' হিচাবে অন্তৰৰ পবিত্ৰ স্বাগতম জনাইছো। আজি এই একাদশতম বিধানসভাত মাননীয় ৰাজ্যপালৰ অভিভাষণৰ ওপৰত আমাৰ যুৱ সদস্য শ্ৰীত্ৰিপুন বৰা ডাঙৰীয়াই এটা ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ এটা সংশোধনী দি তাক সমৰ্থন জনাইছো। আজি মই দেখা পাইছো এই সদনত আমাৰ পুৰণী সদস্য তিনিগৰাকী আছো। মই দেখা পাইছো মাননীয় সদস্য এসময়ত তেখেতে কিছুদিন মুখ্যমন্ত্ৰী আছিল, তেখেত হ'ল শ্ৰীভূমিধৰ বৰ্মণ আৰু দেখা পাইছো আমাৰ পুৰণী সদস্য শ্ৰীমিথিয়াচ টুডু ডাঙৰীয়া লগতে মোক লগ লগাই তিনিজন পুৰণী

* Speech not corrected

সদস্যা আছো। আজি মোৰ মনত পৰিছে তিনি পুৰুষৰ কথা। ১৯৬৭ চনৰ পৰা ২ বাৰকৈ মুখ্যমন্ত্ৰী হোৱা মাননীয় বিষ্ণুৰাম মেধী ডাঙৰীয়ালৈ হাজো সমষ্টিৰ পৰা আহিছিলে পিচত তেখেত ৰাজ্যপাল হৈছিলে। মোৰ মনত পৰিছে বিমলা প্ৰসাদ চলিহা ডাঙৰীয়ালৈ, ময়নুল হক চৌধুৰী, দেৱকান্ত বৰুৱা, হৰেশ্বৰ গোস্বামী, ত্ৰীপাঠী ডাঙৰীয়ালৈ। প্ৰনবৰ দেউতাকলৈ, শৰতৰ দেউতাকলৈ তেখেত মন্ত্ৰী আছিল আৰু শিদ্ধিনাথ শৰ্ম্মালৈ। পুত্ৰ মানবেন্দ্ৰ শৰ্ম্মালৈ মোৰ শ্ৰদ্ধাৰে মনত পৰিছে। ইয়াত দেখা পাইছো আমাৰ আফাজ ককাইদেউৰ নাতী নাওবৈছা সমষ্টিৰ পৰা আহিছে। সেই হিচাবে তিনিটা পুৰুষ এই বিধান সভাৰ সদস্য দেখা পাইছো।

মাননীয় অধ্যক্ষ মহোদয়, বিহপুৰীয়া সমষ্টিৰ পৰা এইবাৰ ৰাইজক সেৱা কৰিবলৈ এই নিহকিনক সেৱক হিচাবে এই বিধান সভালৈ পঠাইছে। তাৰবাবে মই বিহপুৰীয়া ৰাইজৰ ওচৰত চিৰকৃতজ্ঞ। মই এই বিধান সভাৰ সদস্য হিচাবে আজি এই বিধান সভাৰ বাক্য আমাৰ ১২৫ গৰাকী সদস্য প্ৰতিনিধিক মোৰ আন্তৰিক অভিনন্দন জনাইছো। বৰ্ত্তমান আমাৰ দেশৰ অৱস্থা ভাল নহয়। অসমৰ অৱস্থা বেছি বেয়া। আজি আমাৰ এই একাদশ বিধানসভা চলিছে। ভাৰতবৰ্ষৰ লোকসভাত আমি দেখিবলৈ পাইছো একাদশ লোক সভা ১৭ মাহ ১৩ দিন, দ্বাদশ লোকসভা ১৩ মাহ, ত্ৰয়োদশ লোকসভা ১৮ মাহ চলি আছে। ভাৰতবৰ্ষ অৱস্থা নাজল-নাস্থল এই ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণ, উপৰাষ্ট্ৰপতি কৃষ্ণ কান্ত তেখেতসকল জন্মহে হ'ল। মাহাত্মা গান্ধী ৫৩ বছৰৰ আগতে গুছি গ'ল। স্বাধীনতাৰ ৫০ বছৰৰ স্বৰ্ণজয়ন্তী পাতিছিল। এই ৫০ বছৰৰ পিচত ৰাজনৈতিক অস্থিৰতা আহিলে মহামানব মাহাত্মা গান্ধী তেখেত বাক্যশিদ্ধ পুৰুষ — তেখেতে ভাৰতীয় জনগনৰ কাৰণে যি ত্যাগ আৰু উৰ্চগা কৰিছিল যি ৰাম ৰাজ্যৰ কথা ভাবিছিল সেই ৰামৰাজ্য বাস্তৱত পৰিনত নহ'ল। তেখেতৰ সপোন সপোন হৈয়ে ৰল। ৫০ বছৰৰ পিচত দেশৰ যিটো ৰাজনৈতিক অৱস্থা সেইটো একেবাৰে থৰক-বৰক হল। শ্ৰীনৰসিংহ ৰাও ডাঙৰীয়াই ৫ বছৰীয়া কাল পৰিচালনা কৰিব পাৰিলে। তাৰ পিচত আমি দেখা পালো — বাজপেয়ী ১৩ দিন, দেৱগৌড়া ১০ মাহ, ইন্দ্ৰকুমাৰ গুজৰাল ৭ মাহ মুঠতে ১৭ মাহ ১৩ দিন শেষ হ'ল ৫ বছৰীয়া ৬০ মহীয়া চৰকাৰ। তাৰ খতিয়ান আপোনালোকে দিব। এতিয়া বাজপেয়ী ১৮ মাহ বৰ্ত্তমান চলি আছে। আগৰ ১৩ মাহ আৰু ১৭ মাহ লগ লাগি ৩০ মাহ। দুটা কাৰ্য্যকালৰ ম্যাদ হল ১০ বছৰ অৰ্থাৎ ১২০ মাহ। এই ১২০ মাহৰ ভিতৰত দুখন সংসদ ৩০ মাহহে চলালে। গণিতৰ শিক্ষকসকলে নম্বৰ দিলে ৬০ মাহৰ ভিতৰত ১৭ মাহ আৰু এটা ১৩ মাহ মুঠ ৩০ মাহ গতিকে ১২০ মাহৰ ভিতৰত ৩০ মাহ । এইটো ৩০ মাহৰ ৪ ভাগৰ ১ ভাগ শতকৰা হিচাবে ২৫ শতাংশ। ভাৰতবৰ্ষৰ ৰাজনীতিত গান্ধীজীয়ে আজি অভিশপ্ত যি গান্ধীজীয়ে ভাৰতৰ দৰিদ্ৰ জনগনৰ কথা ভাবিছিল, বঞ্চিত, অৱহেলিত, নিস্পেষিত সমাজখনৰ কথা ভাবিছিল সেই গান্ধীজীৰ মৃত্যুৰ ৫০ বছৰৰ পিচত আজি ভাৰতবৰ্ষৰ অৱস্থা থৰক বৰক হৈছে। মহামানব মাহাত্মা গান্ধীয়ে যেতিয়া ভাৰত স্বাধীন কৰিছিল তেতিয়া তেখেতৰ দুটা মহান উদ্দেশ্য আছিল। প্ৰথমটো ৰাজনৈতিক স্বাধীনতা আৰু আনটো অৰ্থনৈতিক স্বাধীনতা অনা। আমি ৰাজনীতি কৰা বিলাকে অকল ৰাজনীতিৰ

স্বাধীনতাৰ কাৰণে খোৱা কামোৰা কৰি ৫০ বছৰ কটালো কিন্তু দেশৰ জনগনৰ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত যাৰ দুযাজ খাবলৈ নাই থাকিবলৈ ঘৰ নাই সেইবিলাকৰ অৰ্থনৈতিক স্বাধীনতাৰ কাৰণে কোনো কাম কৰিব পৰা নগল। পৰিকল্পনা কৰিছে যদিও দৰিদ্ৰ শ্ৰেণীয়ে ধুকি নেপাই। সেই পৰিকল্পনা দিল্লী দিশপুৰতে থাকে। এতিয়াও শতকৰা ৫৪ ভাগ লোক দৰিদ্ৰ সীমা ৰেখাৰ তলত থাকে। ৫০ বছৰৰ শেষত শ্ৰীনৰসিংহ ৰাওৰে ৫ বছৰ পূৰ্ণ কৰিছে। এতিয়া সকলোৱে সচেতন হৈ কংগ্ৰেচক ক্ষমতা দিছে। তাত মোৰ আন্তৰিক অভিনন্দন জনাইছো। সকলোৱে তৃণমূল পৰ্য্যায় ৰাইজৰ আৰ্থিক অৱস্থা ভাল কৰিব বুলি সকলো দল মত নি বিশেষ একাদশ বিধানসভাৰ মাননীয় সদস্য সকলক শতকোতি নমস্কাৰ জনাইছো। আমাৰ মাজত যি ৰেড যি দোষ যি বেদনা আমাৰ হেৰাই যোৱা বিশ্বাস ঘূৰাই আনি আমাৰ দেশৰ দৰিদ্ৰ নাৰায়নৰ সেৱা যি গান্ধীজীৰ মূল মন্ত্ৰ আছিল তাত ব্ৰতী হ'ব লাগে। লোকসভাত ১৩ মাহ ১৭ মাহত নিৰ্বাচন পাতিব পাৰে অসমত কিয় ৫/৬ বছৰৰো পঞ্চায়ত নিৰ্বাচন পাতিব নোৱাৰে এইটো বৰ দুখৰ কথা। ইলেকচন কমিচনে কৈছে যে এটা লোক সভা নিৰ্ব্বাচন পাতিবলৈ ৫ হেজাৰ কোটি টকা প্ৰয়োজন হয়। আজি মোৰ মনত পৰে বিমলা প্ৰসাদ চলিহা, ৰামনাথ বৰুৱা, মাইনুল হক চৌধুৰী, কামাখ্যা প্ৰসাদ ত্ৰিপাৰ্থী ডাঙৰীয়ালৈ তেখেত সকল ভাল মানুহ আছিল সেই বিলাক সুমধুৰ দিন আছিল। যোৱা ১৫ বছৰে দেখিছো অন্যায় অত্যাচাৰ। আজি আমি সন্তোষ পাইছো বহু বছৰৰ মুৰত। আগতে অসম বিধান সভাত মাইক চিঙি পেলাই দিয়া ৰাজ্যপালৰ ভাষণ ফালি পেলোৱা আধি উসৃংখল পৰিবেশ শুনিবলৈ পাইছো। তেতিয়া মই নাছিলো ভালেই হৈছিল। যোৱা কালি মোৰ বোৱাৰী স্বৰূপ শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্মাই মাজতে বাধা দিছিল যদিও মাননীয় অধ্যক্ষৰ দক্ষতা দেখুৱাইছে আৰু মাননীয় ৰাজ্যপাল ডাঙৰীয়াই সহনশীল দেখুৱাইছে। এইটো মাননীয় সদনৰ কাৰণে শুভ লক্ষণ। তাৰপিচত আমি সকলোৱে মিলিজুলি একাপ চাহ খাবলৈ পাইছো। বহু বছৰৰ পিচত এইটো ঐতিহাসিক ঘটনা। মোৰ পৰম বন্ধু শ্ৰীতৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰীৰ দায়িত্বত আছে। শ্ৰীমান প্ৰফুল্ল মহন্ত মোৰ ভতিজাৰ নিচিনা আমিও অসম আন্দোলনত যিখিনি পাৰো কৰিছিলো। তেওঁৰ অনুৰোধত মাননীয় মুখ্য মন্ত্ৰীয়ে ৩ টা ঘৰ থাকিবলৈ এৰি দিব লগা হৈছিল। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে যি বদান্যতা দেখুৱাইছে সেইখিনি নবীন প্ৰবীন সকলোৰে কাৰণে আদৰ্শ হওঁক। সৰ্বশেষত আমি সকলোৱে নিস্পেষিত, শোষিত জনগণৰ সেৱা কৰিবলৈ আগবাঢ়ি আহক। এইখিনি কৰিলে তৃনমূল পৰ্য্যায়ৰ গনতন্ত্ৰ আৰু সকলো দলৰে ভাল হয়। সৰ্বশেষত সকলোকে মই মোৰ নমস্কাৰ জনাই মোৰ ভাষণ সামৰিছো।

* **শ্ৰীচিদ্দিক আহ্মেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, রাজ্যপালের ভাষণের উপর যে ধন্যবাদসূচক প্রস্তাব এসেছে — এই ব্যাপারে আমি বলতে চাই যে এখানে বিশেষ করে আইন শৃঙ্খলা এবং অর্থনৈতিক উন্নয়নের কথা বলা হয়েছে। এই ব্যাপারে আমি মাননীয় মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করে বলতে চাই যে আমাদের রাজ্যের গ্রামাঞ্চলে ৮০% ভাগ মানুষ বসবাস করে এবং তাদের বেশীর

---

* Speech not corrected

ভাগই কৃষক ও মজুর, বছরে একবার ধানক্ষোত করার পরেই আসে খরার মৌসম, তখন কৃষকরা ক্ষোত করতে পারে তার জন্য সরকারকে সবরকম সাহায্যের হাত বাড়িয়ে কৃষকদেরে প্রভাবিত করতে হবে। তাহাড়া ক্ষেত না করার ফলে পতিত জমিগুলিতে মানুষ বসবাস করছে। এমনকি Forest এর জমিতে বিগত ৫০/৬০ বৎসর ধরে পাকা বাড়ী বানিয়ে বসবাস করছে Revenue দিচ্ছেনা, সরকার সিদ্ধান্ত নিয়ে এদেরে লীজ দিলে হয়ত সরকার আর্থিক ভাবে লাভবান হতো। এইসব Encroachment সর ফলে সরকার বৃহৎ অংকের Revenue থেকে বঞ্চিত হচ্ছে। বনাঞ্চলে অনেক মানুষের কাছ থেকে প্রায় শতকরা ২৫% Forest land কেড়ে নেওয়া হয়েছে অথচ এগুলো পতিত পড়ে আছে, বরং এই লোকেদের নিকট থেকে Revenue আদায় করলে সরকার আর্থিক দিক থেকে লাভবান হতো।

মহোদয়, DRDA র দুর্নীতির জন্যই আমি দঃ করিমগঞ্জ থেকে নির্ব্বাচিত হয়েছে। একই কাজ দেখিয়ে অর্থাৎ PWD র রাস্তার কাজ দেখিয়ে DRDA র টাকা লুঠ করা হয়েছে, DRDA কাজ করেনি। ঠিক এইভাবে ভাগাই অঞ্চলে MI Bundh এর টাকাও DRDA র অসৎ লোকেরা রাজনৈতিক প্রশ্রয়ে আত্মস্বাৎ করেছে, MLA area Dev. টাকায় চেংকুড়ি Community Development Tank এ যে টাকা খরচ হয়েছে — একটা নিরপেক্ষ তদন্ত করলে সব তথ্য ফাঁস হয়ে যাবে। এই কথা বলে আমি আমার বক্তব্য শেষ করছি।

* শ্রীবিদ্যাসিং ইংলেং ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণ বিধান সভাত দিয়া ভাষণৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত মই দুআষাৰমান কথা কবলৈ থিয় হৈছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ, অন্যান্য বিভাগৰ মন্ত্ৰী সকল আৰু বিধান সভাৰ সদস্য বৃন্দক মোৰ আন্তৰিক সম্ভাষণ জনালো। অসমৰ এই জটিল পৰিস্থিতিত নতুন চৰকাৰখনে কাৰ্য্যভাৰ গ্ৰহণ কৰিবলগীয়া হৈছে। ৰাইজৰ স্বাৰ্থ পুৰণ কৰা ক্ষেত্ৰত চৰকাৰে দৃঢ় পদক্ষেপ লব। নানা সমস্যাৰে জৰ্জৰিত অসম দেশখনক প্ৰগতিৰ পথত আগুৱাই নিবৰ বাবে আমাৰ চৰকাৰ বন্ধপৰিকৰ। এই জটিল সমস্যাৰ মাজেদি উন্নতিৰ পথত আগবঢ়াই নিবৰ বাবে আমি সকলোৱে সহায় সহযোগ কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত বিভিন্ন বিভাগৰ কৰ্ম্মৰ কথা উল্লেখ কৰা হৈছে যদিও তাতো কিছুমান সমস্যাই দেখা দিছে। এনেকুৱা সমস্যাবিলাকত বিৰোধী পক্ষই সহায় সহযোগ কৰিব বুলি মোৰ দৃঢ় বিশ্বাস। মই যিহেতু ডিফু সমষ্টিৰ প্ৰতিনিধি হিচাবে নিৰ্ব্বাচিত হৈ আহিছো। পাৰ্বত্য জিলাখনৰ ওপৰত সকলোৱে আলোকপাত কৰিব বুলি ভাবিছো। এই জিলাখনত চৰকাৰৰ কৰণীয় বহুত আছে। কাৰ্বি আংলং জিলা পৰিষদ খনত এ, এচ, ডিচিয়ে শাসন কৰে। তাত বহুতো উন্নয়নমূলক কাম স্থবিৰ হৈ আছে। ইয়াৰ ফলত কে এনৰি, কেডিএফ আদি বিভিন্ন উগ্ৰপন্থীয়ে গা কৰি উঠিছে। কাৰ্বি আংলংৰ সীমামুৰীয়া ৰাজ্য মেঘালয়, নাগালেণ্ডৰ আৰু লগতে বাংলাদেশৰ সমস্যাও আছে। ডিফু আৰু হামৰেংত বহুতো কৰিবলগীয়া কাম আছে। ভাৰত চৰকাৰৰ তৰফৰ পৰা জিলাখনৰ সীমা কিছু চিহ্নিত কৰি অনা হৈছিল যদিও কাৰ্য্যকৰী নহল।

* Speech not corrected

কিছুমান ঠাই পৰ্যটনৰ কাৰণেও ঠিক কৰিব লাগিব। বহুত বছৰৰ আগতে জিয়লজি আৰু মাইনিং বিভাগৰ জৰিয়তে চাৰ্ভে কৰি খনিজ বস্তু সম্ভেদ পাইছে। এইবিলাক উদ্ধাৰ কৰিবৰ কাৰণে অসম চৰকাৰক অনুৰোধ কৰিছো। ঝুম খেতি কৰিবৰ কাৰণে খেতিয়ক সকলক ঋণৰ যোগান ধৰি খেতিয়কসকলক শক্তিশালী কৰি তুলিব লাগে। ১৯৯৫ চনৰ প্ৰথম এপ্ৰিলত ভাৰত চৰকাৰ আৰু অসম চৰকাৰ আৰু আন্দোলনকাৰী সকলৰ লগত চুক্তি কৰিছিল ধৰম সিং নামৰ এজন মধ্যস্ততাকাৰী ব্যক্তিৰ যোগেদি।

অধ্যক্ষ মহোদয়, বেছি দিন হোৱা নাই। এক দুই বছৰমান হৈছে। জয়ন্ত ৰংপীয়ে নিজে চহী কৰিছে। কিন্তু সৌ সিদিনা লাষ্টগেটত ধৰ্না দিছে। আজি থু পেলাইছে। কথা কব লাগে বুলি কলে নহব। কংগ্ৰেছৰ মানুহবিলাকক হাৰাশাস্তি কৰিছিল। ১৫ বছৰ হৈ গৈছে, ইলেক্‌শ্বনত কৈছে — ভাষণ আছে। কিন্তু সিহঁতৰ মাজত কাজিয়া হৈছে। যাৰ ফলত কংগ্ৰেছৰ দুজন আহিব পাৰিছে। জয়ন্ত ৰংপীৰ পাচোটা সমষ্টিতে প্ৰাৰ্থী নিজিকিলে। গতিকে মই ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত যি ধন্যবাদ সুচক প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now I call upon Shri Sarbananda Sonowal to speak.

* **শ্ৰীসৰ্ব্বানন্দ সোনোৱাল ঃ** মাননীয় একাদশ অসম বিধান সভাৰ অধ্যক্ষ ডাঙৰীয়া, অসমৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ লগতে মন্ত্ৰী সভাৰ সদস্য-সদস্যা সকল আৰু আজি বিধান সভা কক্ষত উপস্থিত থকা বিধায়ক বিধায়িকাসকল, জয় জয়তে আপোনালোক সকলোলৈ মই ডিব্ৰুগড় জিলাৰ ১১৫ নং মৰাণ সমষ্টিৰ পৰা সমুহ ৰাইজৰ হৈ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছো। মই আশা ৰাখিছো যে আমি যি উদ্দেশ্যত আহিছো সেই উদ্দেশ্য সফল হোৱাত সহযোগিতাৰ দৃষ্টি ভঙ্গিৰে আগন্তুক দিনত অগ্ৰসৰ হব পাৰিম। মই পোন প্ৰথম বাৰৰ বাবে বিধান সভাত প্ৰবেশ কৰিছো। এই বিধান সভাত গুণী জ্ঞানী ব্যক্তিসকল আছে, মই আশা ৰাখিছো ৰাজ্যখনৰ বিভিন্ন সমস্যাত পদক্ষেপ লোৱাত সহযোগিতা আগবঢ়াব।

অধ্যক্ষ ডাঙৰীয়া, আজি বিশেষকৈ অসমৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই এই সদনত যি ভাষণ পাঠ কৰিছে, সেই সন্দৰ্ভত আমাৰ বিভিন্ন গৰাকী বিধায়ক বিধায়িকাই তেখেত সকলৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। মই বিশেষকৈ আজি অসমৰ বৰ্ত্তমান পৰিস্থিতি আৰু পৰিবেশ এই সন্দৰ্ভত মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ইতিমধ্যে ভাৰতৰ প্ৰদেশ কংগ্ৰেছ কমিটিৰ অসম শাখাৰ সভাপতিয়ে মুখ্যমন্ত্ৰী হৈ চৰকাৰ গঠন কৰাত ভাল পাইছো। এতিয়া অসমত শান্তিৰ ব্যৱস্থা হব লাগে। হত্যা হিংসা বন্ধ হ'ব লাগে। মাননীয় সদস্য শ্ৰীৰিপুন বৰা ডাঙৰীয়াই প্ৰকাশ কৰিছে ৰাইজক মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আশ্বাস দিছে — নতুন চৰকাৰ গঠন কৰি শান্তি আনিব। আশ্বাস যদি ফলৱতী হয়, তেতিয়া হ'লে অসমৰ ৰাইজ উপকৃত হ'ব। যদি ৰাইজ উপকৃত হয়, তেতিয়া হ'লে আমিও গগৈ ডাঙৰীয়াৰ নেতৃত্বক আন্তৰিকতাৰে সহায় কৰিম।

অধ্যক্ষ ডাঙৰীয়া, এইখিনিতে মই দুটামান কথা কবলৈ বিচাৰিছো। বৰ্ত্তমান সময়ত হত্যা

* Speech not corrected

হিংসা বন্ধ হবলৈ হলে প্ৰথমতে আমি শসস্ত্ৰ সংগ্ৰামী সকলক মুল সুতিলৈ ঘূৰাই আনিব লাগিব। আমি ইমান দিনে শুনিছো যে বাতৰি কাকতৰ জৰিয়তে তেখেতসকলৰ মুখৰ কথা ব্যক্ত কৰিছে। মই ভাবো, তৰুণ গগৈ ডাঙৰীয়াই এই ক্ষেত্ৰত উদ্যোগ ল'ব। দিল্লীত তেখেতসকলৰ যথেষ্ট সংখ্যক সদস্য আছে............... মই তৰুণ গগৈ ডাঙৰীয়াক অনুৰোধ জনাইছো এই ক্ষেত্ৰত যাতে ডাঙৰ পদক্ষেপ লয়। যিবিলাক কথাৰ কাৰণে ৰাইজে অশান্তি পাইছে, হত্যা, হিংসা, অবৈধ কাম কাজ যি চলি আছে সেইবিলাকৰ ক্ষেত্ৰত বৰ্ত্তমান নতুন চৰকাৰখনক শক্তিশালী হোৱাটো বিচাৰো। অসমৰ দুটা ভয়ানক কথাত সকলো ৰাইজ সজাগ আৰু সকলো অবগত। এইটো নতুন কথা নহয়, নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। আজিৰ দিনত বিদেশী খেদিব পৰা নাই। নানা দলৰ বহুতো সদস্যই বিভিন্ন ধৰণৰ ভাষ্য কৰে, কিন্তু বিদেশী বহিস্কাৰ কৰাৰ ক্ষেত্ৰত সক্ষম হ'ব পৰা নাই। এই ক্ষেত্ৰত উদ্যোগ লব লাগে। বিদেশী বহিস্কাৰ কৰি অসমত শান্তি আনিব লাগে। মাননীয় সদস্য হেমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই ঠিকেই কৈছে। আই, এম, ডি, টি, আইনখনৰ কথা কৈছে। বিদেশী বুলি প্ৰমাণ কৰাৰ কথাটো প্ৰেক্‌টিকেল হ'ব লাগে। যিজনে বিদেশী বুলি কয়, তেওঁ সকলো কথা কালেক্ট কৰিহে কব লাগে। বিদেশী বহিস্কাৰৰ নামত গাঁওত খেতিয়ক ৰাইজ যাতে অনাহকতে হাৰাশাস্তি হ'ব লগা নহয়। তেওঁলোকে যাতে অনিশ্চয়তাৰ মাজত দিন কটাব লগা নহয়। গতিকে এই ক্ষেত্ৰত শক্তিশালী উদ্যোগ ল'ব লাগে। প্ৰকৃত কথা হ'ল — এইখন শঙ্কৰ মাধৱৰ দেশ আৰু আজান পিৰৰ দেশ। সেয়েহে আন্তৰিকতাৰে উদ্যোগ লোৱা উচিত। এই আইনখন সংশোধনৰ প্ৰয়োজন আছে। মই পিটিশ্বন দিছো আৰু বৰকটকী ডাঙৰীয়াইয়ো দিছে। আমি বিচাৰো ধৰ্ম্ম নিৰপেক্ষ।

অধ্যক্ষ মহোদয়, কিন্তু আজিৰ তাৰিখত যিটো সত্য কথা সেইটো হৈছে বিদেশী আমি খেদিব পৰা নাই। কিন্তু আমাৰ সকলোৱে এইটো উপলব্ধি কৰো যে অসমত বিদেশী আছে। বিভিন্নজনে বিভিন্ন ভাষাৰে প্ৰকাশ কৰিলেও এইটো কথা সত্য যে বিদেশী বহিস্কৰণৰ ক্ষেত্ৰত আমি মুঠেও সফল হ'ব পৰা নাই। প্ৰক্ৰিয়াগতভাবে এনে উদ্যোগ ল'ব লাগিব যাতে অবৈধ বিদেশী বহিস্কৰণ কৰিব পৰা যায়। অসম চুক্তিৰ কথা হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই ঠিকেই কৈছে। আই-এম-ডি-ডি আইন এখন আছে হয় কিন্তু কথা হ'ল বিদেশী আছে বুলি বা এজনক বিদেশী বুলি কোৱাৰ লগতে অভিযোগকাৰীজনহে প্ৰমাণ কৰিব লাগিব যে তেওঁ অভিযোগ কৰাজন বিদেশী। এই আই-এম-ডি-টি আইনখনৰ কাৰণে চৰ অঞ্চলৰ খেতি কৰা ৰাইজৰ মাজতো বহুতৰ সন্দেহৰ ভাব হৈছে। মই তেখেতসকললৈ আহ্বান জনাওঁ আত্মবিশ্বাসৰ সৈতে তেখেতসকলে প্ৰমাণ কৰিব লাগিব বিদেশী নহয় বুলি। অনিশ্চয়তাৰ ভাব বহিস্কাৰ কৰিব লাগিব। আমাৰ এইখন শংকৰ- মাধৱৰ দেশ, আজান ফকীৰৰ দেশ। আমি এই দেশৰ মানুহ বুলি আত্মবিশ্বাসেৰে প্ৰমাণ কৰিব লাগিব। গোষ্ঠী নিৰপেক্ষতাত আৰু নিৰ্ভৰযোগ্যতা প্ৰমাণ কৰিব লাগিব। বেচিক প্ৰিন্সিপ'ল আমাৰ একেই হ'ব লাগিব। গভীৰ উপলব্ধি আৰু আন্তৰিকতাৰে আমি এই ক্ষেত্ৰত আগবাঢ়ি আহিব লাগিব। প্ৰতিটো পদক্ষেপেই তেনেভাৱে ল'ব লাগিব। ধৰ্ম্মনিৰপেক্ষতা তাত হ'ব বিশ্বস্ত সপোন।

আমি চাব লাগিব চুক্তিৰ ধাৰা সমূহৰ ক্ষেত্ৰত কেনেভাবে আমি ব্যৱস্থা লব পাৰো আৰু সফলকাম হ'ব পাৰো। সংখ্যা লঘু বা সংখ্যা গুৰু সকলৰ মাজত কোনো বিশেষ ৰাজনৈতিক দল বুলি প্ৰচাৰ কৰিলেই নহ'ব।

এই মহান ভাৰতীয় জাতীয় কংগ্ৰেছৰ ওপৰত মানুহৰ এটা ভাল ধাৰণা থকা কাৰণেই আমি আজি বিপুল ভোটত জয়ী হৈ আহিব পাৰিছো। ইয়াৰ কাৰণে আমি আনন্দ অনুভৱ কৰিছো। আমি বিপুল জনসাধাৰণৰ সমৰ্থন লৈ আহিব পৰাটোতেই নিশ্চিত হ'ব পাৰিছো আৰু আমাৰ চৰকাৰ গঠনৰ পিচত যি বিবৃতি প্ৰকাশ পাইছে ইয়াতেই প্ৰকাশ পাইছে যে বৰ্ত্তমানৰ অবৈধ বিদেশী সমস্যাৰ সমাধান কৰিবপৰা হ'ব। মই মুখ্যমন্ত্ৰী মাননীয় শ্ৰীতৰুণ গগৈ ডাঙৰীয়াক আহ্বান জনাইছো আৰু উপলব্ধি কৰিব পাৰিছো যে এইটো এ-জি-পি বা ছাত্ৰ সন্থাই কোৱা কথা বিলাকৰ নিচিনা যিটো সত্য কথা যি বিলাক কথাত আইনৰ আসোঁৱাহ আছে সেইবিলাক দূৰ কৰিবলৈ উদ্যোগ লব। মাননীয় সদস্য শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই চন্দ্ৰ বাবু নাইডুৰ কথা কৈছে। আজি মহাৰাষ্ট্ৰ, অন্ধ্ৰ প্ৰদেশ আদি প্ৰদেশৰ ৰাজনীতিৰ ক্ষেত্ৰত আমাৰ অসমৰ নাম উহ্য হৈয়েই থাকে। চন্দ্ৰ বাবু নাইডুয়ে আঞ্চলিক ৰাজনৈতিক কাঠামোৰ পৰা যেনেকৈ দিল্লীৰ ৰাজনীতিত নেতৃত্ব লবলৈ সক্ষম হৈছে তেনেকৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই এদিন অসমৰ পৰা বাহিৰতো দিল্লীৰ ৰাজনৈতিক নেতৃত্ব ল'বলৈ সক্ষম হ'ব বুলি আশা কৰিছো। ইয়াৰ কাৰণে মাননীয় গগৈ ডাঙৰীয়াই নতুন পদক্ষেপৰ কাৰণে নতুন পৰিকল্পনা লোৱাতো আমি বাঞ্চা কৰো। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু বেছি সময় নলওঁ। শেষত দুটামান কথা কব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত বানপানীৰ বিষয়ে এটা সুন্দৰ কথা কৈছে। এইটো ৰাষ্ট্ৰীয় সমস্যা বুলি গণ্য কৰিবলৈ ৰাইজে বহুদিনৰ পৰা কৈ আহিছে। এইটো সময়োচিত হৈছে। অসমৰ নিচিনা এখন দুখীয়া ৰাজ্যত বানপানীৰ সমস্যাটো অকলে সমাধান কৰাটো সম্ভৱপৰ নহয়। কেন্দ্ৰৰ সহযোগ নিশ্চয় লাগিব। আজিৰ তাৰিখত আমি সকলোৱে জানো যে যোৰহাটৰ মাজুলী, ধুবুৰীৰ দক্ষিণ শালমাৰা মহকুমা বানপানী আৰু গড়াখহনীয়াত বিধ্বস্ত হৈছে। আন এটা কথা এইখিনিতে সোঁৱৰাই দিব খুজিছো যে অসম ছাত্ৰ সন্থাৰ সভাপতি হৈ থাকোতে নিজে গৈ দেখিছো জিজিৰাম নদীৰ পাৰত লাখ লাখ মানুহৰ হাহাকাৰ অৱস্থা। তেওঁবিলাক আহি ধুবুৰী গুৱাহাটীত ৰিক্সা চলাই পেট প্ৰৱৰ্ত্তায়। কিন্তু এই মানুহখিনিকো বিদেশী বুলি সন্দেহ কৰা হৈছে। তেওঁলোক প্ৰকৃত ভাৰতীয় হয়নে নহয় এইটো সন্দেহ উত্থাপিত হৈছে কিন্তু আচলতে তেনে বহু মানুহ বানপানীৰ কবলত পৰি চহৰ অঞ্চললৈ আহিছে। এইবিলাক তথ্য উদঘাটন কৰাৰ দায়িত্বও আমাৰ সকলোৰে আছে। বানপানীৰ কথা ক'লেই দক্ষিণ শালমাৰা আৰু মাজুলীৰ কথা কব লাগিব। সৰ্ব্ববৃহৎ নদীদ্বীপ মাজুলী আমাৰ সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ তাক ৰক্ষা কৰিবলৈ আমি উদ্যোগ ল'ব লাগিব। ৰাজ্যপাল মহোদয়ৰ ভাষণত শোৱণশিৰি ড্ৰাম প্ৰজেক্টৰ কথা উল্লেখ নহ'ল। তাৰোপৰি ডিব্ৰুগড় এখন এশ আঠষষ্টি বছৰীয়া পুৰণি চহৰ। বৃটিচে স্থাপন কৰিছিল বাণিজ্যিক যোগাযোগৰ কাৰণে। মোৰ সমষ্টিৰ ৰোহমৰীয়াৰ গড়াখহনীয়া ৰোধ কৰিবৰ নিতান্ত প্ৰয়োজন। প্ৰায় তিনিশ

কোটি মান টকাৰ প্ৰয়োজন হ'ব। এই সমস্যাটোৰে বিশেষ স্থান পোৱাটো বিচাৰো। ডিব্ৰুগড় জিলাই অসমৰ ৰাজহ ভৰাললৈ বিশেষ ৰাজহৰ যোগান ধৰে। কিন্তু যি ধৰণে ন্যায় পাব লাগিব সেই ধৰণে দিশপুৰৰ পৰা পোৱা নাই আমাৰ মাননীয় সদস্যা শ্ৰীমতী প্ৰণতি ফুকন ডাঙৰীয়ানিয়ে কৈ গৈছে। এইচ-এফ-চিৰ এটা বেলেগ ইউনিট কৰিব লাগে। অসম গেছ ক্ৰেকাৰ সম্পৰ্ত অইল ইণ্ডিয়া আৰু ৰিলায়েন্সৰ মাজত বুজাপৰা হৈ গৈছে। ৰেল বাজেটত বিষয়টো সংযোজন নকৰা কাৰণে এতিয়া বিষয়টো অনিশ্চয়তাৰ মাজত সোমাই পৰিছে। মাননীয় গগৈ ডাঙৰীয়াই এই বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰি ব্যৱস্থা লবলৈ আগবাঢ়িব বুলি আশা ৰাখিছো। অসম চুক্তিৰ ছয় নম্বৰ দফাত অসমীয়া মানুহৰ নিৰাপত্তাৰ বিষয়টোত অগ্ৰাধিকাৰ দিয়াৰ কথা আছে। সদৌ অসম ছাত্ৰ সন্থাই খিলিঞ্জিয়া লোকৰ কাৰণে এশ শতাংশই আসন সংৰক্ষণৰ ক্ষেত্ৰত যুক্তি আগবঢ়াইছিল। ১৯৫১ চনৰ এন-আৰ-চি আৰু ১৯৫২ চনৰ ভোটাৰ তালিকাত ভাৰত চৰকাৰৰ সন্মতি আছে। খিলঞ্জিয়া নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত এই দুয়োটা দিশ গুৰুত্বপূৰ্ণ ভাৱে হাতত ল'ব বুলি গগৈ ডাঙৰীয়াৰ ওচৰত অনুৰোধ জনাইছো। সদৌ শেষত মই নতুনকৈ বিধান সভালৈ অহা ৰাইজৰ প্ৰতিনিধি হিচাপে ইমানখিনি কথা ক'বলৈ দিয়া কাৰণে অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো আৰু লগতে সকলো মাননীয় সদস্যলৈ ইমান সময়ে কথাখিনি শুনি থকা কাৰণে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**Mr. Speaker :** Shri Biswajit Daimari.

* **শ্ৰীবিশ্বজিত দৈমাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়। মাননীয় অধ্যক্ষ মহোদয়, আমি এইটো প্ৰযোজ্য হোৱাটো বিচাৰো আৰু সেই কাৰণেই মই কৈছো। আৰু এইটোও কব বিচাৰিছো যে এইটো প্ৰযোজ্য কৰিবৰ কাৰণেই আমাৰ বড়োলেণ্ড লাগে। অসমৰ কোনো স্কুল, কলেজ বা অফিচ আদিত এইটো প্ৰযোজ্য হোৱা নাই। আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত সমালোচনা কৰাৰ ক্ষেত্ৰত বিশেষকৈ মই যি সমস্যা সমাধানৰ কাৰণে ইয়ালৈ, বিধানসভালৈ নিৰ্ব্বাচিত হৈ আহিছোঁ সেই বিষয়ে অৱগত কৰিব বিচাৰিছোঁ। আজি অলপ আগতে মাননীয়া সদস্যা প্ৰমীলা ৰাণী ব্ৰহ্ম বাইদেৱেও এই বিষয়বিলাক ইয়াত অৱগত কৰিছে। বিশেষকৈ আমাৰ বড়োলেণ্ডৰ যি সমস্যা এই সমস্যাই গুৰুত্ব ৰূপ ধাৰণ কৰিছে। আজি বহু বছৰ ধৰি এই সমস্যাবিলাক সমাধান নোহোৱাকৈ পৰি আছে। আমাৰ বড়োলেণ্ডৰ সমস্যা কেতিয়াও বলেৰে সমাধান কৰিব নোৱাৰি। ই সম্ভৱপৰেই নহয়। অসম চৰকাৰে কেতিয়াও বড়োলেণ্ডক আঞ্চলিক ৰূপ দি সমস্যাৰ সমাধান কৰিব নোৱাৰে। সেয়ে আমি কৈছো বড়োলেণ্ড গঠন কৰি ইয়াত ভৱিষ্যত আমাৰ বড়ো জনগোষ্ঠীৰ হাতত অৰ্পণ কৰক। দুখৰ বিষয় যে আমাৰ এই জটিল সমস্যা আৰু ইয়াৰ সমাধানৰ বাবে আলোচনা কৰাৰ কোনো কথাই আমাৰ ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত ঠাই নাপালে। মাত্ৰ বি, এ, চিৰ নিৰ্ব্বাচনৰ কথাহে ইয়াত ঠায়ে ঠায়ে উল্লেখ কৰা হৈছে। বি, এ, চিক বড়ো সকলে কেতিয়াবাই ত্যাগ কৰিছে। বি, এ, চি কাৰ্য্যকৰী কৰিলেই বড়োলেণ্ডৰ সমস্যা কেতিয়াও সমাধান হোৱা সম্ভৱ নহয়। আনকি ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰনালয়েও আজি এই কথাটো মানি লৈছে। আজি অসমৰ বিভিন্ন

* Speech not corrected

ৰাজনীতিবিদেও এই কথাটো স্বীকাৰ কৰিছে। সেয়েহে কৈছো আমাক নতুন ব্যৱস্থা লাগে। যি ব্যৱস্থাই আমাক নিদিয়ক কিয় আমাক সাংবিধানিক নিৰাপত্তা দিবই লাগিব। সাংবিধানিক নিৰাপত্তাৰে পৃথক ৰাজ্যৰ বাহিৰে আন কোনো ব্যৱস্থাৰেই আমি এই সমস্যা সমাধানৰ পথ দেখা নাপাওঁ। ইয়াৰ জৰিয়তেহে আমি আমাৰ ৰাজনৈতিক অধিকাৰ আৰু নিৰাপত্তাৰ সুযোগ সুবিধাবোৰ পাব পাৰোঁ। সেই কাৰণে আজি চৰকাৰে এই বিষয়টোৰ প্ৰতি গুৰুত্ব দিব লাগিব। আজি আমি কবলৈ বাধ্য যে ইমানদিনে আমি অসম চৰকাৰৰ পৰা একো নাপালোঁ, আমাৰ অঞ্চল বিলাক এতিয়াও অতি পিচপৰা হৈয়ে থাকিল। বহু বছৰ পাৰ হল কিন্তু চৰকাৰৰ উন্নয়নৰ হাত আমাৰ অঞ্চল নাপালেগৈ আমাক চুবও নোৱাৰিলেগৈ, একো উন্নয়নৰ সা-সুবিধা আমাক আগবঢ়াব নোৱাৰিলে। আজি আমাৰ ঠাইবিলাকত অফিছ, আদালতৰ একো সুবিধা নাই। ৰাস্তা, পদূলি বা যাতায়তৰ কোনো সুবিধা আমাক দিব নোৱাৰিলে আমি ইমান বছৰে। যদি মোৰ কথাবিলাক বিশ্বাস নহয় অধ্যক্ষ মহোদয়, এটা 'টীম' কৰি দিয়ক আৰু আপোনালোকে গৈ নিজে চাই আহক সমস্যাবোৰ। শিক্ষাৰ ক্ষেত্ৰত কোনো সুব্যৱস্থা নাই, যোগাযোগৰ কোনো ব্যৱস্থাই নাই; বহু বছৰ ধৰি আমি এই বিলাকলৈ আহিছোঁ কিন্তু একো নাপালোঁ। বড়োভাষাক মাধ্যম কৰি যিটো সুবিধা দিয়া বুলি কৈছে যে স্কুল, কলেজ বা অফিছ আদিত বড়ো মাধ্যমত কাম চলাব পাৰিব এইটোৰদ্বাৰা কোনো সমস্যাৰ সমাধান হোৱা নাই বৰং সমস্যা বাঢ়িছেহে। বড়ো 'মেডিয়াম' 'ইনষ্টিটিউট' কৰাৰ ক্ষেত্ৰত দেখা গৈছে স্কুলবিলাকত শিক্ষক নিযুক্তি দিব পৰা নাই। আজি তেজপুৰৰ বৰহুলাৰ পৰা ধেমাজীলৈকে যি সকল বিধায়ক আছে সকলোৱে ক'ব এই বড়ো মাধ্যমত স্কুলত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত হোৱা সমস্যাৰ কথা, সকলোৱে জানে। শিক্ষকৰ পষ্টটো মুকলি কৰি দিয়ে কিন্তু নিৰ্দিষ্ট কৰি পদটোৰ কথা নোকোৱাৰ কাৰণে সমস্যাৰ সৃষ্টি হয়। যিহেতু এইবিলাক লেট্‌লী ইনডিউচ্ কৰা হ'ল সেয়ে এই ক্ষেত্ৰত চৰকাৰৰ কোনো পলিচীও নাই। এই গোটেই কথাবিলাক আমি চৰকাৰক অৱগত কৰিব খুজিছোঁ, এইবিলাক ইমশ্বনেলী কোৱা কথা নহয়। অথনি মাননীয় সদস্যা প্ৰমীলা ৰাণী ব্ৰহ্ম বাইদেৱে কওঁতেও এইটো ইমশ্বনেলী কোৱা বুলি কৈছিল কিন্তু মই কওঁ যদি ইমশ্বনেল আমি হৈছোও তেন্তে আমাৰ জাতীয় সমস্যাবিলাক উৎথাপন কৰাৰ ক্ষেত্ৰত হৈছে কাৰণ ইমানদিনৰ অৱহেলাৰ কাৰণেইতো আজি আমি ইয়ালৈ এই সমস্যাবিলাক ক'বলৈ নিৰ্ব্বাচিত হৈ আহিছো।

নিখিল বড়ো ছাত্ৰসন্থাই পৃথক অঞ্চলৰ কাৰণে আন্দোলন কৰা নাছিল। সেই সময়ত আমাৰ বড়ো অধ্যুষিত অঞ্চলত এটা ৰেডিঅ' চেন্টাৰ লাগে বুলি কৈছিল কাৰণ আমাৰ ঠাইবিলাকত একোৰে সুবিধা বা যোগাযোগ নাই। অন্ততঃ মানুহে ৰেডিঅ' শুনি পৃথিৱীৰ নানান খা-খবৰ বা বাতৰি ল'ব পাৰিব, পৃথিৱীৰ নানা উন্নতি আদিৰ কথা জনাৰ সুবিধা পাব। মাত্ৰ পাচ লাখ টকা লাগে এটা ৰেডিঅ' চেন্টাৰ খোলাৰ কাৰণে। আজি কলেজ, ইউনিৰ্ভাৰ্চিটী আদিৰ কাৰণেও আমি বিচাৰিব লাগে আন্দোলন কৰিব লাগে কিয়? যোৱা কুৰিটা বছৰে এইবোৰৰ একো সমাধান নহল। এই সৰুসুৰা দাবী বিলাকেই পূৰণ কৰিবলৈ অসম চৰকাৰ আগবাঢ়ি নাহিল। সেয়ে আজি আমি

আমাৰ খিলঞ্জীয়া ৰাইজৰ, জনগোষ্ঠীৰ উন্নতিৰ কাৰণে বড়োলেণ্ডৰ আন্দোলন কৰি এই অৱস্থা পাইছেহি। ১৯৯৩ চনত চৰকাৰে এটা বড়ো অট'নমাচ কাউন্সিল গঠন কৰি দিয়াত আমি ভাল পাইছিলো আৰু আশা কৰিছিলোঁ যে ইয়াৰ পিচত নিশ্চয় আমাৰ কাম হ'ব। কিন্তু এতিয়া দেখা পাইছো যে এইটো আমাক ঠগোৱাৰহে এটা বুদ্ধি কৰিছিল নেকি? কাৰণ এই গোটেই ব্যৱস্থাটো এতিয়া এটা প্ৰহসনত পৰিণত হোৱাৰ উপক্ৰম হৈছে। ই এই গোটেই ব্যৱস্থাটোকে অতি জটিল কৰি পেলালে। কিবা এটা কাম লৈ আমি নাওকাটালৈ গলে তাত কব এইটো গুৱাহাটী উপাযুক্ত অফিছতহে হ'ব। আকৌ গুৱাহাটীলৈ আহি ডি, চিৰ অফিচলৈ গলে তাত কব নহয় এইটো কোকৰাঝাৰ ডি, চিৰহে কাম। আকৌ তেওঁৰ ওচৰলৈ গলে কব এইটো বি এ চিৰহে কাম। এইটো মই কৰিব নোৱাৰোঁ। এইধৰণে আমাৰ কামৰ দুৰ্দ্দশা হয়। আমাৰ তাত এজন ডক্টৰ নিযুক্তি দিয়াৰো উপায় নাই। ডিচ্পেন্সৰী দিছে কিন্তু ডক্টৰ নিয়োগ কৰাৰ ক্ষমতা আমাক দিয়া নাই। গড়কাপ্তানীৰ ইঞ্জিনীয়াৰ এজনো নিযুক্তি দিয়াৰ ক্ষমতা বি এ চিৰ নাই। এইবিলাক এই কাৰণেই হ'ব পাৰিছে কাৰণ সাংবিধানিক নিৰাপত্তাৰ জৰিয়তে এইটো হোৱা নাই হৈছে ৰাজ্যৰ আইনৰ জৰিয়তে। সেয়ে এই আইন ওলট পালট কৰিব পৰাৰ ব্যৱস্থাও আছে।

মাননীয় অধ্যক্ষ মহোদয়, যিকোনো সময়তে এই বি, এ, চিৰ আইন আলাপ-আলোচনা কৰি সংশোধন কৰি থাকিব পাৰে। সেই কাৰণে অধ্যক্ষ মহোদয়, আমি কৈছো আমাক 'চেপাৰেট ষ্টেট'ৰ অতি প্ৰয়োজন। এইখিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে বানপানী নিয়ন্ত্ৰণৰ নামত কাৰোবাক সন্তুষ্ট কৰিবলৈ গৈ কাৰোবাক উচ্ছেদ কৰিব লগা নহ'ব। আজি পাগলাদিয়া বান নিয়ন্ত্ৰণৰ নামত মোৰ সমষ্টিৰ ২৬ খন জনজাতি গাঁও উচ্ছেদ কৰিব লগা হৈছে। অধ্যক্ষ মহোদয়, দক্ষিণৰ মানুহখিনিক সুবিধা দিয়াৰ নামত উত্তৰৰ ২৬ খন জনজাতি গাওঁ উচ্ছেদ কৰিব লগা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আইন শৃংখলাৰ ক্ষেত্ৰত আজি আমাৰ মাননীয় সদস্য সকলে বক্তব্য ৰাখিছে। এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে চৰকাৰে বি, এল, টিৰ লগত আলোচনা কৰি বড়ো সমস্যাটো সমাধান কৰিবলৈ ওলাইছে। কিন্তু এইটো হ'ব নোৱাৰে। বি, এল, টিৰ লগত আলোচনা কৰিলেই বড়ো সমস্যাটো সমাধান নহয়। চৰকাৰে বি, এল,টিৰ সৈতে আলোচনা কৰিছে, কৰক। তাত আমাৰ আপত্তি নাই। অধ্যক্ষ মহোদয়, এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **ওৱাজেদ আলি চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য ৰিপুণ বৰা ডাঙৰীয়াই অনা ধন্যবাদসূচক প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্য ৰাখিব বিচাৰিছো। অধ্যক্ষ মহোদয়, আমাৰ নবাগত বিধায়ক সোণোৱাল ডাঙৰীয়াই আমাৰ দক্ষিণ শালমাৰাৰ বানপানীত ক্ষতিগ্ৰস্ত যিসকল লোকে গুৱাহাটীত আজি ৰিক্সা বা দিন হাজিৰা কৰি চলি আছে সেইখিনি সংখ্যালঘু মানুহ যে বাংলাদেশী নহয় তাকে কোৱাৰ বাবে মই তেখেতক ধন্যবাদ

* Speech not corrected

জনাইছো। অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে যে এই মানুহবিলাকৰ কাৰণে সেই সময়ৰ ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত ১৯৭৯ ৰ পৰা ১৯৮৫ চনলৈ অসমত এক ব্যাপক আন্দোলন চলিছিল। অসমৰ লাখ লাখ ভাষিক সংখ্যালঘুৰ ওপৰত সেই সময়ত নির্য্যাতন চলিছিল। অকল সেয়াই নহয়, ১৯৮৩ চনত নেলীত ১০ হাজাৰ সংখ্যালঘুক হত্যা কৰা হৈছিল আজি মাননীয় সদস্য বৰুৱা ডাঙৰীয়াই আই, এম, ডি, টি বাতিল কৰিব লাগে বুলি কৈছে। কিন্তু এই আইনখন কেতিয়া অনা হৈছিল?

আজি আপোনালোকে আপত্তি কৰিছে যে আই, এম, ডি, টি, আইনখন কেৱল অসমতহে প্ৰয়োগ হৈছে ভাৰতৰ আন ৰাজ্যত প্ৰয়োগ কৰা নাই কিয়? এই ক্ষেত্ৰত মই কও যে ভাৰতৰ অন্য ৰাজ্যত অসমৰ দৰে সংখ্যালঘু লোকসকলক হত্যা কৰা হোৱা নাছিল। অসমত সৃষ্টি হোৱা এই ভয়াবহ পৰিস্থিতিৰ বাবেই প্ৰয়াত প্ৰধান মন্ত্ৰীয়ে এই আইন কৰি থৈ গৈছে অসমৰ ক্ষেত্ৰত। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিচৰ পৰাই অসমত একাংশ সংখ্যালঘু লোকৰ বিভিন্ন ধৰণৰ অত্যাচাৰ চলাই অহা হৈছে বিভিন্ন সময়ত — তেওঁলোক ভাৰতীয় নাগৰিক নহয় বুলি। যোৱা ৫ টা বছৰত ৰাজ্যখনৰ বিভিন্ন অংশত নানা অজুহাতত বহুতো সংখ্যালঘু লোকক থানাত ভৰাই থোৱা হৈছে। অথচ এইবোৰ লোক প্ৰকৃত ভাৰতীয় নাগৰিক। এনে ধৰণৰ পৰিস্থিতিৰ বাবেই অসমত আই, এম, ডি, টি কৰা হৈছে। প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই অসমত লাখ লাখ বিদেশী বাংলাদেশী নাগৰিক আছে বুলি কৈছে — তেখেতে আনকি এই বিষয়ে কিতাপো লিখিছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণত অসমত আই, এম, ডি, টি, আইনখন বাহাল থাকিব বুলি উল্লেখ কৰাৰ কাৰণে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। অসমত লাখ লাখ বিদেশী নাগৰিক আছে বুলি কোৱা অ, গ, প, চৰকাৰে তেওঁলোকৰ ১০ বছৰীয়া শাসন কালত কেইজন বিদেশী নাগৰিকক বিতাৰণ কৰিলে জনাবনে? এতিয়া তেওঁলোকে আই, এম, ডি, টি, আইন বাটিল কৰাৰ কথা কৈছে। কিন্তু ২৫ টকা ফিজ দি এজন লোকে তেওঁৰ এলেকাৰ ৩ কিলোমিটাৰৰ ভিতৰত যদি কোনো বিদেশী নাগৰিক থাকে তেন্তে চিনাক্ত কৰাৰ ব্যৱস্থা আইনত আছে — কিন্তু ক'তা কেইজনে এই কাম কৰিলে? আজি অসমত এচাম সুবিধাবাদী লোকে ভাতৃঘাটী সংঘৰ্ষৰ সৃষ্টি কৰি সংখ্যালঘু লোক সকলক আতংকগ্ৰস্ত কৰি তুলিছে। আমাৰ দলে নিৰ্ব্বাচনৰ সময়ত অসমত আই, এম, ডি, টি, আইন বাহাল থাকিব বুলি কোৱাত আশ্বস্ত হৈ সংখ্যালঘু লোক সকলে কংগ্ৰেছ দলক ভোট দিছে। আই, এম, ডি, টি, আইনখনক লৈ আজি অসমত এচাম লোকে ৰাজনীতি কৰিবলৈ লৈছে — আই, এম, ডি. টি, অসমত বাহাল থাকিব — এইটো আমাৰ চৰকাৰৰ নীতি। আগৰ চৰকাৰৰ দিনত অসমৰ বিভিন্ন সমষ্টিত বহুতো প্ৰকৃত ভাৰতীয় সংখ্যলঘু নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কাটি দিয়া হৈছিল। দুৰ্ভাগ্যজনক আৰু পৰিতাপৰ কথা যে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বৰেণ্য সাহিত্যিক প্ৰয়াত চৈয়দ আব্দুল মালিক ডাঙৰীয়াৰ নামো ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হৈছিল। অসমত জনসংখ্যা

বৃদ্ধিৰ হাৰ অতি বাঢ়িছে বুলি বিভিন্ন সময়ত হৈ হাল্লা কৰা হয় কিন্তু পৰিসংখ্যা চালে দেখা যায় যে ১৯৭১ চনৰ পৰা ১৯৯১ চনৰ ভিতৰত সৰ্ব্বভাৰতীয় জনসংখ্যা বৃদ্ধিৰ হাৰ ৫৪ শতাংশৰ ঠাইত অসমত এই বৃদ্ধিৰ হাৰ আছিল শতকৰা ৫৩ শতাংশ। ১৯৪৮ চনৰ পিচত অসমত জনসংখ্যা যি পৰিমাণত বৃদ্ধি পাব লাগিছিল — প্ৰকৃত অৰ্থত কিন্তু হোৱা নাই। কেৱল বিদেশী নাগৰিকৰ অজুহাত দেখুৱাই এচাম স্বাৰ্থপৰ লোকে অসমত ভাতৃঘাটী সংঘৰ্ষৰ সৃষ্টি কৰিবলৈ অহৰহ চেষ্টা কৰি আহিছে, আমি সকলোৱে এই ক্ষেত্ৰত সজাগ হৈ থাকিব লাগে। অসমৰ ৰাইজৰ আগত আমাৰ অসমৰ নতুন মুখ্যমন্ত্ৰীয়ে নিৰ্ব্বাচনৰ আগতে যিবোৰ কথা কৈছিল সেইবোৰ সত্য আছিল আৰু এইবোৰ ৰাজ্যপালৰ ভাষণত প্ৰতিফলিত হৈছে। অহা ৫ টা বছৰত অসম ৰাজ্যখনৰ সৰ্ব্বাঙ্গীন উন্নয়নৰ কাৰণে সহায় সহযোগ আগবঢ়াবলৈ সকলোকে অনুৰোধ জনাই মোৰ ভাষণৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now, I request Hon'ble Chief Minister to give his reply.

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই পোন প্ৰথমতে সকলো নতুন বিধায়ক-বিধায়িকালৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। আজিৰ গৱৰ্ণৰৰ এড্ৰেছত (address) প্ৰায় ওঠৰ জন বক্তাই ভাগ লৈছিল। মই সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছো। যোৱা বিধান সভা নিৰ্বাচনত অসমৰ ৰাইজে আমাৰ ওপৰত আস্থা প্ৰকাশ কৰা কাৰণে অসমবাসী ৰাইজকো মই ধন্যবাদ জনাইছোঁ। অসমবাসী ৰাইজে এটা পৰিৱৰ্তন বিচাৰিছে। আমাৰ মূল সমস্যাটো হৈছে economic backwardness, unemployment, যাৰ কাৰণে আমি আজি বিভিন্ন সমস্যাৰ সন্মুখীন হৈছো। Insurgency problemৰ কথাই কওক, বড়োলেণ্ডৰ কথাই কওক, কাৰ্বি আংলঙৰ কথাই কওক বা অসমৰ বিভিন্ন ঠাইত উদ্ভৱ অনান্য যিবিলাক সমস্যা যেনে Minority, backward class অথবা scheduled caste সমস্যাই কওক মূল কথাটো হৈছে economic backwardness। ইয়াৰ ফলত আমাৰ আজি unemployment লাহে লাহে বাঢ়ি গৈছে। যি কাৰণেই নহওক কিয়, আজি আমি সকলো দিশত পিছুৱাই গৈছোঁ। দুৰ্ভাগ্যৰ বিষয় যে আজি অসমৰ যদি per capita income চোৱা হয় তেনেহ'লে দেখিম যে North-Easternৰ আন প্ৰদেশৰ তুলনাতো আমি পিছ পৰি আছোঁ। সেইকাৰণেই আমি আটাইতকৈ গুৰুত্ব দিছোঁ Economic developmentৰ ওপৰত। মোক সকলোৱে যেতিয়া peaceৰ কথা কয়, law and orderৰ কথা কয়, মই কৈছোঁ, নহয় economic developmentৰ ওপৰতহে মই আটাইতকৈ গুৰুত্ব দিছোঁ। যেতিয়ালৈকে economic development নহয় অসমলৈ শান্তি ঘূৰি নাহে। অসমলৈ normalcy ঘূৰি নাহে। এইটো মই আজি কোৱা নাই। যেতিয়া মই কেন্দ্ৰত মন্ত্ৰী আছিলোঁ তেতিয়াও প্ৰধানমন্ত্ৰীসকলক এই কথা কৈ আহিছিলো। আনকি মই সংসদত যেতিয়া সদস্য আছিলোঁ তেতিয়াও কৈছিলোঁ যে unemployment problem যদি আমি solve কৰিব নোৱাৰোঁ তেন্তে ই volcanoৰ নিচিনা কেতিয়াবা burst হৈ যাব। এই কথা মই আজি কোৱা নাই। মই '৭১ চনত Parliamentততো কৈছিলোঁ। তেতিয়া অৱশ্যে কেৱল অসমৰ কাৰণেই নহয় সমগ্ৰ ভাৰতবৰ্ষৰ কাৰণে কৈছিলোঁ।

আজি সেই কথা অসমত প্ৰমাণ হ'ল। যিটো কথা মই '৭১ চনত মোৰ প্ৰথম বক্তৃতাত কৈছিলো সেইটোৱেই আজি প্ৰমাণিত হ'ল। কাৰণ মই জানো যে কেৱল ভৌগোলিক স্থিতিৰ কাৰণেই নহয়, বিশেষকৈ Partition হোৱাৰ কাৰণেও অসম পিছ পৰি গৈছে। এসময়ত অসমে যি পৰিমানৰ কেন্দ্ৰীয় সাহায্য পাব লাগিছিল হয়তো পোৱা নাই। কিন্তু এই কথাও ঠিক যে অকল কেন্দ্ৰক দোষ দি থাকিলেও নহ'ব। আমি কেন্দ্ৰৰপৰা অহা ধন সংব্যৱহাৰ নকৰোঁ। এই কথাটো মই সদায়ে কৈ আহিছোঁ; অথচ আমি কেতিয়াবা কেন্দ্ৰক দোষাৰোপ কৰোঁ। আমিনো আচলতে নিজে কি কৰিছোঁ সেইটোও চাব লাগিব। আজি মোৰ ল'ৰাটোক এখন ভাল স্কুলত দিব পাৰোঁ। এটা টিউচনো দিব পাৰোঁ। সি যদি নিজে চেষ্ট নকৰে ভাল ফল পাব জানো? আমি গাঁৱৰ ল'ৰা দেখিছোঁ। তেওঁলোকৰ মাক-দেউতাক, অভিভাৱকে একো নাজানে। কিন্তু ল'ৰাজনৰ নিজৰ প্ৰচেষ্টাৰ ফলত সি আই এ এছ হৈছে; এ চি এছ হৈছে। অসমতো যদি আজি চায় Engineer সকল ক'ৰ পৰা আহিছে? ইঞ্জিনীয়াৰিঙেই হওক মেডিকেল কলেজেই হওক, এইটো কথাও মই ক'ব বিচাৰিছোঁ যে আমাৰ ফালৰপৰাও এটা প্ৰচেষ্টা থাকিব লাগিব। আমাৰ ফালৰপৰাও এটা determination থাকিব লাগিব। লোকক দোষ দি কেতিয়াও একো হ'ব নোৱাৰে। Centreৰ পৰা যিটো প্ৰাপ্য লাগে সেইটোও আমি পাব লাগিব। লগে লগে কিন্তু আমাৰো কৰ্তব্য আমি সঠিক ভাবে সম্পাদন কৰিব লাগিব। এই দুয়োটা মিল নোহোৱাৰ কাৰণে আজি কেন্দ্ৰই কয় যে তোমালোকক ইমান হাজাৰ কোটি টকা দিছোঁ, তোমালোকে তাক সংব্যৱহাৰ কৰিছানে নাই? তাৰ উত্তৰ আমি দিব নোৱাৰোঁ। এইটো সঁচা কথা আমি Utilisation Certificate দিব নোৱাৰোঁ। নোৱৰাৰ কাৰণে আমাৰ Annual planৰ পইচা বছৰে বছৰে কমি আহিছে। আজি তেওঁলোকে Annual planত ধন দিয়ে on the basis of utilisation। আগে নাছিলে। আগে every year 10 per cent, 15 percent বঢ়াই গৈছিল। এতিয়া on the basis of utilisationৰ ওপৰত দিছে। এইটো কাৰ গাত দোষ? Right to Information Bill দাঙি ধৰিব খোজাৰ উদ্দেশ্যও এইটোৱেই। আজিয়েই আমি ক'ব নোৱাৰোঁ যে Corruptionটো root out কৰি দিব পাৰিম। কিন্তু তাক আমি check কৰিব লাগিব। এই কথাটো ঠিক যে check কৰিবলৈ হ'লে এটা systemৰ দ্বাৰাহে check কৰিব লাগিব। কাৰণ ঘোচ দিয়া জনো দোষী লোৱাজনো দোষী। কাৰণ তেওঁলোকে লোৱাজনক tempted কৰি দিয়ে। আমাৰ মন্ত্ৰী বিধায়ক সকলকো tempted কৰি দিয়ে। এই ক্ষেত্ৰত যি স্বাভাৱিক Human weakness আছে সেইটো নাই বুলি কলেওটো নহ'ব। সেয়েহে আমি system এটা আনিবলৈ বিচাৰিছোঁ, যিটোৰ দ্বাৰা অন্ততঃ check কৰিব পাৰি। সেয়েহে Right to Information বিধেয়ক হ'লে ৰাইজে গম পাব যে ৰাস্তাটোত অথবা Building এটা নিৰ্মানতনো প্ৰকৃততে কিমান টকা খৰচ হৈছে। আমি Block levelতো কৈছোঁ যে এখন Sign Boardত কোন ৰাস্তাটোত কিমান টকা খৰচ হৈছে আমি লিখি থ'ম। বৰ্ডত লেখা থাকিলে মানুহে গম পাব। পঞ্চায়ত নিৰ্বাচনৰ ওপৰত গুৰুত্ব দিয়াৰ কাৰণো সেইটোৱে। আজি আধা টকা আহিছে Rural Developmentলৈ। বাকী টকা অহা নাই। আমি এই কাৰণেই পঞ্চায়তৰ ওপৰত

গুৰুত্ব দিছিলোঁ। ক্ষমতা বিকেন্দ্ৰীকৰণ কৰিবলৈ কৈছিলোঁ। যেতিয়ালৈকে ক্ষমতা Concentrate হৈ থাকিব তেতিয়ালৈকে Corruption বাঢ়ি থাকিব। আজি common মানুহৰ Participation- Administrationত সঠিক ভাবে হোৱা নাই। মই সেই দিনাখনেই Officer সকলক কৈছিলোঁ যে আমি Servant of the peopleহে। আমি Master নহয়। সেই mind set বদলি হ'ব লাগিব। মই Officer সকলক এইটোহে প্ৰথম পৰামৰ্শ দিছিলোঁ। আমি এইটোৱেই বিচাৰিছোঁ যে Public সজাগ হ'ব লাগে। তেতিয়াহে আমি Right to Information Billৰ সফলতা পাম। গাঁৱৰ মানুহক কম যে ৫ টকা বা ২ টকা কিবা এটা ফিজ ল'ব বাৰু, কিন্তু আপোনাসকলে Information দিবই লাগিব। নিদিলে আমি সেই অফিচাৰজনক liable কৰিম। তেতিয়া হ'লে বহুত ঠিক ঠাক হৈ যাব। সেইটো আমি বিচাৰিছোঁ, কাৰণ Corruption এটা মূল কাৰণ। আমি এই কথাটো আজি যিমানেই হওক স্বীকাৰ কৰিবই লাগিব। আমি এই কাৰণেই এইবাৰ আটাইতকৈ গুৰুত্ব দিছোঁ economy developmentৰ ওপৰত। যদি unemployment problem solve কৰিব পাৰোঁ আমাৰ বহু সমস্যা সমাধান কৰিব পাৰিম। শতকৰা ৮০ জন গাঁওবাসী ৰাইজৰ উন্নতি হয়তো কৰিব নোৱাৰোঁ; যেতিয়ালৈকে গাঁৱৰ Purchasing solve আমি বঢ়াব নোৱাৰো অসমখন কেনেকৈ উন্নতি কৰিব? গুৱাহাটী নগৰৰ উন্নতিৰ মাপকাঠি অসমৰ কোকৰাঝাৰৰ ভিতৰৰ গাঁওখনৰ উন্নতিৰ মাপকাঠি একে হ'ব নোৱাৰে। সিদিনাখন কোনোবা এজনে কৈছে যে আমাৰ মানুহে কিয় Dairy কৰিব? Dairy মানে গৰু নহয়। অথচ multinational campany এ কি কৰিছে? Nestleই কি কৰিছে? এই কোম্পানীবোৰেওতো dairy business কৰিছে। আমি কিন্তু এইটো সৰু ব্যৱসায় বুলি ভাবো। Fishery টো সৰু business বুলি ভাবো। মই জানো মোৰ লগত MP সকলে fishery কৰি কৰি কিমান টকা কৰিছে। ইয়াক সৰু গণ্ডীৰে চোৱা কাৰণে আমি ভাবো যে এই ব্যৱসায়লৈ আমাৰ ডেকা ল'ৰা নাযাব। আমি modern method প্ৰয়োগ কৰিব লাগিব। আজি ঠিক এইদৰে বোৱা-কটাৰ কথাতো কৈছোঁ, handloomৰ কথাতো কৈছোঁ। Handloom Industry অসমত আজি কিয় develop কৰিব পৰা নাই? Latest technology আমি অনা নাই। আমাৰ machinery নাই। ভাৰতবৰ্ষতো বহুত ঠাইত অৱশ্যে অনা নাই। dyingৰ যিবিলাক centre লাগে তাক নকৰাৰ কাৰণেও আজি আমি পিছ পৰি আছোঁ। আমি latest technology যদি আনিব নোৱাৰোঁ তেতিয়া হ'লে আমি পিছ পৰি যাম। এই কাৰণেই আমি ভাবিছোঁ যে এই sector বিলাক আজি modernize কৰিব লাগিব। মই Agriculture Minister কো আজি কৈছোঁ বিভিন্ন ঠাইত হোৱা latest technologyৰ কথা। তামোল পাণ, সুমথিৰা টেঙা সকলো ক্ষেত্ৰলৈ বেলেগ বেলেগ latest variety আনিব লাগিব। latest seeds আমি আনিব লাগিব। latest technology ল'ব লাগিব। যদি ল'ব নোৱাৰোঁ আমি পিছ পৰি যাম। সেইকাৰণেই আজি আমি agricultureত গুৰুত্ব দিছোঁ। Fisheryৰ ওপৰতো গুৰুত্ব দিছোঁ। সেইদিনাখনো মই floodৰ মিনিষ্টাৰক লগ পাইছোঁ। তেওঁক মই বুজাই কৈছোঁ যে এই national problem আজিৰ নহয়। আমি ৭১ চনৰ পৰাই বকি আছোঁ। কেন্দ্ৰকো

কৈ আছো। হয়তো কৈ আছোঁ আৰু মই ভাবো আমি flood controlটো এতিয়াও adhocismত চলাই আছো। Piecemealত চলাই আছোঁ। আজি গুৱাহাটীৰ কথাও বহুতে কৈছে। গুৱাহাটীৰ পানীৰ কথা কৈছে। মই কৈছোঁ আপোনাসকলৰ master plan কি আছে? আপোনালোকে adhocism কৰি আছে নে আপোনাসকলৰ এটা master plan আছে? এইক্ষেত্ৰত দৰকাৰ হ'লে আমি international agency use কৰিব লাগিব। নহ'লে গুৱাহাটী ক'ত থাকিব? আজি নহয়, গুৱাহাটীৰ কথা ৮৪তে কৈছিলোঁ যেতিয়া All Assamৰ Municipalty Conference হৈছিল। তেতিয়া কমলেশ্বৰ বৰা Municipality commissioner আছিল। আজিও মনত আছে। আমি কৈছিলোঁ যে গুৱাহাটী plan কৰক, নহ'লে এইখন এদিন dirtiest city হ'ব। আজি প্ৰমাণিত হৈছে। আমাৰ আগৰ ভুলটো আছিল এইখিনিতেই যে আমি short term লৈ চাই আছোঁ আৰু long term কোনো policy লোৱা নাছিলোঁ। নোলোৱাৰ ফলত আজি বিভিন্ন দিশত আমি পিছুৱাই গ'লোঁ। Educationৰ কথাটো গুৰুত্ব দিছোঁ। আমাৰ subject বিলাক আজি পিছুৱাই আছে। আজি Engineering College লৈ কিয় বাহিৰৰ মানুহ অহা নাই। আমাৰ outdated syllabus latest system আমি লোৱা নাই। Universityএ লোৱা নাই। সময়ৰ লগত খাপখোৱাকৈ পৰিৱৰ্তন কৰিব লাগিব। আমাৰ স্কুলৰ standard বঢ়াব লাগিব। আজি নবোদয় বিদ্যালয়ৰ কথাকে কৈছোঁ। নবোদয় বিদ্যালয় সমূহে ভাল result কৰিছে। দুৰ্ভাগ্য যে প্ৰথমবাৰ AGPএ ভুল বুজিলে। তেতিয়া তেখেতসকলে গ্ৰহন নকৰিলে। কৰাহেঁতেন আমাৰ গাঁৱৰ দুখীয়া শ্ৰেণীৰ মানুহ উপকৃত হ'লহেঁতেন। নবোদয় বিদ্যালয়বিলাক কাৰ কাৰণে খোলা হৈছে? এই নবোদয় বিদ্যালয়বিলাক খোলা হৈছিল গাঁৱৰ দুখীয়া ল'ৰা-ছোৱালীৰ কাৰণে। সেই conceptটো আছিল যে গাঁৱৰ যি দুখীয়া ল'ৰা, মেধাবী ল'ৰা তেওঁলোকক যিসকলে ভাল স্কুলত পঢ়াব নোৱাৰে — সেইসকলৰ কাৰণে এই conceptটো আছিল। নবোদয় বিদ্যালয় যি ধৰণে আগবাঢ়িব লাগিছিল বঢ়া নাই। কাৰণ আমি নবোদয় বিদ্যালয় বিচাৰিছিলো প্ৰতিখন জিলাতে। কিন্তু এতিয়া জিলাই জিলাই হোৱা নাই বুলি কৈছে। আমি ল'ম। লাগিলে আমি আৰু বিচাৰিম। মই আগৰপৰাই কৈ আছিলোঁ যে অসমৰ যদি উন্নতি কৰিবলৈ হয় তেতিয়াহ'লে ভাল স্কুল লাগিব। ভাল স্কুলৰ ওপৰত গুৰুত্ব দিব লাগিব। মই কৈছো যদি কোনোবাই ভাল স্কুল খোলে চৰকাৰী মাটি দিম। কোনোবাই private খোলক; মই মাটি দিয়েই কম যে ত্ৰিশ বা বিশ শতাংশ দুখীয়া meritorious ল'ৰা-ছোৱালীক নাম ভৰ্ত্তিৰ সুবিধা দিব লাগিব। এইদৰে condition দিম। কোনোবাই যদি industry খুলিবলৈ আহে, hospital খুলিবলৈ আহে most welcome। কালিয়ে start কৰা। মাটি দিলে আমি কম যে ত্ৰিশ বা বিশ শতাংশ সুবিধা দুখীয়া মানুহৰ কাৰণে দিয়া। এই ধৰণে যদি আমি কৰোঁ নিশ্চয় আমি অসমখনক আগুৱাই দিব পাৰিম। এই ক্ষেত্ৰত পিছে সকলোৰে সহযোগ লাগিব। গণতন্ত্ৰত যেনেকৈ আমাৰ ruling partyৰ দায়িত্ব আছে তেনেকৈ oppositionৰো আছে। আমি oppositionৰো সহায় বিচাৰিম। মই confrontationত বিশ্বাস নকৰো। মই conciliationতহে বিশ্বাস কৰো। সৎ পৰামৰ্শ যদি আগবঢ়ায় আমি কিয় নল'ম। হিতেন

গোস্বামীয়েও কৈছে, মযো বিশ্বাস কৰো। আজিৰ কথা নহয়। কিছু ক্ষেত্ৰত আমি সকলো বিচাৰো। কিন্তু, কেৱল অধিক ক্ষমতা বিচাৰিয়েই যদি আমি নিজক concentrate কৰিবলৈ বিচাৰোঁ তেতিয়াহ'লে আচল purposeটো serve নহ'ব। Tribal সকল পিছপৰা, শিক্ষাৰ ক্ষেত্ৰতে কওক, যাতায়াতৰ কথাতেই কওক। মই জানো বড়োলেণ্ডৰ কথা কি, ধেমাজিৰ কথা কি, মাজুলীৰ কথা কি। তালৈ যাবলৈ ৰাস্তাই নাই। মইতো জানো আজি tribal সকলৰ যি দুৰৱস্থা — সকলো ঠাইতে পিছপৰা। এই কথাটো স্পষ্ট। Tribal সকলৰ আজি ক্ষোভ কিয়? ভাৰতবৰ্ষই তেওঁলোকৰ প্ৰতি discrimination কৰিছে বুলি tribal সকলোৰে ক্ষোভ আছে। তেওঁলোকৰ প্ৰতি ন্যায় কৰা নাই। আমি ন্যায় কৰিব লাগিব। আমিয়েই tribal সকলক গুৰুত্ব দিব লাগিব। মই গুৰুত্ব দিম। এই কথাটো ঠিক যে পিছপৰা অঞ্চলত tribal হ'ব পাৰে, SC হ'ব পাৰে, backward হ'ব পাৰে সকলোতে গুৰুত্ব দিম। এইটো পলিচি কংগ্ৰেছৰ পলিচি। ৰাজীৱ গান্ধীয়ে সেই কাৰণে প্ৰধানমন্ত্ৰী হৈ ভাৰতবৰ্ষৰ প্ৰথম tribal এৰিয়াবিলাকলৈ গৈছিল আৰু সেইসময়ত মযো তেখেতৰ লগত বহু ঠাইলৈ একেলগে গৈছিলো। আমি tribal সকলৰ ওপৰত গুৰুত্ব দিম কাৰণ এই tribal সকল আমাৰ জাতিৰ এটা ডাঙৰ অঙ্গ। এই অঙ্গটো যদি দুৰ্বল হৈ থাকে অসমখনৰ কেনেকৈ উন্নতি হ'ব? সেইকাৰণে আমি বিচাৰিছোঁ যে বড়ো ভাইসকলেই হওক, কাৰ্বিসকলেই হওক, টিৱাই কওক, মিছিংয়েই হওক, দেউৰীয়েই হওক, বিভিন্ন সম্প্ৰদায়ৰ যিসকল লোক আছে তেওঁলোকক আমি চাম। আমি মৰাণ, মটক, চুতীয়া, কোচ আদিয়ে যি কথা কৈছিল, তাকো চাম। কোনোবা দৈমাৰীয়ে কৈছিল আৰু মই নিজেও কৈছিলোঁ আমাৰ ট্ৰাইবেলসকলৰ বাবে Original Tribal সকলৰ Quotaটো disturb কৰিব নালাগে। এই কথাটো মোৰেই suggestion আছিল। আজি নহয় আমাৰ কংগ্ৰেছ মিটিঙতো মই তেতিয়া কৈছিলোঁ। মই এইটোহে বিচাৰিছোঁ। নহ'লে আমাৰ ট্ৰাইবেলসকল আৰু বেছি পিছুৱাই যাব। কাৰণ আমি justice কৰিব লাগিব, Social justice যদি নকৰোঁ, কেতিয়াও peace আহিব নোৱাৰে। সম্পূৰ্ণকৈ নহ'লেও অলপ-অচৰপ কিন্তু মানুহৰ মনত feeling এটা আহিছে যে আমি এটা Social justice কৰিব বিচাৰিছোঁ। এইটো আজি আমি অসমত কৰিম। কাৰণ আমি আটাইতকৈ গুৰুত্ব দিবলৈ বিচাৰিছোঁ পিছপৰা area বিলাকৰ উন্নয়নত। আমি যিমান পাৰো সকলো মানুহৰ প্ৰতি ন্যায় বিচাৰ কৰিব লাগিব। আমাৰ ইয়াত বহু ভাষা-ভাষী লোক আছে। অসমত বাস কৰা সকলো শ্ৰেণীৰ মানুহৰ স্বাৰ্থৰ কাৰণে আমি কাম কৰিব লাগিব। কোনো শ্ৰেণীৰ মানুহে যাতে feel নকৰে যে — "আমাৰ প্ৰতি injustice কৰা হৈছে"। আমি যদি বহল দৃষ্টিৰে চাওঁ তেন্তে আমি আমাৰ অস্তিত্বৰ কাৰণে চিন্তা কৰিব নালাগে। আমাৰ অস্তিত্ব থাকিব। কিন্তু ঠেক গণ্ডীৰে চালে অস্তিত্ব নাথাকে। আমি বহল দৃষ্টিভঙ্গীৰে মানুহক আঁকোৱালি ল'ব লাগিব। আমি যদি সকলোকে আঁকোৱালি লওঁ আমাৰ এই সমাজখন আৰু বহল হ'ব। বহল হ'ব অসমৰ সমাজ। অসমীয়া সমাজ গঠন হ'ব। য'ত সকলোৱে আমি গৰ্ব কৰিব পাৰিম এইখন এখন অসম বুলি। অসমত বেলেগ বেলেগ জনগোষ্ঠী আছে। সকলোকে লৈ অসম হৈছে। সকলো

জনগোষ্ঠী, সকলো ভাষা-ভাষী লোকক আমি যদি ন্যায় প্ৰদান কৰো নিশ্চয় অসমৰ উন্নতি হ'ব। ইয়াৰ লগে লগে আমি আৰু বহু আঁচনি কৰিছোঁ। পিছত আপোনাসকলক কম। Rural healthৰ ওপৰত গুৰুত্ব দিয়া হৈছে। কাৰণ, আমি দেখিছোঁ গাঁৱলৈ ডাক্তৰ নাযায়। আজি দৈমাৰী ডাঙৰীয়াই কৈছে tribal areaলৈতো নাযায় নাযায় বাকী areaলৈকো এতিয়া কোনো ডাক্তৰ নাযায় আৰু সেই কাৰণে মই কৈছোঁ যে Rural Health Service এটা খুলিব লাগে। দৰ্কাৰ হ'লে মই কৈছোঁ এটা নতুন courseও খুলিব লাগে। আৰু তেওঁলোকৰ appointment আমি Rural Health Serviceতে দিম। বৰ্মন ডাঙৰীয়াইও কৈছে যে এবছৰ যদি তাত কাম কৰে দুবছৰৰ seniority বা কিবা এটা incentive আমি দিব লাগিব। Health, education এই দুয়োটাই হৈছে basic কথা। এই দুটাক যদি আমি গুৰুত্ব নিদিওঁ তেতিয়াহ'লে অসমখন যেনেকৈ আগুৱাই যাব লাগে সেই ধৰণে আমি আগুৱাই নিব নোৱাৰিম। ইয়াৰ মাজতো বাকী আপোনাসকলে যিবিলাক কৈছে এইটো ঠিক। বিদেশী infiltrationৰ কথা কৈছে তাতে একমত। আমি কোনোদিন কোৱা নাই যে বিদেশী ইয়াত আহি থাকিব লাগে। বিদেশী যদি কোনোবা এজন আছ তাকো চিনাক্ত হ'ব লাগে। চুক্তিত আমিয়ো চহী কৰিছোঁ। কিন্তু এইটোও ঠিক — যে বিদেশীৰ নামত এজনো যাতে ভাৰতীয়ই হাৰাশাস্তি খাব নালাগে। কাৰণ আমি জানো কিমান হাৰাশাস্তি হৈছে। ইয়াতে enquiry কৰিছিল ৩ লাখৰ ওপৰত কিন্তু tribunal লৈ পঠালে কিমান? ছয়ত্ৰিশ হাজাৰ। তেনেহ'লে ২ লাখতকৈও অধিক বাকীবিলাকক ভাৰতীয় নাগৰিক বুলি আমি আকৌ ক'ব লগা হ'ল দেখোন। Policeএ তেওঁলোকৰ সংখ্যা ৩ লাখ কৰিছিল। IMDT Act খন নথকা হ'লে কি হ'লহেঁতেন। মোৰ প্ৰশ্ন হৈছে এইটোৱেই। আজি এই কাৰণেই IMDT Act খন অসম চুক্তিত তেওঁলোকেই গ্ৰহণ কৰিছিল। মই লাগিলে লাইনটোও গাই দিম — The govt. will give due consideration to certain difficulties raised by AASU and Assam Gana Sangram Parisad regarding Implementation of Illegal Migration Act. এইখনত প্ৰফুল্ল মহন্ত ডাঙৰীয়াই চহী কৰিছিল। মই চহী কৰা নাই তেতিয়া। যোৱা নিৰ্বাচনতো আনকি ১৯৯৬তো তেওঁলোকে repealৰ কথা কোৱা নাছিল। আজি দুবছৰৰ আগলৈকে কোৱা নাছিল, এইখন থাকক বা নাথাকক তেতিয়াতো oppose কৰা নাছিল। AGPয়ে কেতিয়াও oppose কৰা নাই। Repealৰ কথা আছুৱে ক'ব পাৰে। মই বেলেগ কথাত কিন্তু AGPৰ স্থিতিকহে চাইছো, আজি ইফালে কাইলৈ সিফালে। কংগ্ৰেছৰ স্থিতি সেইটো নাছিল। আমি হাৰো নাহাৰো সদায় কিন্তু স্থিতি, basic policyৰ পৰা কেতিয়াও আতৰি অহা নাই। আমি, secularismত বিশ্বাস কৰোঁ। ন্যায় দিবৰ কাৰণে যাতে কাৰো প্ৰতি অন্যায় কৰা নহয় সেইকাৰণেই আমি কৈছোঁ। আমি Judicial Processৰ কথা কৈছোঁ আৰু এইটো নহয়। প্ৰমাণ কৰাৰ কথাটো মই জানো কি দিয়ে। প্ৰথমে show cause ন'টিচ দিয়ে তেওঁলোকক — to produce all documents বুলি। তেওঁলোকক যদিও আমি কৈ আছো legally, in practice এতিয়াও কিন্তু burdenটো চলিয়েই আছে। এতিয়াও Practical কথাটোকে মই কৈছো। এইটোও ঠিক যে আমি Intruder আহিব দিব নালাগে। মই আজি নহয়

আগৰ পৰাই কৈ আহিছিলো। Fencing যেতিয়া দিছিলে তেতিয়াও কৈছিলো। অসম চুক্তি হওঁতেও কৈছিলোঁ যে fencing এ বন্ধ কৰিব নোৱাৰে। মই death & birth registrationৰ কথা তেতিয়াও কৈছিলোঁ। Death & Birth registration আমি কৰিব লাগে। Photo identity card আমি দিব লাগে। তাৰ পিছত আমি কৈছো কোনোবা যদি Foreigner-এ মাটি কিনে তেতিয়াও আমি forfeit কৰিব লাগে। ইয়াক এটা systemৰ দ্বাৰাই হে বন্ধ কৰিব লাগে। আজি য'ত foreignerৰ check আছে তাত জানো বন্ধ কৰিব পাৰিছে? মই বহুত argument দিব পাৰোঁ। এতিয়াও 67-71 লৈ IMDT Act apply নহয়। Foreigner's Act apply হয়, কিন্তু তাত কিমান ধৰিছে? এতিয়াও Assam Accordত বহুতে নাজানে সেই periodৰ কথা। যদি ১০ বছৰ ভোট দিয়াৰ পৰা বিৰত থাকে তেতিয়া apply হয় কিন্তু Foreigners Act? তাত কিয় ধৰিব পৰা নাই? ইয়াত বাৰু বুজিলো IMDT খন হোৱাৰ বাবে। এতিয়া বেলেগ stateতটো আছে Foreigners Act, অসমতো আছিল। আজি দিল্লীতো আছে বুলি কয়। কিন্তু Act খন থাকিলেও নহ'ব যদি Implement নহয়। Actএ অকলে নোৱাৰে। আজিও বহু Act আছে যাৰ proper implementation নহয়। মই কৈছো যে blockএ blockএ লাগিলে আমি all party এখন কমিটি কৰি দিম। All party, All student organisations তেওঁলোকে কৰক identify। যদি প্ৰমাণ আছে আমি বাহিৰ কৰি দিম। Including, AASU, সবকে কৈছোঁ। AASU হওক, আমচু হওক আমি সকলো কৰাই দিম, আমি ব্লকএ ব্লকএ কৰি দিম। যদি বিদেশী আছে মই নিজেই উলিয়াই দিম। কাকো নেৰো যদিহে প্ৰকৃত বিদেশী হয়। আমাৰ বিশেষকৈ কাৰ্বি আংলঙৰ কথা কে ধৰা যাওক। জনমসিং, তেওঁলোকে নিজেই চুক্তি কৰিছিল — মই চুক্তি কৰা নাছিলো। তেওঁলোকে এই চুক্তি ১-৪-৯৫ত কৰা বুলি মোক কৈছিল আৰু in presence of Home Minister of Govt. of India MOU sign হৈছিলে। তেতিয়া আছিল আমাৰ হিতেশ্বৰ শইকীয়া ডাঙৰীয়া আৰু ASDC leader সকল। তেওঁলোকেই আছিল এই চুক্তিৰ সময়ত। আমি আজি তেওঁলোকৰ উন্নতি বিচাৰোঁ। তেওঁলোকে অধিক ক্ষমতা লওক আনহাতে planningৰ কথাও কৈছে Borolandএ আমাৰ লগত। মই বিচাৰোঁ planningত মানুহ সোমাব লাগে। এতিয়া যিখন আছে সেইখন আৰু pioneer হওক। আমি development বিচাৰোঁ। Economic development বিচাৰোঁ। আমি আলোচনা কৰিম। আমি সদায় talk কৰাৰ বাবে প্ৰস্তুত আছোঁ। Boro হওক, কাৰ্বি হওক, বাকী যাৰ যি সমস্যা আছে North Cacharৰো হ'ব পাৰে, বেলেগে বেলেগে সকলোৰে লগত আমি আলোচনা কৰিম। Insurgency groupৰ লগতো। ময়ো বিচাৰোঁ সকলো Groupৰ লগত আলোচনা হ'ব লাগে। এইটো নহয় যে এটা গ্ৰুপৰ লগত talk হ'ব আন এটা গ্ৰুপৰ লগত নহ'ব। এই কথাটো মই সদায় কৈছোঁ যে talk হ'বলৈ হ'লে আমি এটা congenial atmosphere সৃষ্টি কৰিব লাগিব। আমি talk বিচাৰোঁ কাৰণ আমি আগৰপৰাই কৈছোঁ যে এইটো মিলিটেৰীৰ দ্বাৰা solution নহয়। পৃথিৱীৰ ক'তো হোৱা নাই। Ultimately political dialogueৰ পৰাই হৈছে। আমিও বিচাৰোঁ,

Houseৰ সকলোৱে বিচাৰে। যিবিলাক insurgent group আছে সকলোকে মই appeal কৰিছোঁ যে তেওঁলোকো আমাৰ লগত talk কৰিবলৈ আহক, আমি আলাপ-আলোচনা কৰোঁ। আমি তেওঁলোককে অনুৰোধ কৰিছোঁ। কাৰণ, আমি অসমৰ উন্নতি বিচাৰিছোঁ। অসমলৈ আমি শান্তি আনিব বিচাৰিছোঁ। অসমৰ যুৱক-যুৱতীসকলক আমি কৰ্মসংস্থাপন দিবলৈ বিচাৰিছোঁ। তাকে কৰিবলৈ হ'লে আমি শান্তিৰ পৰিৱেশ ঘূৰাই আনিব লাগিব আৰু মোৰ দৃঢ় বিশ্বাস যে ইয়াত থকা সকলোৱে এই ক্ষেত্ৰত একমত। ইয়াৰ বাদেও আপোনাসকলে যিবিলাকৰ amendment আনিছে তাত dialogueৰ কথাটো কৈছেৱেই Job Opportunityৰ কথাটোও কৈছে ডেকা ডাঙৰীয়াই এইটোত আমিও একমত। Central govtএ কি কৰিব লাগে menifestoত আমি এই কথা উল্লেখ কৰিছোঁ। ইয়াৰ বাদেও আপোনাসকলে বেলেগ ঠাইত থকা tea companyৰ headquarterৰ বা Oil Indiaৰ কথা কৈছে। মই কালি Oil Indiaৰ অফিচাৰ কিজনক আহোতে কৈছোঁ যে আপোনালোকে যদি নাহে মই Tea Companyক কেনেকৈ ইয়ালৈ আনিম? Oil Indiaৰ অফিচাৰ জনক মই কালি কৈছো যে Corporate Officeটো ইয়াত কৰা কথা আছিল কি হ'ল? মইয়ে কালি কৈছো আপোনালোকে যদি ইয়ালৈ নাহে আমি Tea Companyক অৰ্থাৎ এইবোৰ Private Companyক কেনেকৈ আনিব পাৰিম? Primary Health Centreৰ কথাও কৈছে আমাৰ চাদিক মজুমদাৰে আৰু ইয়াৰ সমস্যাৰ কথাও মই জানো। কাৰণ হ'ল erosionটো। মইতো সদায়ে কওঁ যে Erosionটো floodতকৈ আৰু ডাঙৰ সমস্যা। Flood আহিছে Floodৰ refief পায়, কোনোবাই আকৌ খেতি কৰিবও পাৰে। erosionটোত মানুহ একেবাৰে homeless হয়, খেতি বাতি কৰিবলৈ একো নাইকিয়া হয়। Erosionত যিমান importance দিব লাগে আজিলৈকে আমি দিয়া নাই। Erosionটো আটাইতকৈ ডাঙৰ problem। মইয়ো দেখিছোঁ South Salmaraত। মোৰ সমষ্টিটো দেখিছোঁ। আজি বছৰ বছৰ ধৰি সেই মানুহবিলাক আহি মথাউৰিৰ ওপৰত থিঙৰ ওচৰত পৰি আছে। এইবিলাক আমি দেখিছোঁ। যিবিলাক সমস্যাৰ কথা আপোনালোকে ডাঙি ধৰিছে সেইখিনি আমি যিমান পাৰোঁ নিশ্চয় কৰিম। শিক্ষা বিভাগৰ কথা আপোনালোকে কৈছে। তাত দুৰ্নীতি আছে। বিষয়টো most complicated। কিন্তু এইটো যি কাৰণেই নহওক আমি কৈছোঁ যে শিক্ষাৰ যদি reform কৰিব নোৱাৰো অসম কেনেকৈ আগুৱাই যাব। ইয়াৰ ওপৰতো আমি গুৰুত্ব দিছোঁ। শিক্ষাৰ ক্ষেত্ৰত থকা খেলিমেলি দূৰ কৰিবৰ বাবে প্ৰচেষ্টা চলাম। দৰকাৰ হ'লে আমি এখন expert Committee গঠন কৰি দিম। তাৰ পিছত rural developmentৰ enquiryৰ কথাও কৈছে। যি ক্ষেত্ৰত মই কৈছোঁ যে আমি vindicitve নহয়। কিন্তু যদি ক'ৰবাত serious lapses আছে serious charges অথবা minor chargesৰ কথাও যদি কয় আমি seriously enquiry কৰিম। এইটো নহয় যে তাত কোনোবাই scot free হৈ যাব। তেওঁ যি খুচি তাকে কৰিব। এইটো কৰিবলৈ আমি নিদিওঁ। ইয়াকে কৈ ৰাজ্যপালে যিটো ভাষণ দিছে তাত আপোনাসকলে সমৰ্থন জনাব বুলি আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

**Shri Dilip Kr. Saikia :** Point of order Sir, please say few lines regarding Work Permit.

**Shri Tarun Gogoi (Chief Minister) :** Work permit will give further infiltration.

**Mr. Speaker :** Hon'ble Member, Shri Ripun Bora, do you like to speak on your motion as a right of reply?

**Shri Ripun Bora :** No.

**Mr. Speaker :** Now I come to the amendments to the notice of Motion of Thanks on the Gover's address moved by Shri Ripun Bora in the House.

The mover of the first amendment, Shri Dharamsing Teron will you withdraw your amendment?

Is it the pleasure of the House to grant leave to withdraw the Amendment Motion?

With the leave of the House, the Amendment is withdrawn.

I now, put the Amendment before the House. That at the end of the Motion of Thanks by Shri Ripon Borah on the addressed to the Governor on 31.5.2001.

Those who are in favour, say, 'Ayes'

Those who are against say, 'Noes' 'Ayes' have it, 'Ayes' have it. 'Ayes' have it. The Motion is passed and the Motion is adopted.

## Laying of Report

Now Hon'ble Minister, Shri Bharat Chandra Narah (Parliamentary Affairs) to lay the reports. I now request Shri Bharat Chandra Narah to lay the report of the motion.

**Mr. Bharat Chandra Narah :** Mr. Speaker Sir, I beg to lay the report of the motion.

## Obituary Reference

মাননীয় অধ্যক্ষ ঃ অসম বিধান সভাৰ চলিত অধিবেশনৰ কালছোৱাতে এগৰাকী প্ৰাক্তন বিধায়ক নীলমণি বৰঠাকুৰৰ পৰলোক প্ৰপ্তি ঘটে। তেখেতৰ বিয়োগত আজি এই সদনত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

বিশিষ্ট মুক্তিযোদ্ধা, ৰাজনীতিবিদ, প্ৰাক্তন বিধায়ক নীলমণি বৰঠাকুৰৰ কালি ৩১ মে'ৰ দিনা ডিব্ৰুগড়ৰ চিৰিংচাপৰিৰ নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৯১ বছৰ হৈছিল।

১৯০৯ চনত যোৰহাটত জন্ম লাভ কৰা বৰঠাকুৰে কলিকতাৰ প্ৰেচিডেন্সী কলেজৰ পৰা বি-এছ-চি পৰীক্ষাত উত্তীৰ্ণ হৈছিল আৰু স্নাতকোত্তৰ ডিগ্ৰী সম্পূৰ্ণ নকৰাকৈ স্বাধীনতাৰ আন্দোলনত তেখেত সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিল। তেখেতে ডিব্ৰুগড় পাব্লিক হাইস্কুলত শিক্ষকতা কৰি পিছলৈ চতিয়া, ৰহা, খোৱাং আদি ঠাইত বিদ্যালয় স্থাপনত মুখ্য ভূমিকা লয়। ১৯৫৭ চনৰ নিৰ্বাচনত ভাৰতীয় কমিউনিষ্ট পাৰ্টীৰ প্ৰাৰ্থীৰূপে ডিব্ৰুগড় বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ সদস্য নিৰ্বাচিত হয়। ১৯৬০ চনত অসমৰ ভাষানীতি সন্দৰ্ভত দলৰ সৈতে মত বিৰোধ ঘটাত তেখেতে বিধান সভাৰ সদস্য পদ ইস্তফা দিয়ে।

এই গৰাকী বৰ্ষীয়ান ৰাজনীতিকৰ মৃত্যুত আমাৰ ৰাজ্যখনৰ এক অপূৰণীয় ক্ষতি হ'ল।

এতিয়া মই সদনৰ মাননীয় সদস্য সকলক নিজ নিজ স্থানত থিয় হৈ এক মিনিট সময় মৌনতা অৱলম্বন কৰি বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীঅজিত সিং ঃ** চাৰ বিষ্ণুলাল উপাধ্যায়ৰ নামো ইয়াত সোমাব লাগে।

**Mr. Speaker :** The House stands adjourned till 4p.m. on 2nd June,2001

## Adjournment

The House stood adjourned at 9 p.m. till 4 p.m. on 2nd June, 2001.

D. Talukdar
Secretary
Assam Legislative Assembly

Dispur
The 1st June, 2001